# পাতিদৰং মহাবিদ্যালয় আলোচনী

## অষ্টবিংশতিতম প্ৰকাশ

### ২০১৭-২০১৮ বৰ্ষ



তত্বাৱধায়ক
দুলালা চন্দ্ৰ শৰ্মা

সম্পাদক
ৰুবুলজিৎ ডেকা




মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা "প্ৰজ্ঞান"

# পাতিদৰং মহাবিদ্যালয় আলোচনী

## অষ্টবিংশতিতম প্ৰকাশ

২০১৭-২০১৮ বৰ্ষ

মাননীয় / মাননীয়া

[illegible]

[illegible] লৈ ধন্যবাদেৰে আগবঢ়ালোঁ।


তত্বাবধায়ক
দুলাল চন্দ্ৰ শৰ্মা

সম্পাদক
ৰুবুলজিৎ ডেকা

*__PATIDARRANG MAHAVIDYALAYA ALOCHANI-2017-2018__ the annual publication of Patidarrang College, P.O-Loch, Dist-Kamrup, Assam, edited by Rubuljit Deka, Magazine Secretary and published by STUDENTS' UNION, Patidarrang College 2017-2018.*

**সম্পাদনাত**

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | শ্ৰীয়ম বৰকাকতি, অধ্যক্ষ |
| তত্বাৱধায়ক | ঃ | দুলাল চন্দ্ৰ শৰ্মা |
| সম্পাদক | ঃ | ৰুবুলজিৎ ডেকা |
| শিক্ষক সদস্য | ঃ | তপন কুমাৰ শৰ্মা |

**ছাত্ৰ সদস্য** ঃ খনিন্দ্ৰ ডেকা
সমৰজিৎ ডেকা

**বেটুপাত পৰিকল্পনা** ঃ দুলাল চন্দ্ৰ শৰ্মা

**মুদ্ৰণ** ঃ ডেকা এণ্ড ডেকা প্ৰিণ্টিং প্ৰেছ
ৰাজগড় ৰোড, গুৱাহাটী-৩

## কৃতজ্ঞতাৰ শৰাই ঃ

মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়া, সমূহ লেখক -লেখিকা, শিক্ষক-কৰ্মচাৰী প্ৰমূখ্যে ডেকা এণ্ড ডেকা প্ৰিণ্টিং প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দলৈ।

**ক্ষমা প্ৰাৰ্থনা**

পূৰ্বে প্ৰকাশিত কোনো লেখা পুনৰ প্ৰকাশ পালে সম্পাদনা সমিতি দায়বদ্ধ নহ'ব।

# ছহিদ প্ৰণামো তোমাক

দেশমাতৃৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত নিজৰজীৱন উছৰ্গা কৰি ইতিহাস ৰচা মহান ছহিদসকলৰ প্ৰতি ভাৰতৰত্ব ড° ভূপেন হাজৰিকাৰদেৱৰ এটি কালজয়ী গীতৰ কিয়দংশেৰে সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ।

ছহিদ প্ৰণামো তোমাক
ছহিদ প্ৰণামো তোমাক
লুইতৰ পাৰৰে তুমি ডেকা ল'ৰা
তুমিয়েতো বুকু পাতি দিলা
ভাৰতীৰ নুমলি জীক বচাবলে
তুমিয়েতো মৃত্যু বৰিলা
ছহিদ প্ৰণামো তোমাক
ছহিদ প্ৰণামো তোমাক।

**সম্পাদনা সমিতি**
**পাতিদৰং মহাবিদ্যালয় আলোচনী**
**২০১৭-২০১৮ বৰ্ষ**

# সূচীপত্ৰ


নিঃসংগতা ঃ এক মানসিক সমস্যা/ৰিতুপৰ্ণ ঠাকুৰীয়া/৭
লুইত আৰু ড° ভূপেন হাজৰিকা/অংগিতা ডেকা/১০
শংকৰদেৱ আৰু বিদ্যাপতিৰ.../বিৰাজ ডেকা/১১
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ নাম ধৰ্ম/জোন কাকতি/১৩
আমাৰ সম্পদ আৰু আমি/প্ৰিয়া দাস/১৫
খামতি জনগোষ্ঠীৰ কলা-সংস্কৃতি/বিভা দাস/১৭
সাম্প্ৰতিক সমাজ আৰু আমি/হৰেকৃষ্ণ দাস/১৮
ল'ৰালিৰ স্মৃতিয়ে বৰকৈ ৰিঙিয়াই/চিমা দেৱী/২০
আমি আৰু আমাৰ সমাজৰ কিছু কথা/হীৰামণি ডেকা/২১
ৰিঅ' অলিম্পিক ২০১৬ত ভাৰতৰ ভূমিকা/শ্ৰীচুমন কলিতা /২২
বাৰ্ধক্য ভাট্টা /অনুবাদক ঃ শ্ৰীদুলাল চন্দ্ৰ শৰ্মা/২৩
উপহাৰ/২৯
কালৰ বিপৰ্যয়/বন্দনা কাকতি/৩৩
এন্ধাৰৰ মাজতো জোনাকৰ ভূমিকা/হাৰুন আহমেদ/৩৫
এটি ভুল খোজ /জানমণি ডেকা/৩৬
জীৱনৰ আশা/প্ৰিয়ংকা ডেকা/৩৭


## কবিতা


বলিনদা আৰু নাই/শ্ৰীতপন কুমাৰ শৰ্মা/৩৮
জীৱন স্বপ্ন এক সংগ্ৰাম/পূজাৰাণী বেজবৰুৱা/৩৯
শুভেচ্ছা/সংগীতা ডেকা/৩৯
শইচ, পৃথিৱী আৰু মানুহৰ গাঁথা/কৃষ্ণা ডেকা/৪০
এটা বৃহৎ শব্দ/শ্ৰীঅংকুৰ ডেকা/৪০
বেদনাৰে ভৰা জীৱন/শ্ৰীমিণ্টু ডেকা/৪১
তোমাৰ আৱৰনহীন হৃদয়ৰ বুদ্ধত্ব বিচাৰি/দিগন্ত দাস/৪১
ডেউকা/সঞ্জয় দাস/৪২
সাঁকো/নিৰঞ্জন শৰ্মা/৪২
আশা/কন্দৰ্প দাস/৪৩
অসমৰ সন্তান আমি/নিশা কলিতা/৪৩
স্মৃতি/দিপশিখা ডেকা/৪৪
কিয়নো/জ্যোতিকমল ডেকা/৪৪
তোমাৰ শপত/খনিন্দ্ৰ ডেকা/৪৫
সময়/নিতু ডেকা/৪৫
ভুল/ধনমনি দাস/৪৬
সময়/মানসী দেৱী/৪৬
মোক লৈ বলা মাটিৰ বুকুলৈ/দীপাংকৰ ডেকা/৪৭
বেদনা/বৰষা ডেকা/৪৭
নিস্তব্ধ প্ৰেম/জোনজ্যোতি বৰুৱা/৪৮
আশা/বনজিৎ ডেকা/৪৮
ভেজাল/নয়ন শৰ্মা/৪৯
ৰক্তসিক্ত চকুলো/অখিল ডেকা/৪৯
জাতিৰ পিতা/ভাৰ্গৱ দাস/৫০
নিঃসংগতা/মৃদুল বনিয়া/৫০
জীৱন/পৰাগ বৰ্মন/৫১
সপোন/হিৰকজ্যোতি ডেকা/৫১
জয়তু পাতিদৰং মহাবিদ্যালয়/কংকনা দাস/৫২
নৈ/ মধুস্মিতা চহৰীয়া/৫২
মাথো তোমাৰ বাবে/ বিভা বৰ্মন/৫৩
সোণোৱালী শৈশৱ/ নীলাক্ষী কাকতী/৫৩
দেউতা তই যোৱাৰ পৰত/ধৰিত্ৰী কাকতী/৫৪
অনুভৱ/নিজৰা ডেকা/৫৪
ভণ্ড দেশপ্ৰেমিক/শ্ৰীকাকলি ডেকা/৫৫
মোৰ অবিৰত যাত্ৰা/বৰ্ণালী নাথ/৫৫
আধৰুৱা সপোন/লক্ষ্য দাস/৫৬
ONE SOUL, THOUSAND DREAMS/Rubuljit Deka/৫৬
উপ-সভাপতিৰ প্ৰতিবেদন/৫৭
সাধাৰণ সম্পাদকৰ প্ৰতিবেদন/৫৯
সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন/৬১
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন/৬২
সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন../৬৩
পাতিদৰং মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদকসকল/৬৪



# জিজ্ঞাসা

পাতিদৰং মহাবিদ্যালয়ৰ আলোচনীৰ জৰিয়তে মই এই অনুষ্ঠানৰ লগত জড়িত সকলো ব্যক্তিলৈ মোৰ শ্ৰদ্ধা যাচিছোঁ। মহাবিদ্যালয়ৰ আলোচনীখনে অনুষ্ঠানটোৰ এটা প্ৰতিচ্ছবি দাঙি ধৰে, য'ত ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ শৈক্ষিক, বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধন কৰিবলৈ সুবিধা পায়। এই বছৰৰ আলোচনীখনত প্ৰকাশিত বিভিন্ন গল্প, কবিতা, প্ৰবন্ধ আদিৰ মাজেৰে আমি ছাত্ৰ-ছাত্ৰীৰমনৰ ভাৱৰ লগতে তেওঁলোকৰ বিকশিত চিন্তাধাৰাৰ বিষয়ে নিশ্চিতভাৱে পঢ়িবলৈ পাম। ছাত্ৰ-ছাত্ৰীসকলকলৈ মোৰ এই আশা থাকিল যাতে এই শিক্ষানুষ্ঠানৰ পৰা ওলাই ভৱিষ্যতে তেওঁলোকে নিজকে একো একোজন সু-নাগৰিক হিচাবে গঢ় দিব পাৰে। মহাবিদ্যালয়ৰ শিক্ষক সমাজেও ছাত্ৰ -ছাত্ৰী সকলৰ উক্ত দিশটো তেখেতসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ আওতাৰ ভিতৰলৈ আনি তাৰ প্ৰতি চোকা নজৰ ৰখাটো উচিত বুলি মই ভাবোঁ।

শেষত, মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰিলো আৰু আলোচনীখন প্ৰকাশ হোৱাৰ ক্ষেত্ৰত যিসকল শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ -ছাত্ৰী জড়িত হৈ আছে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

।। জয়তু পাতিদৰং মহাবিদ্যালয়।।

**শ্ৰীয়ম বৰকাকতি**
অধ্যক্ষ
পাতিদৰং মহাবিদ্যালয়



পাতিদৰং মহাবিদ্যালয় আলোচনী ২০১৭-২০১৮ বৰ্ষ সম্পাদনা সমিতি



ছাত্র একতা সভাৰ ২০১৭-২০১৮ বৰ্ষৰ একাংশ



# তত্ত্বাৱধায়কৰ একলম

সাম্প্ৰতিক যুগ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নে সমগ্ৰ বিশ্বক এখন ক্ষুদ্ৰ গাঁৱত পৰিণত কৰিছে। ইয়াৰ লগে লগে মানুহৰ বৌদ্ধিক আৰু আধ্যাত্মিক দিশৰো যথেষ্ট বিকাশ হৈছে। কিন্তু প্ৰকৃতাৰ্থত সাহিত্য আৰু সংস্কৃতিৰ দিশত এচাম সৃষ্টিশীল মানুহৰ বাহিৰে ভোগবাদী চামে সাহিত্য চৰ্চাৰ দিশত আগুৱাবলৈ আৰু কিছুসময়ৰ প্ৰয়োজন হ'ব। A room without book is like a room without window. সাহিত্য সৃষ্টি হ'লেই ইয়াৰ উদ্দেশ্য সফল নহয় যদিহে সমান্তৰালভাৱে পাঠক সৃষ্টি বা পাঠকৰ সমাদৃত নহয়।

পাতিদৰং মহাবিদ্যালয় পাতিদৰং মৌজাৰ এক উল্লেখযোগ্য উচ্চ শিক্ষাৰ অনুষ্ঠান। এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট যদিও সেই অনুপাতে কিন্তু লেখক-লেখিকাৰ সংখ্যা তেনেই তাকৰ। আঠাইছ বছৰ গৰকা মহাবিদ্যালয়খনত ইং ২০১৪ বৰ্ষত অসমীয়া বিভাগৰ সাহিত্য চ'ৰা সৃষ্টি হয় আৰু অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'নজোন' যোৱা পাঁচ ছেপ্টেম্বৰ ইং ২০১৪ চনত পোন প্ৰথমবাৰৰ বাবে প্ৰকাশ হয়।

পাতিদৰং মহাবিদ্যালয়ৰ মুখপত্ৰ 'পাতিদৰং মহাবিদ্যালয় আলোচনী' গতানুগতিক ৰূপত প্ৰকাশ পাই আহিছে যদিও ই মহাবিদ্যালয়ৰ মানদণ্ড ৰক্ষা কৰাত সফল হ'ব পৰা নাই। পৰৱৰ্তী সম্পাদকৰ সম্পাদনা আৰু তত্বাৱধায়কৰ তত্বাৱধানত আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পাব বুলি আশা কৰিলো।

শেষত মহাবিদ্যালয় পৰিয়ালৰ ছাত্ৰ-ছাত্ৰী তথা লেখক-লেখিকা, কৰ্মীবৃন্দ আৰু মহাবিদ্যালয় আলোচনীখন প্ৰকাশ কৰাত সহায়-সহযোগিতা আগবঢ়োৱা বাবে সদৌটিলৈ ধন্যবাদ জনালো।

সদৌশেষত পাতিদৰং মহাবিদ্যালয় আলোচনীৰ দীৰ্ঘায়ু কামনাৰে—

ইতি—

**শ্ৰীদুলাল চন্দ্ৰ শৰ্মা**

তত্বাৱধায়ক

পাতিদৰং মহাবিদ্যালয় আলোচনী

ইং ২০১৭-১৮ বৰ্ষ।



# স ম্পা দ কী য়

সম্পাদকীয় লেখনিৰ প্ৰাক্ মুহূৰ্তত পাতিদৰং মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ প্ৰমু
মাননীয় শিক্ষাগুৰুসকলক মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো। পাতিদৰং মহাবিদ্যাল
জন্মলগ্নৰে পৰা জড়িত থকা মোৰ চিৰ নমস্য জ্ঞাত-অজ্ঞাত সেই মহান সমাজ
সকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। 'বাকৰণিত পদুম ফুলাই যিসকল মহানু
ধৰাধামৰ পৰা বিদায় মাগিলে তেওঁলোকৰ পূণ্য স্মৃতিক শ্ৰদ্ধাৰে সুঁৱৰিছো ।

সাহিত্যৰে এখনি আকাশ সজাম। সাহিত্যৰ প্ৰতি গভীৰ আস্থা আছে, মনত
সপোন আছিল যি সপোন লৈ গৈছিলো এখন নতুন পৃথিৱীলৈ। মনত অদম্য হেঁ
আছিল পাতিদৰং মহাবিদ্যালয়ত অধ্যয়ন কৰি সাহিত্যৰ বাবে কিবা এটা কৰাৰ। ম
সামাজিক প্ৰাণী। সমাজৰ প্ৰতি আটাইয়ে দায়বদ্ধ। ব্যক্তিগত স্বাৰ্থতকৈ সমাজৰ স্ব
প্ৰতি মনোনিৱেশ কৰাৰ অনুশীলন আমি ছাত্ৰ অৱস্থাৰ পৰাই কৰিব লাগিব। অধ্য
মাজত ব্যস্ত থাকিলে চৌপাশে সমাজখনত ঘটি থকা ঘটনাৱলীৰ প্ৰতিও ছাত্ৰ স
সজাগ হোৱা অতি প্ৰয়োজনীয়। দুৰ্নীতি-ভ্ৰষ্টচাৰ, ভাতৃঘাতী সংঘৰ্ষ সন্ত্ৰাস
কাৰ্যকালাপ, নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ অসহনীয় মূল্যবৃদ্ধিয়ে আমাৰ ছাত্ৰ সমা
গভীৰভাৱে স্পৰ্শ কৰিছে। সমাজত এই সামাজিক সমস্যাসমূহ সমাধানকল্পে
মাতিবলৈ ছাত্ৰ সমাজ আগবাঢ়ি আহিব লাগিব। ছাত্ৰ সমাজক যদি দেশৰ ভৱি
নাগৰিক বুলি গণ্য কৰা হয় তেন্তে এখন নিকা সমাজ গঢ়াত ছাত্ৰ সমাজৰ এক গ
দায়িত্ব আছে।

মহাবিদ্যালয়ৰ আলোচনীখন হ'ল শিক্ষানুষ্ঠানখনৰ এক জীৱন্ত প্ৰতিচ্ছবি।
আলোচনীখনেই ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত সাহিত্য প্ৰতিভা বিকাশিত কৰাৰ মাধ্যম।
বহুত আশা আছিল এখন আটকধুনীয়া আলোচনী উলিওৱাৰ। হিয়া উজাৰি কাম কৰি
নাজানো কিমান দূৰ সফল হ'লো। চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই। আমি আশা
আমাৰ সপোনৰ মহাবিদ্যালয়খনি প্ৰকৃত মানৱ সম্পদ গঢ়াৰ প্ৰতিষ্ঠান হওক আৰু সা
সংস্কৃতিৰ ভঁড়াল চহকী কৰি বিশ্বৰ দৰবাৰত নিজৰ পৰিচয় জ্ঞাপনৰ বাবে নতুন প্ৰ
সৃষ্টি কৰ্মত প্ৰবৃত্ত হওক।

এই কামনাৰে...

— ৰুবুলজিৎ
আলোচনী সম্প
ছাত্ৰ-একতা
ইং-২০১৭-২০১৮

# নিঃসংগতা ঃ এক মানসিক সমস্যা

ৰিতুপৰ্ণ ঠাকুৰীয়া
পঞ্চম ষান্মাসিক

Society, frindship and love divinely bestowd man.
W. Cooper

মানুহ সমাজপ্ৰিয়। মানুহৰ এই বৈশিষ্ট্যবোৰৰ বাবেই তিয়াবা মানুহে দুজনৰ পৰা কিছু সময় আঁতৰি থাকিবলগীয়া লে অনুভৱ কৰে নিঃসংগতা। তেওঁৰ কাষত কোনো নথকাৰ ই ভাৱটোৱে তেওঁক এনেকৈ পীড়া দিয়ে যে তেওঁৰ মন দুখ াধে ভৰাই পেলায়। পিছে অকনমান ভাবি চালে প্ৰতিয়মান া যে এই নিঃসংগতা দুৰীকৰণৰ এটা প্ৰশস্ত পথ হ'ল অধিক নুহৰ সৈতে বন্ধুত্ব গঢ়ি তোলা আৰু নিজ পৰিয়ালৰ মাজত ম ভালপোৱা বৰ্তাই ৰখা। বয়স নিৰ্বিশেষে এই বন্ধুত্ব গঢ়ি লি নিজকে লৈ যাব পাৰি এক সুন্দৰ জীৱনৰ দিশে।

বৰ্তমান যান্ত্ৰিক সমাজৰ বেছিভাগ মানুহেই কম বেছি ৰিমাণে নিঃসংগতাৰ সমস্যাত ভুগিবলৈ ধৰিছে। আমি নুহবোৰে অৰ্থ আৰু সন্মানৰ পিছত দৌৰি লৰি-ঢাপৰি যেন ন্ত্ৰিকতাক আদৰি লৈছো। আমাৰ মানুহবোৰৰ মনত ত্মকেন্দ্ৰীক মানসিকতা বৃদ্ধি হৈছে। আনৰ কথা ভাবিবলৈ াহৰি গৈছে। ফলত অজানিতেই আমাক আগচি ধৰিছে ঃসগতাই। বৰ্তমানৰ এই যান্ত্ৰিক সমাজখনত কোনে কেতিয়া ঃসংগতাৰ চিকাৰ হ'ব তাৰ কোনো নিশ্চয়তা নোহোৱা হৈছে। নুহে কেতিয়া কি কাৰণত নিঃসংগ অনুভৱ কৰে তাৰ ধ্যান ৰণা নোহোৱা হৈ পৰিছে। এজাক মানুহৰ ভিতৰত মাজত কিও কোনোবাই নিজকে নিঃসংগ অনুভৱ কৰিব পাৰে।

কাৰোবাৰ পৰা বিতাড়িত হৈ নতুবা অকলশৰে থাকিও কানোবাই নিজকে নিঃসংগ অনুভৱ কৰিব পাৰে।

এইখিনিতে এটা প্ৰশ্ন হ'ল নিসংগতাই মানুহক ক্ষতি কৰে নেকি? অলপমান ভাবি চালে ক'ব পাৰি যে নিঃসন্দেহে নি- ংগতাই মানুহক ক্ষতি কৰে। বিচ্ছেদ আৰু এককীত্বৰ বেদনাই মানুহৰ জীৱনলৈ অন্ধকাৰো কঢ়িয়াই আনিব পাৰে। নিঃসংগতাই মানুহৰ জীৱনলৈ কঢ়িয়াই আনে হতাশা, আকৌ হতাশাই শূন্যতা আৰু এই শূন্যতাই মানুহৰ জীৱনলৈ কঢ়িয়াই আনে মানসিক দুৰ্বলতা, বিভিন্ন মানসিক ৰোগ। এই নি-সংগতাৰ ফলত মানুহৰ জীৱনত বাহ লয় এপটিনেষ্ট ছিনড্ৰমৰ দৰে মনোদৈহিক সমস্যা। সাধাৰণতে আমাৰ সমাজৰ এজনী গৃহিনী, চাকৰিৰ পৰা অৱসৰপ্ৰাপ্ত বয়স্কসকলে স'ততে এই নিঃসংগতাৰ চিকাৰ হোৱা দেখা যায়। এইসকলৰ ক্ষেত্ৰত এই এম্পটিনেষ্ট ছিনড্ৰমৰ সমস্যা গা কৰি উঠা দেখা যায়। এইসকলৰ মাজতেই দেখা যায় যে কোনো কোনোৱে বিভিন্ন ৰাগিয়াল বস্তুক (যেনে- মদ, ভাং, চিগাৰেট) নিঃসংগতাৰ বেদনা দুৰীকৰণৰ একমাত্ৰ উপায় হিচাপে সাৱটি লয়। কিন্তু এইবোৰ নিঃসংগতা দুৰ কৰাৰ বিপৰীতে মানুহৰ মানসিক ভাৰসাম্য বিনষ্টহে কৰে।

নিঃসংগতাই মানুহৰ জীৱনত বিভিন্ন সমস্যাৰ সৃষ্টি কৰে। নিঃসংগতাৰ চিকাৰ হোৱা লোকসকলৰ ক্ষেত্ৰত সাধাৰণতে দেখা যায় —

- সকলো ক্ষেত্ৰতে অধিক ছিৰিয়াচ হৈ পৰে।

আত্ম বিশ্বাসৰ অভাৱ।

মনত এটা লাজুক ভাৱ থকাৰ ফলত আনৰ লগত মুকলি মুৰীয়াকৈ কথা পাতিব নোৱাৰা।

সকলো ক্ষেত্ৰতে বৰ্তমানতকৈ ভাল বিচৰা (নিজ সংগী, পঢ়া-শুনা, খেলা-ধুলা ইত্যাদি)

নিঃসংগতাৰ জীৱনৰ প্ৰিয় সংগীৰূপে লৈ জীৱন পথত আগবঢ়া।

বৰ্তমান আধুনিক সমাজৰ বেছিভাগ মানুহেই এই সমস্যাৰ চিকাৰ হৈছে। হয়তো তাৰ মাজত আপুনি আৰু ময়ো। এইখিনিতে আন এটা প্ৰশ্নৰ উদ্ৰেক হয় যে নিঃসংগতাৰ সমস্যাৰ

পৰা পৰিত্ৰাণ পাবৰ বাবে কিবা উপদেশ আছেনে? নি-সংগতাৰ সমস্যাৰ পৰা পৰিত্ৰাণৰ বাবে প্ৰথমতে নিজকে বিশ্লেষণৰ প্ৰয়োজন। মনৰ দুৰ্বলতাখিনি দূৰ কৰিবলৈ মনক অধিক শক্তিশালী কৰা উচিত। মানুহে অনুভৱ কৰা নিঃসংগতাৰ সময়খিনিত নিজকে সৃষ্টিশীল কৰ্মত নিয়োজিত কৰি নিজৰ প্ৰতিভাৰ বিকাশ সাধনত গুৰুত্ব প্ৰদান কৰা উচিত।

ইয়াৰোপৰি মানুহৰ নিজস্ব হবিয়ে নিঃসংগতা দূৰীকৰণত সহায় কৰে। **এখন ভাল লগা কিতাপ বা এখন ভাল লগা চিনেমা, নতুবা এটা ভাল লগা গান মানুহে নিঃসংগ অনুভৱ কৰা সময়খিনিৰ সংগী হ'ব পাৰে। ইয়ে এজন ভাল বন্ধুৰ দৰে নিঃসংগতা অনুভৱ কৰা সময়খিনিত সংগী হ'ব পাৰে, নিসংগ সময়খিনি উপভোগ কৰাব পাৰে। মানুহে মেডিটেচন কৰিব পাৰে যিয়ে মানুহৰ মন শক্তিশালী কৰে আৰু ব্যক্তিত্ব বিকাশতো সহায়ক হয়। নিঃসংগতা দূৰীকৰণৰ মহৌষধ হৈছে** বন্ধুত্ব। নিঃসংগ সময়খিনিত বন্ধুৰ সান্নিধ্যই মানুহক দিব পাৰে এক অনাবিল প্ৰশান্তি। নিঃসংগতাৰ চিকাৰ হোৱা মানুহ এজনে বন্ধু এজনৰ পৰা কি বিচাৰে বাৰু। তেওঁ বিচাৰে ভদ্ৰতা, হাষ্যৰস, উৎসাহ, দয়া, ঘনিষ্ঠতা, বহল মানসিকতা বুজিব পৰা ক্ষমতা, মুকলি মন, সহায়ৰ মনোভাৱ, মৰম ইত্যাদি মাত্ৰ। কিন্তু আঁতৰি থাকিব বিচাৰে এজন স্বাৰ্থপৰ বিশ্বাসঘাটক আৰু অহংকাৰী মনোভাৱৰ মানুহৰ পৰা। ভাবিলে মনে চিৎকাৰ কৰি উঠে যে আমি আমাৰ এজন নি-সংগতাত জৰ্জৰিত বন্ধুক এইখিনিও দিবলৈ অসমৰ্থ কিয়। আমি এবাৰ ভাবি নাচাও কিয় যে আমাৰ অকনমান সহাৰিয়ে এজন মানুহক লৈ যাব পাৰে এটা সুন্দৰ জীৱনৰ দিশে। বন্ধুত্বই কোনো ধৰ্ম, অৰ্থ, বয়স নামানে। বন্ধুত্ব স্থাপনৰ বাবে মাত্ৰ প্ৰয়োজন মনৰ মিল। কিন্তু মনে মিলা সংগী এগৰাকী কেনেকৈ কাষতে পাম। মানুহে নিজকে বাহ্যিক জগতলৈ প্ৰসাৰিত কৰি বাহ্যিক জগতলৈ প্ৰসাৰিত কৰি বাহ্যিক সৌন্দৰ্যৰ প্ৰতি আগ্ৰহ সৃষ্টিৰ প্ৰয়োজন। লগতে নিজৰ 'হবি' তথা ভালপোৱা বস্তুৰ প্ৰতি অধিক আকৰ্ষিত হৈ নিঃসংগ সময়খিনিত সংগী হিচাপে গ্ৰহণ কৰা প্ৰয়োজন। এইখিনিতে প্ৰসিদ্ধ মনোবিজ্ঞানী 'লি আৰ ষ্টেইনাৰ' এটি বহুমূলীয়া পৰামৰ্শ মনত পৰিছে।

তেওঁ কৈছে যে 'নিজৰ পচন্দৰ হবি চৰ্চা কৰক ইয়াক প্ৰসাৰ ঘটিবলৈ দিয়ক। দেখিব লাহে লাহে আপুনি বহু লোকৰ সান্নিধ্যলৈ আহিছে। বহুটো নতুন নতুন বন্ধু-বান্ধৱী লগ পাইছে, সংগীতবিহীনতাৰ এই ভাৱটো মনৰ পৰা নোহোৱা হৈছে।'

মানুহৰ জীৱন এনে বহুটো হবি আছে। যাৰ জৰিয়তে সহ
বহু মানুহৰ সংস্পৰ্শলৈ আহিব পাৰে। সেই সমূহ হ'ল
নাট্যদলত অংশগ্ৰহণ কৰা, সামাজিক কাম-কাজত অংশগ্ৰ
কৰা। সংগীত-চৰ্চা কৰা, নৃত্য চৰ্চা কৰা খেল ধেমালি
অংশগ্ৰহণ কৰা, ইন্টাৰনেট সেৱাত অংশ লোৱা, সাহিত্য
কৰা ইত্যাদি। এইখিনিতে মই মোৰ ব্যক্তিগত জীৱনৰ
আভাস দাঙি ধৰিছিলো বাস্তৱ জীৱনত ময়ো চিকাৰ হৈ
এই নিঃসংগতাৰ কিন্তু এটা কথা ঠিক, অৰ্থ, সন্মান বা প্ৰেম
পিছত লৰি ঢাপৰি মই নিঃসগতাৰ চিকাৰ হোৱা নাছিলো।
মাত্ৰ কিছুমান ব্যক্তিগত দুখ-কষ্ট বেদনাৰ ফলত অজানিতে চি
হৈছিলো।

এই নিঃসংগতাৰ। বহুতো বন্ধু-বান্ধৱী আৰু এটা
পৰিয়ালৰ মাজত থাকিও নিজকে নিঃসগ অনুভৱ কৰিছি
অজানিতে নিঃসংগতাৰ সকলো লক্ষণে দেকা দিছিল
জীৱনত। সকলো সময়তে হতাশাই আৱৰি ৰাখিছিল।
মাথো প্ৰশ্ন কি কৰিলো জীৱনত? কি কৰিম? মনৰ অস্থিৰ
মোক ব্যক্তিগত কৰি তুলিছিল। সকলো ক্ষেত্ৰতে
চিৰিয়াছনেচে দেখা দিছিল আৰু বহুতো তাৰ সুবিধাও
কৰিছিল। কিন্তু হাঠৎ এদিন অসমীয়া প্ৰতিদিন কাকতৰ বুধৱ
দৰ্পনত সুলেখক দেৱযানী দত্তৰ এটি প্ৰৱন্ধ 'সুন্দৰ জীৱনৰ দি
পঢ়িলো। এইটো যেন মোৰ বাস্তৱ জীৱনৰ এক প্ৰতীকী চিত্ৰ
লি আৰু ষ্টেইনাৰৰ পৰামৰ্শটিৰ লগতে এই প্ৰৱন্ধটিয়ে
জীৱনৰ দিশ সলনি কৰি দিলে। মই মোৰ নিঃসংগ সময়খি
কলমটো আৰু কিতাপখনকে সংগী কৰি ল'লে। আজৰি সম
খেল-ধেমালী কৰি মুকলি মূৰীয়াকৈ হাঁহি, ধেমালি কৰি
পোৱা হ'লো। বিভিন্ন সামাজিককাম-কাজত মনোনি
কৰিলো আৰু লাহে লাহে দেখিলো বহুতো বন্ধু-বান্ধৱী
ওচৰ চাপি আহিছে। কিন্তু এটা আঁচৰিত কথা যে এই
বান্ধৱীসকলৰ মাজত বয়সৰ ভিন্নতা আছে। মোৰ এটা ব্যক্তি
মতামত যে নিঃসংগতা মানুহৰ জীৱনত যে অকল সমস
সৃষ্টি কৰি জীৱন যাত্ৰাত ব্যাঘাত জন্মায় এইটো নহয়
নিজকে এটা সুন্দৰ জীৱনলৈ লৈ যোৱাত উৎসাহিত কৰে

এইখিনিতে এটা কথা উল্লেখ নকৰিলে ভুল হ'ব
পাঠকৰ মনত এইটো প্ৰশ্ন নিশ্চয়কৈ হ'ব যে প্ৰেম
নিঃসংগতাৰ মাজত কিবা সম্পৰ্ক আছেনে? মই কওঁ নিশ্চ
আছে প্ৰেম হৈছে জীৱনৰ এক শ্বাশ্বত অনুভূতি আৰু
প্ৰেমত থাকে দুখন হৃদয়ৰ সমষ্ট দুখ-সুখ আবেগ-অনু

আৰু প্ৰেৰণা। প্ৰেমে সলনি কৰি দিব পাৰে জীৱনৰ গতিপথ। সমাজৰ বহুতো প্ৰেমিকে প্ৰেমাস্পাদৰ ওচৰত প্ৰেমৰ প্ৰকাশ কৰিব নোৱাৰি ওচৰত প্ৰেমৰ প্ৰকাশ কৰিব নোৱাৰি ওৰে জীৱন নিঃসংগতাত ভোগে নতুবা ব্যৰ্থ প্ৰেমেও মানুহক নিঃসংগতাৰ চিকাৰ কৰাব পাৰে। সময় থাকোতেই মনত থকা প্ৰেম অনুভূতিক নিজৰ প্ৰেমাস্পদৰ ওচৰত প্ৰকাশ কৰা উচিত। প্ৰেমৰ ভাৱ প্ৰকাশ কৰিলেই সৰু হৈ যাব বুলি ভাৱিব নালাগে। সেয়ে কওঁ, নিঃসংগতাৰ আৱৰণ ফালি জীৱনৰ এই প্ৰেমৰ প্ৰশান্ত ফগ্লুধৰা বৈ যাবলৈ দিয়ক হৃদয়ৰ পৰা হৃদয়লৈ।

নিঃসংগতাৰ চিকাৰ হোৱা লোকসকলে আজিৰ পৰাই নিঃসংগতাক আঁতৰাই নিজকে প্ৰস্তুত কৰক।

কোনে জানো লি আৰু ষ্টইনাৰৰ পৰামৰ্শই মোৰ দৰে আপোনাৰ জীৱনলৈয়ো কঢ়িয়াই আনিব পাৰে এক পৰিৱৰ্তনৰ ঢল আৰু আশাৰ বতৰা।

'So try to drine away yours loneliness and make you like more beutiful'.

# লুইত আৰু ড° ভূপেন হাজৰিকা

অংগিতা ডেকা
স্নাতক প্ৰথম বৰ্ষ

ভূপেন হাজৰিকা নামটোতেই যেন প্ৰশান্তি আৰু লয় বিৰাজমান। বহ্নিমান ব্ৰহ্মপুত্ৰৰ দৰেই প্ৰতিগৰাকী প্ৰকৃত অসমীয়াৰ দৰে ড° ভূপেন হাজৰিকাও এগৰাকী লুইতপ্ৰেমী, ক'ত, গান, ক'ত সুৰ লুইতক লৈয়ে ৰচি গ'ল তেওঁ। যেন আত্মিক আৰু আংগিক দুয়োট সম্পৰ্কই ৰচিত হৈছিল তেওঁৰ লুইতৰ স'তে। নই বইৰা কিয়-শৈশৱতে সোণাৰাম হাইস্কুলত পঢ়ি থকা দিনৰে পৰা লুইতৰ প্ৰেমত মগন তেওঁ। কেতিয়াবা স্কুলৰ পৰা আহি বাহিৰে বাহিৰে ভৰা লুইতত সাতোঁৰা আৰু লুইতৰ পাৰত সূৰ্যাস্তৰ মনোৰম দৃশ্য উপভোগ কৰা কথাও মই এটি যাযাবৰ শীৰ্ষক গ্ৰন্থত উল্লেখ কৰা দেখা যায়।

ড° হাজৰিকাই এনেদৰে লুইতৰ প্ৰেমত মচগুল হৈ থকাৰ সময়তে তেওঁ বিদেশলৈ পঢ়িবলৈ যোৱাৰ সুযোগ পায়। লুইতৰ পৰা আঁতৰি গৈ যেন তেওঁৰ লুইতখনলৈ মোহ ক্ৰমে বৃদ্ধিহে পায়। টেমচ ভল্গা আদি বহুতো নদীৰ পাৰলৈ তেওঁ চেনেহৰ লুইতখনিৰ শোভা বিচাৰি ঢপলিয়াই যায়। পিছে নিৰুৎসাহিত হয় তেওঁ। তেওঁৰ ভাষাত লুইতখনিও অনন্য। সুন্দৰ মহামিলনৰ তীৰ্থ এই সময়তে তেওঁ চেনেহী লুইতলৈ উৎসৰ্গা কৰি লিখি উলিয়াই তেওঁৰ কালজয়ী গীত—

মহাবাহু ব্ৰহ্মপুত্ৰ
মহামিলনৰ তীৰ্থ
শত যুগ ধৰি আহিছে প্ৰকাশি
সমন্বয়ৰ অৰ্থ

এই গীতটিতে তেওঁ প্ৰকাশ কৰিছিল যে, তেওঁৰ বাবে মহাবাহু ব্ৰহ্মপুত্ৰ কেৱল মাত্ৰ সৌন্দৰ্যৰ প্ৰতীক স্বৰূপ নহয়, ই হ'ল নানা ভাষা, নানা আশা, নানা বৰ্ণ-জাতি, নিৰ্বিশেষে বৰ অসম গঢ়াৰ সেতুস্বৰূপ লুইতৰ বালিত বতাহত হালি থকা কঁহুৱাৰ সৌন্দৰ্য বৰ্ণাই তেওঁ লিখিলে—

'কহুৱা বন মোৰ অশান্ত মন
আলফুল হাতেৰে লোৱা সাৰটি

নিজকে 'যাযাবৰ' বুলি কৈ ভাল পোৱা উৰণী মৌগৰাকীয়ে সময় পালে পুনৰাই আহি লুইতৰ পাৰ জিৰোৱাৰ ইচ্ছা কৰিছিল। আনেকি তেওঁৰ মৃত্যুৰ আগমুহূৰ্ত লুইতৰ পাৰতে সমাধিস্থ হোৱাৰ আশা কৰিছিল। তে লিখিছিল।

মই এটি যাযাবৰ
ধৰাৰ দিহিঙে দিপাঙে লৱৰো
নিবিচাৰি নিজা ঘৰ
আৰু লিখিছিল—
'মই যদি উৰণীয়া মৌৱেও হয়
মোৰো জানো জিৰাবৰ নাই অধিকাৰ।'

নিজকে লুইতপ্ৰেমী বুলি কৈয়ো লুইতপৰীয়া অসমী হৈ নথকা বুলি কোৱাসকলৰ প্ৰতি যেন ক্ষোভ উজাৰিছিল তে এই গীতসমূহৰ মাধ্যমেৰে।

অকল গীতেই নহয়, কবিতা, চলচ্চিত্ৰ আদিতো হাজৰিকাৰ এই প্ৰেমৰ উমান পোৱা যায়। লুইতকে কেন্দ্ৰ ক আছিল তেওঁৰ সমগ্ৰ সৃষ্টি ৰাজি, যেন লুইতখনেই তেওঁৰ শা তেওঁৰ ভৰষা। ব্ৰহ্মপুত্ৰৰ প্ৰেমেই জীপাল কৰি তুলিছিল তে প্ৰাণশক্তি।

ড° ভূপেন হাজৰিকাই ব্ৰহ্মপুতক লুইত নামটিয়ে ভাল পাইছিল। লুইত শব্দটোৱে হেনো ইয়াৰ সমস্ত প্ৰশ লয় আবেগ পৰিস্ফুট হৈ উঠে। সেয়েহে তেওঁ লুইত শব্দ তেওঁৰ ৰচনাত বেছিকৈ ব্যৱহাৰ কৰিছিল।

# শংকৰদেৱ আৰু বিদ্যাপতিৰ বিৰহগীতৰ এক তুলনামূলক অধ্যয়ন

বিৰাজ ডেকা
স্নাতক তৃতীয় বৰ্ষ

প্ৰেমৰ পৰিতৃপ্তি যদিও মিলন, বিৰহ অবিহনে ইয়াৰ অন্বেষণ সম্পূৰ্ণ হ'ব নোৱাৰে। প্ৰেমৰ মধুৰতাৰ আস্বাদনৰ বাবে বিৰহৰ প্ৰয়োজন। বিৰহৰ দুখে প্ৰেমৰ তীব্ৰতা সৃষ্টি কৰে। ভুল-ভ্ৰান্তিৰে ভৰা পাৰ্থিৱ প্ৰেমক স্বৰ্গীয় প্ৰেমলৈ ৰূপান্তৰিত কৰে, বিৰহৰ জুয়ে কামনা-বাসনাৰে পৰিপূৰ্ণ প্ৰেমক কেনেকৈ নিকষিত হোমৰ দৰে উজ্বল কৰি তোলো তাক ভাৰতীয় জনমানসৰ কবি কালিদাসে তেওঁৰ অমৰ কাব্য সমূহৰ মাজেৰে সুন্দৰকৈ দেখুৱাইছে। কালিদাস মুখ্যত প্ৰেমৰ কবি, বিৰহৰ মহিমাময় ৰূপ যোগেদি তেওঁ সেই প্ৰেমৰ আদৰ্শক মোহনীয় কৰি তুলিছে। প্ৰেমৰ আকুলতা বিৰহৰ তীব্ৰ দহনত দহি দহি শান্ত শৌৰ্য ৰূপলৈ উত্থাপন কৰিছে।

আধ্যাত্মিক ক্ষেত্ৰতো ভগৱান আৰু ভক্তৰ মাজত বিচ্ছেদৰ প্ৰয়োজন আছে। এই বিচ্ছেদৰ কালছোৱাত পৰ জনম পোৱাৰ তীব্ৰ অভিলাষৰ জন্ম হয় আৰু দুখৰ দহনত সকলো মান অভিমান দূৰ হয়। তেতিয়াই পৰমজনৰ ওচৰত ভক্তই নিজক ......... ৰূপ আত্মনিবেদন কৰিবলৈ সাজু হয়। বিচ্ছেদৰ জ্বালাৰ প্ৰয়োজন ......... বাবে গৌড়ীয়ে বৈষ্ণৱসকলে ভগৱানৰ প্ৰেমত স'ততে বিচ্ছেদৰ ভয় বৰ্তমান বিৰহৰ আৰ্তি যিমানেই গভীৰ হয় সিমানেই ভক্ত ভগৱানৰ ওচৰ চাপি যাব পাৰে। বিৰহৰ দুখৰ কালত পাৰ্থিৱ প্ৰেৰম অৱসান ঘটি পৰিশুদ্ধ প্ৰেম হৃদয়ত জন্ম লয়। এই পৰিশুদ্ধি প্ৰেম লাভ কৰাৰ বাবে বৈষ্ণৱ কবিসকলে বিৰহৰ গুণ-গাণ গাইছে। তেওঁলোকৰ পূৰ্ণৰাগতো বিৰহ, মিলনতো বিৰহ। এই বিৰহৰ চৌৰে গোপী তথা ৰাধাৰ অন্তৰৰ সকলো মলিনতা ক্ষালন কৰি ইয়াক উজ্বল কৰিছিল। ইয়াৰ মাজতে আত্ম নিবেদনৰ গভীৰ আৰ্তি প্ৰকাশি উঠিছে। গতিকে ক'ব পাৰি যে বিৰহে ভক্ত আৰু ভগৱানৰ মাজত এক সুদৃঢ় সম্পৰ্ক গঢ়ি তুলিলে।

অকৌ বৈষ্ণৱ সাহিত্যত 'চিন্তা', 'ব্যাধি', 'উন্নিদ্ৰতা', 'উদ্বোগ', 'তনুতা', 'মালিনহতা', 'প্ৰলাপ', 'উন্মাদ-মোহ' আৰু মৃত্যু এইকেইটাক বিৰহৰ স্বৰূপ বুলি উল্লেখ কৰিছে।

বিৰহৰ এই মহিমাময় ৰূপ দেখুওৱাৰ বাবে বৈষ্ণৱ কাব্যত মান-অভিমান, পূৰ্বৰাগ, সম্ভোগ আদিৰ বৰ্ণনা কৰা হৈছে যদিও প্ৰেম বা ভক্তিৰ আচল তাৎপৰ্য উদ্‌ঘাটন কৰাই সেইবোৰৰ উদ্দেশ্যে।

সমগ্ৰ ভাৰতবৰ্ষত প্লাৱিত হোৱা বৈষ্ণৱ আন্দোলনৰ লগত ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰি আমাৰ অসমৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বৈষ্ণৱ ধৰ্মক নৱবৈষ্ণৱ ধৰ্ম নাম দি অসমত প্ৰচাৰ কৰে আৰু ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে আগত ৰাখি তেওঁ বিভিন্ন গীত-মাত, কাব্য-নাট আদি ৰচনা কৰে। তেওঁ ৰচনা কৰা গীতসমূহক পৰৱৰ্তী পৰ্যায়ত 'বৰগীত' হিচাপে নামকৰণ কৰা হয়। মহাপুৰুষজনাৰ এই বৰগীতসমূহ প্ৰায়ভাগেই কৃষ্ণ আৰু গোপনীৰ বিৰহ বিষয়ক সেয়ে ক'ব পাৰি যে অসমীয়া বৈষ্ণৱ সাহিত্যতো বিৰহ গীতে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। কিন্তু বাকী প্ৰদেশৰ বৈষ্ণৱ কবিসকলৰ বিৰহ গীত সমূহৰ দৰে মহাপুৰুষ জনাৰ গীতত ৰাধাৰ কোনো স্থান নাই। তেখেতৰ গীতত শ্ৰীকৃষ্ণৰ লগত গোপীসকলৰহে মিলন বিৰহৰ চিত্ৰ অংকিত হৈছে।

অকৌ ব্ৰজবলি কাব্য, সাহিত্যৰ অন্যতম পণ্ডিত মৈথিল কোকিল' বিদ্যাপতিয়ে তেখেতৰ গীতসমূহত ৰাধা-কৃষ্ণক অপূৰ্ব প্ৰেম লীলাক অতি মোহনীয় শব্দৰূপ ৰসৰ জালত নিবদ্ধ কৰি চিৰদিনৰ বাবে অমৰ কৰি থৈ গ'ল। দেখা যায় যে বিদ্যাতিৰ প্ৰায়খিনি গীতেই বিৰহ বিষয়ক য'ত ৰাধা আৰু কৃষ্ণৰ বিৰহ সুন্দৰভাৱে প্ৰকাশিত হৈছে। তেখেতৰ সাহিত্যত পৰকীয় প্ৰীতিৰে গীতেৰে ভৰপূৰ। সেয়া হ'লেও বিদ্যাপতিৰ ৰাধা-

কৃষ্ণ বিষয়ক পদাৱলীবোৰ প্ৰেম মিলনৰ অপূৰ্ব বৰ্ণনাৰে ৰসাল হৈ পৰিছে। যদিও বিৰহ পদাৱলীয়ে তেওঁৰ কাব্য দৃষ্টিক দান কৰিছে পূৰ্ণতা।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ লগত বিদ্যাপতিৰ বিৰহ গীতৰ এটি তুলনামূলক বিচাৰ কৰিলে দুয়োৰে মাজত থকা বিৰহ স্বৰূপবোৰ ওলাই পৰে তলত সেই সম্বন্ধে এটি আলোচনা দাঙি ধৰা হ'ল—

১/ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ একশৰণীয় মতৰ পৰা ৰাধাক বাদ দিয়াত ৰাধাৰ বিৰহ-বেদনাই তেখেতৰ বৰগীতত কোনো স্থান অধিকাৰ কৰিব পৰা নাই গোপীসকলহে তেখেতৰ গীতৰ মূল।

কিন্তু বিদ্যাপতিয়ে ৰাধা-কৃষ্ণৰ প্ৰেমাখ্যানক তেখেতৰ গীত আধাৰ ৰূপে গ্ৰহণ কৰিছে।

২/ শংকৰদেৱৰ গীতত গোপীসকলে মদনৰ পীড়া শাঁত কৰিবলৈ কৃষ্ণক বিচৰা নাই, তেওঁলোকৰ বিৰহ-বেদনাৰ কাৰণ হৈছে কৃষ্ণ দৰ্শনৰ পৰা বঞ্চিত হোৱা।

'হৰি বিৰহানল আকুল গোপিনী, দৰশনে দিৱস নাপাই।

কিন্তু বিদ্যাপতিৰ ৰাধাই ৰূপ যৌৱনৰ মাধুৰিমাৰ দ্বাৰা আস্বাৰ বাবে লালয়িত। কৃষ্ণ বিৰহত তেওঁৰ অপূৰ্ণ বাসনাৰ দুঃখ-ব্যাসত হৈ উঠিছে—

'মোৰ প্ৰিয়তম সখি গেল দূৰ দেস।
জৌৱন দত্ৰগেল সাল সনেস।

৩/ শংকৰদেৱৰ গীতত গোপীয়ে কাম গন্ধৰ পৰা উৰ্ধত কৃষ্ণক প্ৰতিষ্ঠা কৰি ব্ৰজৰ জীৱনস্বৰূপ উপলব্ধি কৰে। কৃষ্ণৰ প্ৰতি তেওঁলোকৰ নিশ্চল স্নেহ এইদৰে প্ৰকাশ কৰে।

ব্ৰজজন জীৱন বহুৰি নাই আৱত, হামাকু কৰক অনাথা।'

আনহাতে বিদ্যাপতিৰ ৰাধাই কৃষ্ণৰ ৰসিক ৰূপৰ কল্পনা কৰে। ৰাধাইভাৱে যে তেওঁৰ গাত কিছুদিনলৈ থকা ৰূপ আৰু যৌৱনৰ বাবে কৃষ্ণই আদৰ কৰিছিল কিন্তু দেহ যেতিয়া ৰস বিহীন ফুলৰ দৰে কান্তিহীন হৈ পৰিল তেতিয়া শুকান সৰোবৰক কোনো নোসোধাৰ দৰে কৃষ্ণয়ো বিতুষ্ট হৈ ৰাধাক এৰি গ'ল।

৪/ বিৰহত কাতৰ হৈ শংকৰদেৱৰ কৃষ্ণই গোপীসকলৰ স্নেহ সোৱৰণ কৰি প্ৰাণবন্ধু উদ্ধৱক প্ৰেৰণ কৰে। কৃষ্ণ বন্ধু উদ্ধৱক পাই গোপীসকলে কৃষ্ণ কেতিয়ালৈকে বৃন্দাবন উভতি আহিব সেই কথা সোধে আৰু কৃষ্ণসংগত কাতৰ হৈ প্ৰাণবন্ধু উদ্ধৱক কৃষ্ণ নোহোৱা হোৱাত তেওঁলোকৰ বিৰহ ব্যাখ্যা কিদৰে দুগুণ হয় তাৰ বিষয়ে বিৱৰি কয়—

'কহ উদ্ধৱ কহ প্ৰাণৰে বান্ধৱ
প্ৰাণ কৃষ্ণ কৰে পাৱে। গুচয় গোপী প্ৰেম আকুল ভা
পুচয়
এ নাহি চেতন গাৱে।

আনহাতে বিদ্যাপতিৰ গীতত ৰাধাৰ দূতী বা কটকীয়ে কৃষ্ণক তেওঁৰ বিহৰ দশাৰ বৰ্ণনা দিয়ে।

৫/ শংকৰদেৱৰ গীতত গোপীসকলে নিজৰ বিৰহ-বেদন উপৰি সমগ্ৰ বৃন্দাৱনৰ বেদনাৰ কথা উদ্ধৱক জনাইছে। কৃষ্ণ অবিহনে বৃন্দাবন শূন্য হৈ পৰিছে। যি বৃন্দাবনত গোপীসক কৃষ্ণৰ লগত নানা ৰং ধেমালি কৰিছিল, কৃষ্ণৰ অভাৱত সি শত্ৰু হৈ পৰিছে।

আনহাতে, বিদ্যাপতিৰ বিৰহ বৰ্ণনাত কৃষ্ণই দূতীৰ মুখ কেৱল ৰাধাৰ বিৰহ-পীড়াৰ মৰ্মন্তদ বৰ্ণনা শুনিছে। অৰ্থ বিদ্যাপতিয়ে কেৱল ৰাধাৰ বিৰহকে অধিক গুৰুত্ব দিছে।

৬/ শংকৰদেৱে পুত্ৰ কৃষ্ণৰ সান্তাব্য প্ৰবাস বিয়োগত মা যশোদাৰ বেদনাৰ বৰ্ণনা কৰিছে। ইয়াত যশোদাৰ বাৎসল্য ৰী অধিক পৰিস্ফুত হৈছে।

'হৰিক বয়ন হেৰি মাই।
ফোকাৰে নিশ্বাস নীৰ নয়ন ঝুৰাই।।

বিদ্যাপতিয়ে কিন্তু মাতৃ হৃদয়ৰ এনে বেদনাৰ চিত্ৰ অংক কৰা নাই।

৭/ মহাপুৰুষ শংকৰদেৱৰ গীতত প্ৰকৃতিৰ উদ্দীপকে সৃ কৰা কামোদ্ৰেক ভাৱৰ প্ৰভাৱ কম।

কিন্তু বিদ্যাপতিৰ গীতত প্ৰকৃতিৰ এক সুন্দৰ চিত্ৰ অংকি হোৱা দেখা যায়। তেওঁ গীতত বৰ্ষাৰ উপৰি বসন্ত কাল সুন্দৰ চিত্ৰ অংকন কৰিছে।

৮/ মহাপুৰুষ শংকৰদেৱৰ গীতত শ্ৰীকৃষ্ণৰ বিশাল ব্যক্তি ফুটি উঠা দেখা যায়। তেওঁ সকলোৰে প্ৰাণস্বৰূপ নিত্য মায়া পৰমানন্দৰ উৎস, ভকত বৎসল আৰু জীৱৰ মুক্তিদাতা।


আনহাতে, বিদ্যাপতিয়ে কৃষ্ণক ৰসিক ৰূপ অংকন কৰিছে বিদ্যাপতিয়ে কৃষ্ণৰ চৰিত্ৰত ঐশ্বিৰকত্ব আৰোপ কৰিছে যদি জাগতিক জীৱনৰ এজন সাধাৰণ নায়কৰ ৰূপতহে কল্প কৰিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে বিদ্যাপতি আ শংকৰদেৱৰ বিৰহ গীতসমূহে পাঠকৰ হৃদয়ত অনুভূতিৰ সঞ্চ কৰিবলৈ সক্ষম হৈছে। ভাষাৰ প্ৰভেদ থাকিলেও ভাৰতীয় বৈষ্ণ সাহিত্যত এই দুয়োজনা কবিয়ে এক বিশেষ স্থান অধিক কৰিবলৈ সক্ষম হৈছে বুলি ক'ব পাৰি।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ নাম ধৰ্ম

জোন কাকতি
স্নাতক পঞ্চম বৰ্ষ

মানৱ জাতিৰ কল্যাণৰ কাৰণে যুগে মহাপুৰুষসকলৰ আৱিৰ্ভাব । মহাপুৰুষসকলক ঈশ্বৰে প্ৰেৰণ ষ সমাজৰ কিছুমান গ্লানি দূৰ িবলৈ আৰু লগে লগে কিছুমান ন্তন সত্য প্ৰকাশ কৰিবলৈ। ময়ত আমাৰ অসমতো যেতিয়া চাৰ আৰু মানুহৰ দুখ-দুৰ্গতি ন্ত হৈছিল, তেতিয়া মহাপুৰুষ ংকৰদেৱে জন্মগ্ৰহণ কৰিছিল।



ন্ত শংকৰদেৱ অসমৰ সৰ্বপ্ৰথম ধৰ্ম প্ৰচাৰক আছিল। তেওঁ ক্ত আন্দোলনৰ গুৰি ধৰিছিল আৰু অসমত বৈষ্ণৱ ধৰ্মৰ জ ৰোপণ কৰিচিল। তেওঁ শ্ৰীমদ্ভাগৱত, পুৰাণ আদি ভক্তি শাস্ত্ৰবিলাকৰ সাৰ উদ্ধাৰ কৰি আনি ভক্তি ধৰ্ম প্ৰচাৰ ছিল। শংকৰদেৱে বহু দেৱ দেৱীৰ পূজা বা বিধান আঁতৰাই ল মাত্ৰ এজন ঈশ্বৰৰ উপাসনা কৰাৰ পোষকতা কৰিছিল। খেতে প্ৰচাৰ কৰা ধৰ্মক 'একশৰণ নাম ধৰ্ম বুলি কোৱা । শংকৰদেৱে প্ৰথমে নাম ধৰ্ম প্ৰচাৰ কৰিছিল বৰদোৱা প্ৰতিষ্ঠা কৰি। তেওঁৰ বৰদোৱা সত্ৰ মহাপুৰুষীয়া সমাজৰ ীয় বৈকুণ্ঠ। ভক্তি ধৰ্ম প্ৰচাৰৰ অৰ্থে তেখেতে স্থাপন কৰা ' আৰু 'নামঘৰ' সমূহে অসমৰ সমাজ গঠনত এক সুদূৰ ী ভূমিকা পালন কৰি আহিছে। শংকৰদেৱৰ ধৰ্ম প্ৰচাৰত যভাৱে অৰিহণা যোগাইছিল তেওঁৰ প্ৰিয় মহাপুৰুষ দেৱে। মহাপুৰুষ শংকৰদেৱে মানুহক বুজাইছিল যে ক পাবলৈ বা সন্তুষ্ট কৰিবলৈ পূজা, যজ্ঞ, বলি আদিৰ নো প্ৰয়োজন নাই। তীৰ্থ স্থানলৈও যাব নালাগে। মানুহে ন্ত মনেৰে নাম-গুণ, শ্ৰৱণ-কীৰ্তন কৰি তেওঁক ভক্তি কৰিলেই তেওঁ সন্তুষ্ট হয়। ঈশ্বৰ এজনেই, সেইজনেই হ'ল কৃষ্ণ। যিমান দেৱ-দেৱী আছে, সকলো সেইজন ঈশ্বৰৰ। এজোপা গছৰ ডাল, পাত অনেক থাকিলেও, সেই ডাল পাতবোৰ যেনেকৈ গছজোপাৰ একো একোটা অংশহে তেনেকৈ দেৱ-দেৱী সকলো ঈশ্বৰ কৃষ্ণৰ অংশহে। গছৰ গুৰিত পানী দিলে যেনেৰৈ গছজোপাৰ ডাল, পাত, ফল-মূল আটায়ে পাই, তেনেকৈ ঈশ্বৰ কৃষ্ণক ভক্তি কৰিলেই সকলো দেৱ-দেৱীক ভক্তি কৰা হয়। কৃষ্ণ সন্তুষ্ট হ'লেই দেৱ-দেৱী সকলো সন্তুষ্ট হয়। শংকৰদেৱে প্ৰচাৰ কৰা ধৰ্মক নৱ বৈষ্ণৱ ধৰ্ম বোলা হয়। ভগৱান কৃষ্ণকে বিষ্ণু বুলি কোৱা হয়। বিষ্ণুক উপাসনা কৰা মতটো ভাগৱত পুৰাণৰ মত, সেইবাবে তেওঁৰ ধৰ্মৰ আন এটা নাম ভাগৱতী ধৰ্ম। মহাপুৰুষ শংকৰদেৱে প্ৰচাৰ কৰা ধৰ্মটোক মহাপুৰুষীয়া ধৰ্মও বোলা হয়।

শ্ৰীমন্ত শংকৰদেৱে প্ৰচাৰ কৰা ভক্তি ধৰ্ম সাৰ্বজনীন। এই ধৰ্মত সকলোৰে অধিকাৰ সমান। অহিংসাৰ ওপৰত এই ধৰ্ম প্ৰতিষ্ঠিত

সমস্ত ভূততে ব্যাপি আছো মই হৰি।
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।।

ঈশ্বৰৰ ভক্তসকলৰ মাজত জাতি অজাতি বা উচ্চ-নীচৰ বিচাৰ কৰিব নাপায়। মানুহৰ মাজত সৰু-বৰ নাই। সেইবাবে তেওঁ অসমৰ নানা জাতি মানুহক তেওঁৰ ধৰ্মৰ ভিতৰত সুমুৱাই

লৈছিল। নগা, গাৰো, খাচী, মিৰি, কছাৰী, বড়ো আদি অসমত তেতিয়া যিমান জাতিৰ মানুহ আছিল সেই সকলোবোৰ জাতিৰ মানুহে শংকৰদেৱৰ ধৰ্মত ঠাই পাইছিল। আনকি চান্দসাই নামৰ মুছলমান এজন শংকৰদেৱৰ বৰ প্ৰিয় শিষ্য আছিল। তেওঁৰ আন আন প্ৰিয় শিষ্যসকলৰ ভিতৰত নগাসকলৰ নৰোত্তম, গাৰো সকলৰ গোবিন্দ আৰু ভোটসকলৰ দামোদৰ নামৰ এজন লোক আছিল। শংকৰদেৱৰ মতে সকলো প্ৰাণীকে ভগৱানে সৃষ্টি কৰিছে আৰু ভগৱান সকলো প্ৰাণীৰ ভিতৰতে থাকে। অকল মানুহৰ হৃদয়ত যে ভগৱান আছে তেনে নহয়। কুকুৰ, শিয়াল, গৰু, ঘোঁৰা, চৰাই-চিৰিকটিৰ লগতো ভগৱান আছে। সেইবাবে যিজন মানুহে সকলো প্ৰাণীকে নিজৰ নিচিনা বুলি ভালে

তেওঁহে আচল ভক্ত। তেওঁৰ মতে আনৰ দৰ্মক বেয়া বু নাপায়। একশৰণ নাম ধৰ্মৰ জৰিয়তে মহাপুৰুষ জনাই গে অসমীয়া জাতিটোক একতাৰ ডোলেৰে বান্ধি থৈ গ'ল

অসমত প্ৰত্যেক নামঘৰত, গোঁসাইঘৰত, মহাপুৰুষজনা প্ৰাণৰূপে বৰ্তমান। তেওঁ কীৰ্তন পুথিৰ তেওঁ কীৰ্তন পুথিৰ প্ৰাণস্বৰূপে প্ৰত্যেক অসমীয়াৰ ঘ জীয়াই আছে, সেয়ে আমি সকলোৱে তেওঁক যুগে জীয়াই ৰাখিব লাগিব, তেওঁৰেই গুণানুকীৰ্তন কৰিব লা

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু
তাহান্ত বিনাই নাহি নাহি নাহি
আমাৰ পৰম গুৰু।

# আমাৰ সম্পদ আৰু আমি

প্ৰিয়া দাস
স্নাতক প্ৰথম বৰ্ষ

সাহিত্য সমাজৰ দাপোন, জাতিৰ নক্ষত্ৰ স্বৰূপ। সাহিত্যৰেই ...শ পাই ভাষা-সংস্কৃতি, ধ্যান-ধাৰণা, ৰীতি-নীতি, চিন্তা-...ৰনা তথা জাতীয়তাৰ সকলোখিনি। আমাৰ সমাজতো ...তো পাঠক-পাঠিকাৰ ধাৰণা হ'ল যে কেইটিমান কবিতা বা ...াল গল্প, চুটি গল্পই হ'ল সাহিত্য। প্ৰকৃতাৰ্তত কিন্তু এইটো ...্য নহয়। নাটক, কবিতা, উপন্যাস, ৰস-ৰচনা, গল্প, কৌতুক, ...গ ৰচনা, সমালোচনা, প্ৰবন্ধকেই আদি কৰি সভ্যতা-সংস্কৃতি, ...্য-গীতি, কৃষি পদ্ধতি, সাজপাৰ, খাদ্য সম্ভাৰ, বিশ্বাস-...বিশ্বাস আদি কৰি জীৱনৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটোৱেই সাহিত্য। ...মাজিক উন্নতিৰ বাবে শিক্ষাৰ প্ৰয়োজনীয়তা অসীম, কিন্তু ...হিত্য অবিহনে যে শিক্ষা অসম্পূৰ্ণ, এই কথা আজিৰ নৱ-...জন্মই উপলব্ধি কৰিব পৰা নাই।

সমাজ পৰৱৰ্তনশীল। এই পৰিৱৰ্তিত সমাজত আধুনিকতাৰ ...ৰত ভাগ লৈ আমি যাতে আমাৰ সংস্কৃতি আৰু জাতীয় ...তনা পাহৰি নাযাওঁ সেয়া লক্ষণীয় বিষয়। সময়ৰ লগত খোজ ...লাই আধুনিকতাৰ সৈতে তাল মিলাই চলাটো নিতান্তই ...য়োজনীয়। কিন্তু এইবোৰৰ মাজত আমি নিজকে পাহৰি যোৱা ...ইতো? এই কথাখিনি মই মোৰ অভিজ্ঞতাৰ কিছু মানৰ পৰা ...ভৱ কৰিছোঁ। সেই অভিজ্ঞতাৰ বিষয়ে তলত অকণমান ...খিলো।

এদিন মই মোৰ বান্ধৱীকেইজনীৰ সৈতে আমাৰ ক্লাছ শেষ ...ৱাৰ পাছত ঘৰলৈ বুলি বাছত উঠিলো। বাছৰ চাউণ্ড চিষ্টেমত ...গীত এটা বাজি আছিল। তাকে শুনি লগৰ এজনীয়ে ক'লে ...াজিকালি সকলোৰে ম'বাইলত, ঘৰত ৰক সংগীত বাজি ...কে। তাতে আকৌ বাটে ঘাটে বিহু শুনিবলৈ আমনিয়ে লাগে। ...ন এজনীয়ে মাত লগালে— আতো। মইয়ো বিহুগীত শুনি ...ভাল নাপাওঁ।' কথাটো শুনি দুয়োজনীলৈ ভীষণ খং উঠিল। ...গীত শুনি বেয়া পোৱাতকৈ ডাঙৰ কথা হৈছে তাক অপমান কৰাটো। কোনোবাই বিহু শুনি ভাল নাপাব পাৰে, কিন্তু তাক অপমান কৰাৰ অধিকাৰ কাৰো নাই আৰু বাছত তেনে কথা কোৱা উচিত নহয়। কিয়নো বাছত বহি থকা উঠি অহা নতুন চামৰ কাণত এই কথা পৰিলে সিহঁতৰ মনতো সেই একে ধাৰণাৰ বীজ মেলিব পাৰে। এইখিনিতে আৰু দুটি ঘটনাৰ পাতনি মেলিব বিচাৰিছোঁ. এদিন কেইজনমান বন্ধু-বান্ধৱীৰ সৈতে কলেজ কেণ্টিনত কথা পাতি থাকোঁতে কথা প্ৰসংগত এজনীয়ে ক'লে মই হোমেন বৰগোহাঞিৰ নাম শুনা নাই? মই আঁচৰিত হৈ সুধিলো, 'তুমি হোমেন বৰগোহাঞিৰ নাম শুনা নাই?' এজন অসমীয়া শিক্ষিত ল'ৰা বা ছোৱালীয়ে যদি অসমতেই থাকি হোমেন বৰগোহাঞিৰ নাম শুনা নাই তাতোকৈ পৰিতাপৰ বিষয় জানো কিবা হ'ব পাৰে? আমি যদি সাহিত্যিকসকলৰ অসমীয়া সাহিত্যলৈ যোগোৱা বৰঙণিবোৰ পাহৰি যাওঁ, আমি জানো নিজকে অসমীয়া হিচাপে চিনাকী দিব পাৰিম? আন এদিন কলেজত ক্লাছ অফ থকাত কেইজনমান বন্ধ-বান্ধৱীৰ সৈতে এনে বহি আছিলো। মই জুবিন গাৰ্গৰ অসমীয়া গান এটা ম'বাইলতে বজালো। লগৰ এজনে ক'লে এই মদাহীটোৰ গান বন্ধ কৰা। মই এটা ইংলিছ গান বজাই আছো। কথাষাৰ শুনি মই নিজে বৰ লাজ পালো। জুবিনদাক সি মদাহী বুলি কয়। কিন্তু ইংলিচ বা হিন্দী গান বজাই আছে সেইটো তাৰ ভুল নহয়? জুবিন গাৰ্গৰ দৰে বিখ্যাত কণ্ঠশিল্পীক সিহঁতে ঠাট্টা মস্কাৰ কৰি অসমীয়া সংস্কৃতি ধ্বংস কৰা নাইনে। আমাৰ কাৰণে কিমান সৌভাগ্যৰ কথা যে ইমান ডাঙৰ এজন কণ্ঠশিল্পী হোৱাৰ পিছতো বলিউড বা হলীউডলৈ গুচি যোৱা নাই একমাত্ৰ অসমীয়া সমাজৰ সংস্কৃতি বজাই ৰাখিবৰ বাবে। আজি যুৱ প্ৰজন্মই কেৱল সেই সংগীতসমূহক সঠিক মৰ্যাদা দিব লাগে।

ভূপেনদাই কৈ গৈছে—

'আমি অসমীয়া নহও দুখীয়া
বুলি শান্তনা লভিলে নহ'ব
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাৰতলে যাব।'

আজি অভিভাৱকসকলে নিজৰ সন্তানক অসমীয়া মাধ্যমত নপঢ়াই কেৱল ইংৰাজী শিক্ষা দিয়াতহে গুৰুত্ব দিয়ে। ইংৰাজী শিকাটো মই ভুলি বুলি ক'ব খোজা নাই। মোৰ প্ৰশ্নটো এয়ে যে নিজৰ মাতৃভাষাটোৰ প্ৰতি ইমান অৱহেলা কিয়? তেওঁলোকে পাহৰিছে যে বেলেগৰ সংস্কৃতিৰ পিছত দৌৰি নিজৰ সংস্কৃতিয়েই পাহৰি গৈছে। আধুনিক সমাজৰ অহেতুক সংস্কৃতিৰ প্ৰতি অৱহেলা কৰা নাইতো? তাৰোপৰি একৈশ শতিকাৰ নৱপ্ৰজন্মৰ মাজৰ বহুতেই মাদক দ্ৰব্যৰ প্ৰতি আ হোৱা দেখা যায়। ইয়াৰ ফলত সৃষ্টি হ'ব ছিন্নমূল আৰু নতুন প্ৰজন্ম। সমাজ অশান্তিৰে ভৰি পৰিব, মানৱীয় মূল্যবো স্খলন ঘটিব, সৃষ্টি হ'ব হিংসাৰ আৰু তাৰ পৰাই সৃষ্টি সন্ত্ৰাস। এনে হ'লে এদিন হয়তো হেৰাই যাব অসমীয়া জা সুকীয়া অস্তিত্ব। এখন সমাজ, এটা জাতিক সুৰক্ষিত কাৰণে প্ৰয়োজন এক সুস্থ সক্ষম বিজ্ঞান সন্মত পৰিবে ওপৰোক্ত কথাবোৰ আমাৰ সচেতন ব্যক্তিসকলে উপলব্ধি আমাৰ উঠি অহা প্ৰজন্মক সঠিক দিশত পৰিচালিত পাৰিলে আমাৰে স্বকীয় ভাষা-সংস্কৃতি জীয়াই থাকিব।

## মহৎলোকৰ বাণী

পোন্ধৰ মিনিটৰ কাৰণে বীৰ হোৱাতকৈ এসপ্তাহৰ কাৰণে সন্মান যোগ্য মানুহ হৈ থকাটো বেছি কঠিন।

— *জুলে ৰেনার্ড*

বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিকোৱাখিনি কোনো শিক্ষাই নহয়, ই হ'ল শিক্ষা লাভৰ পথহে।

— *এমাৰ্ছন*

অধ্যক্ষই আৰু অধ্যাপকে পুথিৰ পাতৰ পৰা তোমাক তোমাৰ চৰিত্ৰ দিব নোৱাৰে। চৰিত্ৰ গঠন তোমাৰ আত্মাৰ নিজৰ আত্মাৰ পৰা, তোমাৰ জীৱনৰ পৰা আৰু আমাৰ অন্তৰৰ পৰা আহিব লাগিব।

— *মহাত্মা গান্ধী*

মাতৃৰ মৰম পৃথিৱীৰ উদাৰতা আৰু আকাশৰ বিশালতাৰে মানুহক বুজিবলৈ চেষ্টা কৰা, দেখিবা সকলো ভেদ-ভাব নোহোৱা হৈ গৈছে।

— *স্বামী বিবেকানন্দ*

—সংগ্ৰাহক
**সমৰজিৎ ডেকা**
তৃতীয় ষান্মাসিক

# খামতি জনগোষ্ঠীৰ কলা-সংস্কৃতি

**বিভা দাস**
স্নাতক পঞ্চম ষাণ্মাসিক

সংস্কৃতি হৈছে মানৱ সমাজৰ প্ৰাণস্বৰূপ। ই এটা জাতি বা গোষ্ঠীৰ জীৱন পৰিচয়। সংস্কৃতিয়ে জাতি এটাৰ ভাষাৰ পৰা লোক-সাহিত্যলৈ, জীৱনবোধৰ পৰা আচাৰ-ৰীতিলৈ, ভাস্কৰ্য শিল্পকলাৰ পৰা আৰম্ভ কৰি সমাজ-ভাবনা, সাজপাৰ, আ-অলংকাৰ, পালিত উৎসৱ-পাৰ্বন আদি সকলোবোৰ দিশ সামৰি লয়।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত অৰুণাচল প্ৰদেশত বসবাস কৰা এটা অন্যতম প্ৰধান গোষ্ঠী হৈছে টাই-খামতিসকল। উল্লেখযোগ্য যে এই খামতি ভাষাৰ বাহিৰে অৰুণাচলত বাকী সকলোবোৰ ভাষাই তিব্বত বৰ্মী ঠালৰ, মাথো খামতি ভাষাহে শ্যাম-চীন ঠালৰ টাই গোষ্ঠীয় ভাষা। খামতিসকল অৰুণাচলৰ লোহিত আৰু টিৰাপ জিলাৰ বাহিৰেও অসমৰ লখিমপুৰ জিলাতো বসবাস কৰে।

এই আলোচনাৰ প্ৰসংগত খামতিসকলৰ কলা-সংস্কৃতি সম্পৰ্কে এটি চমু পৰিচয় দাঙি ধৰা হ'ল।

জনবিশ্বাসমতে খামতিসকল হীৰাৱতীৰ ওচৰৰ বৰ-খামতি নামৰ ঠাইৰ পৰা অসমলৈ আহিছিল। 'খামতি'ৰ খাম শব্দৰ অৰ্থ হ'ল সোণ আৰু টি শব্দৰ হ'ল ঠাই অৰ্থাৎ সোণৰ ঠাই।

**সমাজ ব্যৱস্থা ঃ** খামতিসকলৰ মাজত অনেক ফৈদ দেখিবলৈ পোৱা যায়। প্ৰতি ফৈদৰে এজনকৈ সুকীয়া গোসাঁই থাকে।

এওলোকৰ মাজত ডেকা চাং আৰু গাভৰু চাঙৰ ব্যৱস্থা আছে। ৰাতি হ'লে বিয়া নোহোৱা ডেকাবোৰ ডেকা-চাঙত আৰু গাভৰুবোৰ গাভৰু চাঙত থকাৰ নিয়ম। গাভৰু চাঙত কোনো পুৰুষ সোমাব নাপায়।

গৃহ নিৰ্মাণ পদ্ধতি ঃ খামতিসকলে চাংঘৰ সাজি বসবাস কৰে। ঘৰৰ চালবোৰ টকৌপাত, জেঙুপাত আৰু খেৰেৰে চোৱা হয়।

**ধৰ্ম ঃ** খামতিসকল বৌদ্ধ ধৰ্মাৱলম্বী। বৌদ্ধ থেৰ ভিক্ষুকসকলক বানু বোলা হয় আৰু বৌদ্ধ মন্দিৰবোৰক বানুচাং নামেৰে নামেৰে জনা যায়। সমাত বানুসকলৰ স্থান বৰ উচ্চ।

**জীৱিকা ঃ** খামতিসকল সাধাৰণতে কৃষিৰ ওপৰত নিৰ্ভৰশীল। এওঁলোকে ধান আৰু বিভিন্ন শাক পাচলিৰ খেতি কৰে। এওঁলোকে গৰু, ম'হ, গাহৰি আদিও প্ৰতিপালন কৰে।

**খাদ্য ব্যৱস্থা ঃ** খামতিসকলে খালামৰ (চুঙা চাউল) মাছৰ মাংস পাছা আদিৰ লগতে পানীয় হিচাপে নামলতখা, লাওচুপপ্‌, লাওহু আদি ব্যৱহাৰ কৰে।

**সাজপাৰ ঃ** খামতি পুৰুষসকলে গাত লিপিট খাই পৰা বগা বা ঘোৰ লীলা ৰঙৰ কৰ্কাঁললৈকে পৰা এটা চোলাৰ লগতে কঁকালত নীলা, সেউজীয়া, হালধীয়া ৰঙৰ সূতাৰে বোৱা ফানই (লুঙী) পৰিধান কৰে। কান্ধত এখন ডাঙৰ পাতল চাদৰ লয়।

তিৰোতসকলে ক'লা ৰঙৰ চিনা (মেখেলা), কঁকালত ৰঙা ৰঙৰ চাইচেন আৰু সেউজীয়া ৰহৰ লাভৱাত পিন্ধে। গাত দীঘল হাতৰ পাটৰ বা কপাহী চাদৰ মেৰিয়াই লয়।

**অলংকাৰ ঃ** আ-অলংকাৰৰ ভিতৰত খামতি পুৰুষসকলে কাণত জাংফাই, কেৰু আৰু হাতত সোণ-ৰূপৰ খাৰু পিন্ধে। আনহাতে মহিলাসকলে কাণত জাংফাই কেৰু, ডিঙিত পোৱাল আদি মণি একোধাৰ আৰু হাতত সোণ ৰূপৰ খাৰু পিন্ধে। এওঁলোকে ৰূপৰ অলংকাৰ আৰু সৰু সৰু কাচৰ মণিৰে খোপাটো ধুনীয়া কৰি থয়।

**উৎসৱ পাৰ্বন ঃ** খামতিসকলে ব'হাগ বিহুৰ সময়ত পয়চাংকেন, আহিন-কাতি মাহত চায় অকোৱা আৰু মাঘ বিহুৰ সময়ত 'মাইকুচুমফাই' উৎসৱ পালন কৰে। এইবোৰৰ উপৰিও ফাগুন মাহত নৌন্‌চিত পং আৰু কাতি আঘোণ মাহত 'কিথিন' উৎসৱ পালন কৰে।

**ভাষা ঃ** খামতিসকলৰ নিজা ভাষা আছে। এই ভাষা সুকীয়া আৰু একাক্ষৰী ভাষা। ইয়াৰ লিপি টাই লিপি আৰু হাতে লেখা বৃত্তাক্ষৰী।

এইদৰে খামতিসকল নিজা ভাষা-সংস্কৃতি যথেষ্ট চহকী যদিও সময়ৰ পৰিৱৰ্তনৰ লগে লগে এওঁলোকৰ ক'লা-সংস্কৃতিতো স্বাভাৱিকভাৱে কিছুমান পৰিৱৰ্তন আহি পৰিছে।

# সাম্প্ৰতিক সমাজ আৰু আমি

হৰেকৃষ্ণ দাস
পঞ্চম ষান্মাসিক

'আজিকালি সকলোৰে ম'বাইলত, ঘৰত ৰক্ সংগীত বাজি থাকে। তাতে আকৌ বাটে-ঘাটে বিহু শুনিবলৈ পালে আমনিয়ে লাগে।'

সাহিত্য সমাজৰ দাপোন, জাতিৰ নাৰী নক্ষত্ৰ স্বৰূপ। সাহিত্যৰেই প্ৰকাশ পায় ভাষা-সংস্কৃতি, ধ্যান-ধাৰণা, ৰীতি-নীতি, চিন্তা ভাৱনা তথা জাতীয়তাৰ সকলোখিনি। আমাৰ সমাজতো বহুতো পাঠক-পাঠিকাৰ ধাৰণা হ'ল যে কেইটিমান কবিতা বা চুটি গল্পই হ'ল সাহিত্য। প্ৰকৃতাৰ্তত কিন্তু এইটো সত্য নহয়। নাটক, কবিতা, উপন্যাস, ৰচনা, গল্প, কৌতুক, ব্যংগ ৰচনা, সমালোচনা, প্ৰৱন্ধকেই আদি কৰি সভ্যতা-সংস্কৃতি, নৃত্য গীত, কৃষি পদ্ধতি, সাজপাৰ, খাদ্য সম্ভাৰ, বিশ্বাস-অন্ধবিশ্বাস আদি কৰি জীৱনৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটোৱেই সাহিত্য। সামাজিক উন্নতিৰ বাবে শিক্ষাৰ প্ৰয়োজনীয়তা অসীম, কিন্তু সাহিত্য অবিহনে যে শিক্ষা অসম্পূৰ্ণ, এই কথা আজিৰ নৱপ্ৰজন্মই উপলব্ধি কৰিব পৰা নাই।

সমাজ পৰিৱৰ্তনশীল। এই পৰিৱৰ্তনশীল সমাজত আধুনিকতাৰ দৌৰত ভাগ লৈ আমি যাতে আমাৰ সংস্কৃতি আৰু জাতীয় চেতনা পাহৰি নাযাও সেয়া লক্ষণীয় বিষয়। সময়ৰ লগত খোজ মিলাই আধুনিকতাৰ সৈতে তাল মিলাই চলাটো নিতান্তই প্ৰয়োজনীয়। কিন্তু এইবোৰৰ মাজত আমি নিজক পাহৰি যোৱা নাইটো? এই কথাখিনি মই মোৰ অভিজ্ঞতা কিছুমানৰ পৰা অনুভৱ কৰিছোঁ। সেই অভিজ্ঞতাৰ বিষয়ে তলত অকনমান লিখিলো।

এদিন মই মোৰ বান্ধৱীকেইজনীৰ সৈতে আমাৰ ক্লাচ শেষ হোৱাৰ পাছত ঘৰলৈ বাছত উঠিলো। বাছৰ ছাউণ্ড ছিষ্টেমত বিহু গীত এটা বাজি আছিল। তাকে শুনি লগৰ এজনীয়ে ক'লে আজিকালি সকলোৰে ম'বাইলত, ঘৰত ৰক্ সংগীত বাজি থাকে। তাতে আকৌ বাটে ঘাটে বিহু শুনিবলৈ আমনিয়ে লাগে। আন এজনীয়ে মাত লগালে — অ'তো। ময়ো বিহুগীত শুনি 'বৰ ভাল পাও'। কথাটো শুনি দুয়োজনীলৈ ভীষণ খং উ[ঠিল।] বিহু গীত শুনি বেয়া পোৱাতকৈ ডাঙৰ কথা হৈছে তাক অ[পমান] কৰাটো। কোনোবাই বিহু শুনি ভাল নাপাব পাৰে। কিন্ত[ু] অপমান কৰাৰ অধিকাৰ কাৰো নাই আৰু বাছত তেনে [কথা] কোৱা উচিত নহয়। কিয়নো বহি থকা উঠি অহা নতুন [...] কাণত এই কথা সিহতৰ মনটো সেই একে ধাৰণাৰ [...] মেলিব পাৰে। এইখিনিতে আৰু দুটি ঘটনাৰে পাতনি [মে]লিছো। এইদিন কেইজনমান বন্ধু-বান্ধৱীৰ সৈতে ক[...] কেণ্টিনত কথা পাতি থাকোঁতে কথাৰ প্ৰসংগত হো[মেন] বৰগোহাঞিৰ কথা ওলাল। লগৰ এজনীয়ে সুধিলে, '[...] হোমেন বৰগোহাঞি? মই আচৰিত হৈ সুধিলো, তুমি হো[মেন] বৰগোহাঞিৰ নাম শুনা নাই? এজন অসমীয়া সিক্ষিত [...] বা ছোৱালীয়ে যদি অসমতেই থাকি হোমেন বৰগোহা[ঞিৰ] নাম শুনা নাই তাতকৈ পৰিতাপৰ বিষয় জানো কিবা [হ'ব] পাৰে। আমি যদি সাহিত্যিকসকলৰ অসমীয়া সাহি[ত্যলৈ] যোগোৱা বৰঙণিবোৰ পাহৰি যাওঁ, আমি জানো নি[জক] অসমীয়া হিচাপে চিনাকি দিব পাৰিম? এদিনকলেজত [...] অফ থকাত কেইজনমান বন্ধু-বান্ধৱীৰ সৈতে এনে [...] আছিলো। মই জুবিন গাৰ্গৰ অসমীয়া গান এটা ম'বাই[লত] বজালো। লগৰ এজনে ক'লে এই মদাহীটোৰ গান বন্ধ [...] মই এটা ইংলিছ গান বজাই আছো। কথাষাৰ শুনি মই [...] বৰ লাজ পালো। জুবিনদাক সি মদাহী বুলি কয়। কিন্তু ই[ংলিছ] বা হিন্দী গান বজাই আছে সেইটো তাৰ ভুল নহয়? [...] গাৰ্গৰ দৰে বিখ্যাত কণ্ঠশিল্পীক সিহঁতে ঠাট্টা মস্কাৰ কৰি অস[মীয়া] সংস্কৃতি ধ্বংস কৰা নাইনে। আমাৰ কাৰণে কিমান সৌভ[াগ্যৰ] কথা যে ইমান ডাঙৰ এজন কণ্ঠশিল্পী হোৱাৰ পিছতো ব[লিউড] বা হলীউডলৈ গুচি যোৱা নাই একমাত্ৰ অসমীয়া স[...] কণ্ঠশিল্পীক সিহঁতে ঠাট্টা-মস্কৰা কৰি অসমীয়া সংস্কৃতি [...] কৰা নাইনে? সংস্কৃতি বজাই ৰাখিবৰ বাবে। আজি যুৱ প্ৰ[...]

কেৱল সেই সংগীতসমূহক সঠিক মৰ্যাদা দিব লাগে।

আজি অভিভাৱকসকলে নিজৰ সন্তানক অসমীয়া মাধ্যমত নপঢ়াই কেৱল ইংৰাজী শিক্ষা দিয়াতহে গুৰুত্ব দিয়ে। ইংৰাজী শিকাটো মই ভুলি বুলি ক'ব খোজা নাই। মোৰ প্ৰশ্নটো এয়ে যে নিজৰ মাতৃভাষাটোৰ প্ৰতি ইমান অৱহেলা কিয়? তেওঁলোকে পাহৰিছে যে বেলেগৰ সংস্কৃতিৰ পিছত দৌৰি নিজৰ সংস্কৃতিয়েই পাহৰি গৈছে। আধুনিক সমাজৰ অহেতুক সংস্কৃতিৰ প্ৰতি অৱহেলা কৰা নাইতো? তাৰোপৰি একৈশ শতিকাৰ নৱপ্ৰজন্মৰ মাজৰ বহুতেই মাদক দ্ৰব্যৰ প্ৰতি আকৃষ্ট হোৱা দেখা যায়। ইয়াৰ ফলত সৃষ্টি হ'ব ছিন্নমূল আৰু এক নতুন প্ৰজন্ম। সমাজ অশান্তিৰে ভৰি পৰিব, মানৱীয় মূল্যবোধৰ স্খলন ঘটিব, সৃষ্টি হ'ব হিংসাৰ আৰু তাৰ পৰাই সৃষ্টি হ'ব সন্ত্ৰাস। এনে হ'লে এদিন হয়তো হেৰাই যাব অসমীয়া জাতিৰ সুকীয়া অস্তিত্ব। এখন সমাজ, এটা জাতিক সুৰক্ষিত কৰাৰ কাৰণে প্ৰয়োজন এক সুস্থ সক্ষম বিজ্ঞান সন্মত পৰিৱেশৰ। ওপৰোক্ত কথাবোৰ আমাৰ সচেতন ব্যক্তিসকলে উপলব্ধি কৰি আমাৰ উঠি অহা প্ৰজন্মক সঠিক দিশত পৰিচালিত কৰিব পাৰিলে আমাৰে স্বকীয় ভাষা-সংস্কৃতি জীয়াই থাকিব।

## মহৎলোকৰ বাণী

জীৱনৰ প্ৰতি মুহূৰ্তৰ একৌ মহৎ উদ্দেশ্যে আছে। সেই চৰম উদ্দেশ্য সাধনৰ কাৰণে কৰা কঠোৰ প্ৰচেষ্টাতেই জীৱনৰ অৰ্থও লুকাই আছে।

— *মেক্সিম গৰ্কী।*

প্ৰতিভাৰ এক শতাংশ অনুপ্ৰেৰণা আৰু বাকী নিৰান্নব্বৈ শতাংশ ধৰ্ম সিক্ত কঠোৰ পৰিশ্ৰম।

— *আলভা এডছিন*

পাপ-পূণ্য একো নাই, আছে মাথো অজ্ঞতা।

— *স্বামী বিবেকানন্দ*

যি জাতিৰ সাহিত্য নাই, সেই জাতি জীয়াই থাকিও মৰাৰ দৰে

— *তুলসী দাস*

—সংগ্ৰাহক

সম্পাদক

আলোচনী বিভাগ

# ল'ৰালিৰ স্মৃতিয়ে বৰকৈ ৰিঙিয়াই

চিমা দেৱী
স্নাতক প্ৰথম বৰ্ষ

ল'ৰালি। সঁচাই ল'ৰালিৰ স্মৃতিয়ে আমাক বৰকৈ আমনি কৰে। আকৌ এবাৰ উভতি যাবলৈ মন লৰালিৰ সেই দিনবো মাজলৈ। ল'ৰালিৰ সেই ধেমালি, ল'ৰালিৰ সেই খেল, খেলৰ মাজত হোৱা কাজিয়া... আৰু কাজিয়াৰ পিছত কান্দি কান্দি ওচৰলৈ অহা আৰু যে বহুতো ককা-আইতাৰ আটাইবোৰ মৰম নিজৰ কৰি লোৱা। সমাজৰ কুটিলতাৰ পৰা বহুতো আঁত ল'ৰালি জীৱনৰ দায়বদ্ধতাৰ পৰা বহু আঁতৰত আমাৰ ল'লাৰি। বহুতৰে চাগে সপোনবোৰ এনেকুৱা আছিল। নিশ্চয় ন কাৰণ তেতিয়া আমি পৃথিৱীৰ আচল পৰিচয়ৰ পৰা বহু আঁতৰত আছিলোঁ। এতিয়াও মনত পৰে স্কুলৰ পৰা আহিয়েই স্কুলবে থেকেচা মাৰি থৈ হাটত বেটখন লৈ নিশ্চিত মনে ওলাই যাওঁ। কিন্তু আজি সেয়া বাস্তৱ। কাৰণ আজি আমি জীৱনৰ মায়াজা এনেকৈয়ে বন্দী হৈছো যে ইয়াৰ পৰা ওলাই অহা চাগে সম্ভৱ নহয়। আজি আমাৰ সময় নাই নিশ্চিতমনে ওলাই যাবলৈ। মু এপাল বোজা লৈ আমি এনেকৈয়ে চলি থাকো যে কেতিয়াবা আমি এনেকৈয়ে চলি থাকো যে কেতিয়াবা আমি হাঁহিবলৈ পাহৰি যাওঁ। খোৱাৰ আৰু শুৱৰ সময় নাই আৰু ক'ত কি? সঁচাই আমি যদি সদায় সৰু হৈয়ে থাকিলোহেঁতেন, কেতি ডাঙৰেই নহ'লোহেঁতেন! কিন্তু এয়া জানো সম্ভৱ? নিশ্চয় নহয় আৰু হ'বও নোৱাৰোঁ, কিন্তু স্মৃতি এনেকুৱা এখন ছবি যিখ চাই আমি আমাৰ অতীত ৰোমন্থন কৰিব পাৰো। হাঁহিব পাৰো, কান্দিব পাৰোঁ আৰু যেতিয়া স্মৃতি ল'ৰালিৰ হয়। তেতিয় পাহৰি যোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে আপুনি জানো পাহৰিব পাহৰিছে আপোনাৰ লৰালিৰ স্মৃতি...? সেইবাবেই কবিত কৈছে ল'ৰালিৰ স্মৃতিয়ে বৰকৈ ৰিঙিয়াই।

## মহৎলোকৰ বাণী

এখন সমাজ সুচাৰুৰূপে পৰিচালিত হ'বলৈ হ'লে লাগে অফুৰন্ত কৰ্মশক্তি সংযত বিবেক, একতা আৰু সেৱাৰ মনোভাৱ।

*— ৰাজা ৰামমোহন ৰায়*

যিয়ে নিজ দেশক ভাল নাপায়, সি একোকে ভাল নাপায়/ভাল পাব নোৱাৰে।

*— বাইবল*

যিয়ে মুখেৰে আৰু হাতেৰে আন কোনোৱাক কষ্ট নিদিয়ে তেৱেঁই প্ৰকৃত মানৱ।

*— বিশ্ব নবীন বাণী*

—সংগ্ৰাহক
সম্পাদনা সমিতি

# আমি আৰু আমাৰ সমাজৰ কিছু কথা

হীৰামণি ডেকা
স্নাতক প্ৰথম বৰ্ষ

আজি আমি নিজকে আধুনিক যুগৰ মানুহ হিচাপে দাবী কৰি আহিছো। নিজৰ সন্তানক সমাজত প্ৰতিষ্ঠা কৰাৰ বাবে
বা এক উচ্চ স্থানত ৰখাৰ বাবে যত্ন কৰিছো। এয়া আমাৰ বাবে এক শুভ লক্ষণ বা আমাৰ মনৰ যোগাত্মক দিশ। কিন্তু আমি
ক সম্পূৰ্ণ কৰিবলৈ যাওতে বহু সময়ত উজুতি খাবলগীয়া হও। নিশ্চয়কৈ এয়া আমাৰ দূৰদৰ্শীতাৰ অভাৱ। আমাৰ সমাজত
ক প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে আমি নিজকে লগতে সমাজত পৰিব পৰা কিছুমান কু-প্ৰভাৱৰ পৰা মুক্ত হোৱা উচিত। বৰ্তমান
জত অৰ্থ প্ৰতিযোগিতা আৰু জ্ঞানী-মানীৰ প্ৰতিযোগিতা চলিছে। যাৰ ফলশ্ৰুতিত আজি কিছুমান অভিভাৱকে জানি বুজিয়ে
ক বা অজানিতে হওক বহুতো ভুল কৰে। নিজৰ সন্তানক ভালদৰে পঢ়া-শুনা কৰোৱাই ডাঙৰ মানুহ বুলি অথবা সমাজৰ এজন
যুক্ত ব্যক্তি বুলি প্ৰতিষ্ঠা কৰোৱাৰ সলনি যেনে তেনে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিচৰে পৰা অৰ্থ প্ৰতিযোগিতাৰ
যোগী হিচাপে আগবঢ়াই দিয়ে। উদাহৰণ স্বৰূপে এখন উজ্বল ৰঙৰ মটৰ বাইক আৰু হাতত এটা দামী মোবাইল হেণ্ডচেট
হাৰ দিয়ে। যিয়ে হয়তো তাৰ উপযুক্ত সদ ব্যৱহাৰ জনা নাই। বাইকখন জোৰেৰে মানুহৰ ভিৰৰ মাজত চলাই যেন বীৰত্বহে
ৰ্শন কৰিছে, অথচ তেওঁ কিন্তু নিশা কেনেদৰে লাইটৰ ব্যৱহাৰ কৰিব লাগে তাৰ নৈতিক জ্ঞানকনো অভাৱ। বাইকখন চলাই
োৱাৰ সময়ত ম'বাইলৰ হেডফোন লগাই গান শুনি যোৱা পৰিলক্ষিত হয়। পিচফালৰ পৰা যদি কোনো গাড়ীয়ে আগবাঢ়িবৰ
ৰ হৰ্ণ বজাই সংকেত দিছে সেয়া তেওঁৰ কৰ্ণগোচৰ হোৱা নাই। আনহাতে আকৌ ম'বাইল ব্যৱহাৰ কৰিছে বাইকখন চলাই
াৰ সময়তে। যিটো সময়ত হয়তো নিজৰ লগতে অইন মানুহৰো অসুবিধা হ'ব পাৰে সেয়া তেওঁ চিন্তাই কৰা নাই। বাইকখন
ই কথাখিনি শেষ কৰিলে যেন তেওঁৰ পাৰ্গতালিত ব্যাঘাত জন্মিব বা তেওঁক কোনোবাই অপমানহে কৰিব। এনে ধৰণৰ কৰ্মৰ
ৰ যে তেওঁৰ লগতে সমাজৰে ক্ষতি হয় সেয়া তেওঁ উপলব্ধি কৰা নাই সেইটো, নকৰিবলৈ কিন্তু আমিও তেওঁক সাৱধান বাণী
োৱা নাই। সেই জ্ঞানৰ হয়তো আমাৰো অভাৱ হৈছে। গতিকে সেয়া আমিও জনা উচিত। মই কাৰো ব্যক্তিগত স্বাৰ্থত আঘাত
খোজা নাই প্ৰয়াস কৰিছো মাত্ৰ আমাৰ সমাজৰ প্ৰতিজন ব্যক্তিয়ে যেন সমাজৰ ক্ষতি হ'ব পৰা এনেকুৱা প্ৰতিযোগিতাৰ পৰা
ৰ লগতে ল'ৰা-ছোৱালীকো বিৰত ৰাখে লগতে তেওঁলোকক জীৱনৰ এক উপযুক্ত লক্ষ্য প্ৰদান কৰে। এয়া মোৰ সমূহ
ভাৱকলৈ সম্পূৰ্ণ ব্যক্তিগত অনুৰোধ।

# ৰিঅ' অলিম্পিক ২০১৬ত ভাৰতৰ ভূমিকা

শ্ৰীচুমন কলিতা
তৃতীয় ষান্মাসিক

২০১৬ বৰ্ষৰ ৫ আগষ্টৰ পৰা ২১ আগষ্টলৈ ব্ৰাজিলৰ ৰিঅ' দি জেনেৰিঅ'ত অনুষ্ঠিত হোৱা ৩১ তম গ্ৰীষ্মকালীন অলিম্পিক প্ৰতিবাৰৰ দৰে এইবাৰো ভাৰতবৰ্ষই অংশগ্ৰহণ কৰিছিল। ১৯২০ চনৰ পৰাই ভাৰতৰ খেলুৱৈসকলে প্ৰতিবাৰে অলিম্পিকত অংশগ্ৰহণ কৰি আহিছে। কিন্তু ভাৰতে কাৰ্যকৰীভাৱে ১৯৯৩ চনত পেৰিছত অনুষ্ঠিত হোৱা অলিম্পিকত প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰিছিল।

আজিলৈ অনুষ্ঠিত হোৱা অলিম্পিকৰ ইতিহাসত আমি ভুমুকিয়াই চালে দেখিবলৈ পাম যে ২০১২ চনত অনুষ্ঠিত হোৱা অলিম্পিকতকৈ ২০১৬ চনত ৩৪ জনে বেছি অৰ্থাৎ ১১৭ জন খেলুৱৈ পঠিওৱা হৈছিল। ইয়াৰ আগত ২০১২ চনত অলিম্পিকত কেৱল ৮৩ জন খেলুৱৈয়েহে অংশগ্ৰহণ কৰিছিল। এইবছৰৰ অলিম্পিকতেই ভাৰতৰ বাবে এক বিশেষ অভিলেখ।

২০১৬ ৰিঅ' অলিম্পিকত পদক লাভ কৰে খেলুৱৈৰ চমু চিনাকি তলত দাঙি ধৰা হ'ল।

পি ভি সিন্ধু ঃ পুচাৰলা ভেনকাই সিন্ধু (জন্ম ৫ জুলাই ১৯৯৫) হৈছিল ভাৰতৰ এগৰাকী সুখ্যাত বেডমিণ্টন খেলুৱৈ। ২০১৬ চনত অনুষ্ঠিত গ্ৰীষ্মকালীন অলিম্পিকত ভাৰতবৰ্ষৰ বাবে ৰূপৰ পদক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা হৈছে পি ভি সিন্ধু।

২০১২ চনৰ ছেপ্টেম্বৰ মাহত ১৭ বছৰ বয়সতে বিশ্বৰ স্থানপ্ৰাপ্ত ২০টা স্থানৰ এটা স্থান দখল কৰি আন্ত[illegible] পৰ্যায়ৰ খেলুৱৈ হিচাপে স্বীকৃতি লাভ কৰে। ২০১[illegible] বেডমিণ্টন বিশ্ব চেম্পিচনশ্বিপত একক মহিলা প্ৰতিযো[illegible] পদক আৰ্জন কৰা ভাৰতৰ প্ৰথম গৰাকী মহিলা হল[illegible] সিন্ধু। ২০১৫ চনৰ মাৰ্চ মাহত এই কম ব[illegible] খেলুৱৈগৰাকীয়ে সন্মানীয় পদ্মশ্ৰী বঁটা লাভ কৰিবলৈ[illegible] হয়। ২০১৬ বৰ্ষৰ অলিম্পিকতেই সিন্ধুৱে প্ৰথম [illegible] বেডমিণ্টন খেলুৱৈ হিচাপে অলিম্পিকৰ বেডমিণ্টন[illegible] চূড়ান্ত পৰ্যায়লৈ গৈ পোৱাৰ অভিলেখ স্থাপন কৰে।

সাক্ষী মালিক ঃ ২০১৬ বৰ্ষত ভাৰতৰ বাবে[illegible] কঢ়িওৱা মল্ল যোদ্ধাগৰাকীয়ে হৈছে সাক্ষী মালিক। এ[illegible] গ্ৰীষ্মকালীন অলিম্পিকত তেওঁ ৫৮ কিলোগ্ৰাম বিভাগ[illegible] পদক অৰ্জন কৰিবলৈ সক্ষম হয়। ইয়াৰ জৰিয়তে[illegible] অলিম্পিকত পদক লাভ কৰা প্ৰথম ভাৰতীয় [illegible] মল্লযোদ্ধাৰ লগতে ভাৰতৰ পৰা চতুৰ্থ মহিলা হোৱাৰে[illegible] লাভ কৰে।

অলিম্পিকৰ পূৰ্বে ২০১৪ চনত গ্লাচগোত [illegible] হোৱা কমনৱেলথ গেমছত ৰূপৰ পদকৰ লগতে ২০১[illegible] দোহাৰ এছিয়ান ৰেষ্টলিং চেম্পিয়নচিপত ব্ৰঞ্জৰ পদক ল[illegible] সক্ষম হৈছিল।

ল্পগুচ্ছ

# বাৰ্ধক্য ভাট্টা

অনুবাদক
**শ্ৰীদুলাল চন্দ্ৰ শৰ্মা**
সহঃ অধ্যাপক, অসমীয়া বিভাগ

এনেয়ে পৰি থকা ঘৰটোলৈ ভাৰাতীয়া আহিছে। কাষতে থৰুম সংলগ্ন কোঠাটো। তাত অৱসৰপ্ৰাপ্ত অধ্যাপক আৰু খেতৰ পত্নী ৰমাৰাণী থাকে। ঘৰটি দুমহলীয়া কৰিবলৈ ইচ্ছা াছিল যদিও আজি আৰু সেই কথা নাই। দৰকাৰেই বা কিহৰ? নিটা ল'ৰা-ছোৱালী উপযুক্ত মানুহ হোৱাৰ পিছত বিদেশতে কে। বিদেশ মানে দেশৰ বাহিৰত থাকে, নিজৰ দেশখন ওঁলোকৰ বাবে উপযুক্ত নহয়। তেওঁলোক আনদেশৰ বাবেহে পযুক্ত। উন্নত মানুহবোৰ উন্নত দেশতহে শোভা পায়।

এই কথা অধ্যাপক অখিল মোহনে ভালদৰে জানিছিল। ই কাৰণে নিজৰ আয়েৰে সৰু ঘৰটিকে সজাইছিল। াৰাণীয়ে সেই কথা নাজানি ঘৰ সাজিবৰে পৰা ঘৰ সম্পৰ্কত জৰ অসন্তুষ্টি আৰু অপূৰ্ণতা প্ৰকাশ কৰি গৰজি উঠিছিল। ৰ-ছোৱালীকেইটা সৰু হৈ আছে, সকলোৱে এটি ঘৰতে ছে।' কেইদিনমানৰ ভিতৰতে সিহঁত ডাঙৰ হৈ উঠিব। লক্ষ্মী তমাৰ নিচিনা দুজনী বোৱাৰী আহিব। জোৱাই সঘনে আহি কিব, কেইদিনমান নিশ্চয় থাকিব। তেতিয়া কি কৰিব? ছাটৰ ৰতে শুবনে?

অখিল মোহনে অমায়িক হাঁহিৰে স্বভাৱসুলভ শান্ত স্বৰেৰে লে— তোমাৰ বাহিৰে আন কোনেও এই ঘৰত নাথাকে। মাৰ ল'ৰা-ছোৱালীকেইটা কোন ক'ত থাকিব, সেই কথা ব নোৱাৰি। য'ত থাকিব তাতেই ঘৰ কৰিব। ঠিক তোমাৰ চনা। চহৰত ঘৰ সজাৰ পিচত তুমি কেইদিন গাঁৱৰ ঘৰত ছা গৈ?

ৰমাৰাণীয়ে গভীৰ আত্মপ্ৰত্যয়েৰে ক'লে- দেখিব নহয়, য় য'তে নাথাকক, যিমান ডাঙৰ ঘৰ নাসাজক সকলো লৈকে আহিব। মোৰ হাতৰ ৰন্ধা তিতা হ'বনে? খাই উঠি ৰ আঁচলেৰে মুখ নুমুচিলে সিহঁতৰ তৃপ্তি নপলায়। মোৰ সন্তান, সিহঁতক মই নাজানোনে? মই সিহঁতৰ মাক... 'মা' শব্দটি ৰমাৰাণীয়ে গৰ্বেৰে ইমান দীঘলীয়াকৈ ক'লে, যাৰ অৰ্থ হ'ল— তুমি সিহঁতৰ দেউতাক— 'মা' হোৱাৰ মহত্ব তুমি কেনেকৈ বুজিবা? এই জীৱনত তোমাৰ 'মা' হোৱাৰ সৌভাগ্য হবনে? 'মা' হোৱাটো সাতজন্ম তপস্যাৰ ফল।'

অখিলমোহনে ৰমাৰাণীৰ মাতৃত্বৰ গভীৰ প্ৰত্যয়ক ভাঙি টুকুৰা টুকুৰ কৰিবলৈ ইচ্ছা নকৰিলে। বেচেৰী! স্বামীৰ সীমিত আয়েৰে সন্তানকেইটাক কিমান কষ্টেৰে মানুহ কৰিছে সেই কথা তেওঁ নিজেহে জানে। যিমান দিন সুখত থাকিব পাৰা থাকা। তেওঁ জানে যে সকলো মাকৰ নিজৰ সন্তানৰ ওপৰত অখণ্ড অধিকাৰ আৰু অগাধ বিশ্বাস থাকে, যদি সেই অধিকাৰ অইন নাৰীৰ হাতলৈ গুচি যায় তেতিয়া সেই বিস্বাসৰ বালিঘৰ সময় আৰু সভ্যতাৰ সোঁতে উটুৱাই নি নিঃচিহ্ন কৰি পেলায়।

সচাসচিকৈ ৰমাৰাণীৰ প্ৰতিদিনে বিশ্বাস কমি যাবলৈ ধৰিলে। সকলো মাকৰ সতীয়া পুতেকৰ ওপৰত যেনেদৰে বিশ্বাস কমি যায়, ঠিক তেনেকৈ।

শেষ পৰ্যন্ত আশা আছিল কোনোবা নহয় কোনোবা নিশ্বয় দীঘলীয়া ছুটি লৈ কিছুদিনলৈ হ'লেও আহি থাকিব। জীয়েকৰ বিয়া হোৱাৰ পাছৰে পৰা স্বামীৰ সৈতে বিদেশতে আছে। পুতেক দুজনেও জাৰ্মান আৰু আমেৰিকাৰ বিদেশিনী ছোৱালী বিয়া কৰাই ঘৰ সাজি বাস কৰি আছে।

পুতেকহঁতে বিয়াৰ খবৰ দিবলৈ কিন্তু হেলা কৰা নাই। ডাঙৰ পুতেকে বিয়াৰ ঠিক আগে আগে আৰু সৰু পুতেকে বিয়াৰ ঠিক পিছে পিছে খবৰ দিছে। তেতিয়ালৈকে ৰমাৰাণী এজনী বোৱাৰীকো পুতেকহঁতৰ লগত তুলনা কৰি পছন্দ নকৰাকৈ নাথাকিল। অখিল মোহনে সকলো সাংসাৰিক দায়িত্ব এৰি চলিব বিচাৰিছে। তেওঁ শান্তিৰ নিশ্বাস লৈ ক'লে, এটি চিন্তা

গ'ল। তুমি যিমান ছোৱালী অপচন্দ কৰিলা ল'ৰাকেইটা অবিবাহিত হৈ থাকিলেহেঁতেন। চাবা, ল'ৰা কেইটাই তোমাৰ পচন্দৰ বোৱাৰী আনিব। সিহঁত কাৰ পুতেক? সিহঁতৰ পছন্দ কেতিয়াও ভুল হ'ব নোৱাৰে- ৰমাৰাণীয়ে ক'লে।

ৰমাৰাণীৰ তেতিয়ালৈকে মাতৃত্বৰ অহংকাৰ কমা নাছিল। তেওঁ নিজকে বেচ চম্ভালি চলিছিল। মনটিক প্ৰবোধ দি কৈছিল— 'হয়, সিহঁত মোৰ সন্তান। নিজৰ তেজক পানী কৰি মই সিহঁতক মানুহ কৰিছো। সিহঁতে কোনো দিন সৰু-ডাঙৰ একো ভুল কৰা নাই। আজি এইটো সিহঁতৰ ভুল বুলি কোনে ক'লে। যি দেশত থাকিব সেই দেশৰে ফল খাব। আমাৰ ইণ্ডিয়াৰ ছোৱালীবোৰে যিমানে পঢ়ক, যিমান আধুনিক হওঁক, সিহঁতে মোৰ ল'ৰাহঁতৰ লগত চিন্তাধাৰাৰে নিজকে খাপ খুৱাই চলিব পাৰিবনে?' প্ৰিয়াকে চোৱাচোন। ইংৰাজী মাধ্যমৰ স্কুলত পঢ়িলে, দিল্লী বিশ্ববিদ্যালয়ত পোষ্ট গ্ৰেজুৱেট কৰি কানাড়াত ডক্টৰেট হ'ল। তথাপিতো কথা ক'লে এখন কাণৰ পৰা সেইখন কাণলৈ শুনিবলৈ শোভা নাপায়। সামান্য এটি টান কথাতে ডাঙৰ ডাঙৰ চকু দুটা টল টলকৈ পকাই ধৰিব। সকলো ভাৰতীয় ছোৱালীবোৰ একে। যিকিনহওক, ল'ৰা দুটাৰ বাবে মই এতিয়া নিশ্চিত।

তেতিয়ালৈ ভাৰতীয় মানুহ অহা নাই। সেই সৰু ঘৰটিকে ৰমাৰাণীয়ে সযতনে ৰাখিছিল। কেতিয়াবা হ'লেও পুত্ৰ-বোৱাৰীহঁত আহিব, নিশ্চয় আহিব। জন্মভূমিলৈ আহিবৰ কাৰ মন নাযাব? দুই পুত্ৰৰ এটাৰ পিছত এটাকৈ ল'ৰা আৰু ছোৱালী জন্ম হ'ল। ডাঙৰ জনৰ দুটি ল'ৰা আৰু সৰুজনৰ দুটি ল'ৰা-ছোৱালী। চিঠি আহিল ফটো আহিল। পুতেকবোৰ মাকৰ ওচৰত সদায় খোলাখুলিভাৱে থাকিব বিচাৰে।

ডাঙৰ পুতেকে লিখিলে— একেলগে বোৱাৰী আৰু নাতি-নাতিনী দেখা পোৱাৰ ভাগ্য কেইজনৰ হয়, 'মা'। একেবাৰে ব্যতিক্ৰম। সৰু পুতেকে লিখিছে- মা, তোমাৰ বোৱাৰীয়ে কৈছে, তুমি হেনো বহুত পাৰ্টি মিছ কৰিছা। আমাৰ বিয়াৰ পাৰ্টি, ল'ৰা-ছোৱালীকেইটাৰ জন্মদিনৰ পাৰ্টি। ইণ্ডিয়ালৈ গ'লে সকলোবোৰ পাৰ্টি একেলগে দিবলৈ জেদ ধৰিছে। নেমু পানী খাই থাকিবা। আমি এতিয়া কম দিনৰ ভিতৰতে ইণ্ডিয়ালৈ যাম।

পুতেকৰ চিঠিৰ অতি কম দিনৰ দূৰত্ব কিমান সেই কথা ৰমাৰাণীৰ সুক্ষ্ম বুদ্ধিৰে জুখিব নোৱাৰে। বছৰৰ পিচত বছৰ বাগৰি গ'ল। নাতি-নাতিনীহঁতৰ দুই এটা কথাৰ টেপ কৰা কেছেট পাৰ্চেল হৈ আহিল। বোৱাৰীহঁতৰ কণ্ঠস্বৰ কেছেটৰ ফিটাৰ পৰা ভাহি আহিছে- গুড মৰ্নিং মমি! হাও আই লং টু মিচ ইউ! অভি ইজ অল ৰাইট। নেভাৰ বডৰ ফৰ হিম' ইত্যাদি। ডাঙৰ অভিজাত শ্ৰেণীৰ। সৰু বোৱাৰীয়েকৰ সমগ্ৰ অ কেছেটৰ স্পয়েলৰ ৰেকৰ্ড বজালে সিপাৰৰ পৰা ভাহি 'আই ব্লেম ইউ মমি! হি ইজ চো ডিপেণ্ডেন্ট! ইউ হাৰ অমি! হাউ চিলি। অমিয়কান্ত সৰু পুতেক।

ৰমাৰাণী হাঁহি হাঁহি বাগৰি পৰে। অতিপাত হাঁহি দি অশ্ৰু বাহিৰ কৰি দিয়ে। হাঁহি চম্ভালি লৈ ভঙা ভঙা গিৰিয়েকক ক'লে —'শুনক, কি যে ধেমেলীয়া বো দেখা নাই নিজৰ মানুহৰ নিচিনাকৈ কিমান যে অভিযো সিহঁতৰ কণ্ঠস্বৰ সচাঁকৈ কিমান যে মিঠা।'

উদাৰ হৃদয়েৰে সকলো সৰু-বৰ ঘটনা চম্ভালি অসাধাৰণ শক্তি যে ৰমাৰাণীৰ আছে সেইবাবে অখিল পত্নীক মনে মনে প্ৰশংসা কৰিলে।

ৰমাৰাণীয়ে দিন হিচাপ কৰিবলৈ ধৰিলে। যিকোনো পুতেকহঁত যেনেকৈয়ে হওক আহি ওলাবহি। পুতে যেতিয়া কলেজৰ হোষ্টেলত থাকি পঢ়িছিল, কিমান লিখিছিল— 'মা' ইয়াত খোৱাৰ সু-ব্যৱস্থা আছে, ঠাণ্ডা, যিমান গৰম কাপোৰ পিন্ধিলেও পানী হৈ যায়। কাষত শুলে কিমান যে আৰাম লাগে। তোমাৰ হাত দু দিনত যিমান গৰম, গৰম দিনতো সিমান ঠাণ্ডা। তোমা দুখন সঁচাকৈ এয়াৰ কণ্ডিচনৰ মা। মা, হঠাৎ এটি বেয়া দেখিলো। পঢ়া এৰি ঘৰলৈ যাবলৈ মনটো উদৰাউল তেতিয়া দেউতাৰ খং উঠিছে। মই কিন্তু ঘৰলৈ যামেই। সুধিলে তুমি চিঠি লিখি মোক মাতি পঠিওৱা বুলি ইত্যাদি...

সঁচাসচিকৈ আহি পাব। পুতেকহঁতৰ পঢ়াত অসু বুলি ভাবি অৱশ্যে বিৰক্তওঁ হয়। কিন্তু সেই বিৰক্তি ভিত কৰে, কিমান যে স্নেহ, আত্মসন্তুষ্টি আৰু কিমান যে

ৰমাৰাণী দিন হিচাপ কৰি শেষ কৰিব পৰা নাই। পু শীত প্ৰধান দেশত থাকিলেও তাক উষ্ম স্নেহৰ লগত নহয়। সিহঁতৰ খাদ্যা ভাস পৰিৱৰ্তন হৈছে। সিহঁতে ৰান্ধনীৰ সোৱাদ পাহৰি গৈছে। মাকক লৈ সিহঁতে আ দুঃস্বপ্ন নেদেখে। যিসকলক তেওঁ যোগ্য সন্তানক তুলিলে তেওঁৰ চকুত মাত্ৰ সপোন আৰু সপোন। ৰমাৰাণী সেই চাৰিকোনীয়া ঘৰটি দিনৰাতি সজাই কেতিয়াবা সিহঁত নিশ্চয় আহিব।

সিহঁত আহিল। অমিয়কান্ত আৰু এঞ্জেলা। পাঁচ পুতেক ৰিংকু আৰু তিনি বছৰীয়া জীয়েক আনি। ৰম পুৰণি ঘৰটি সজালে। বহা কোঠাত ফুলৰ টাব ৰাখিছে

গঠাৰ দুৱাৰ খিড়ীকিত ধুনীয়া পৰ্দা আৰিছে— বিদেশিনী ক্মাৰী বোৱাৰীয়ে যাতে কোনো ধৰণৰ কষ্ট নাপায়। পুতেকে হৰিব ধৰা প্ৰিয় খাদ্যও ৰান্ধিব। স্বামী-স্ত্ৰী টেক্সি এখন ভাড়াত এৰোড্ৰমলৈ গ'ল। অস্বাভাৱিক লাগিলেও স্বামীৰ উপদেশ তে দুটি ফুলৰ থোপা ল'লে। প্ৰথম সাক্ষাতত বোৱাৰীয়েক ী কৰিব। সেইখিনি কৰিবলৈ যিমান অস্বাভাৱিক লাগিলেও াৰাণী কৰিবলৈ প্ৰস্তুত। বোৱাৰীক সন্তুষ্ট কৰা তেওঁলোকৰ তব্য। বিদেশিনী বোৱাৰীয়েকক যিকোনো কাৰণতে হওক ষ্ট দিয়াটো অন্যায়, অথচ তেওঁৰ দিনত শাহুৱেককহে সন্তুষ্ট ৰিব লাগিছিল। সকলোবাৰ সময়ৰ আহ্বান। মানুহ সময়ৰ মান যে নিৰ্বোধ আজ্ঞাবাহক। হৃদয়ৰ অনুমোদন থাকক বা থাকক, সময়ৰ হুকুম মানিবই লাগিব।

এৰোড্ৰমত অমি, এঞ্জেলা, ৰিংকু আৰু আনি অৱতৰণ ৰিলে। বোৱাৰীয়েকৰ সৌন্দৰ্যত স্বামী-স্ত্ৰী মুগ্ধ হৈ পৰিল। াৰাণী ফুচফুচাই স্বামীক ক'লে- মই কোৱা নাছিলোনে যে াৰ ল'ৰাৰ পছন্দ কেতিয়াও ভুল হ'ব নোৱাৰে। অখিল াহনে আনন্দৰে ক'লে— 'ল'ৰা-ছোৱালী দুটালৈ চোৱা, এই ৗন্দৰ্য মাত্ৰ বোৱাৰীৰ বাবেহে হৈছে। তোমাৰ খঙতকৈ তোমাৰ ৰা-ছোৱালীৰ ৰূপ কেতিয়াও পিছ্ পৰি নাথাকে। ৰমাৰাণীয়ে লে- 'ইহঁত কাৰ ল'ৰা-ছোৱালী?' মোৰ তেজ সিহঁতৰ গাত ইনে?

এজন মানুহ ডাঙৰ গাড়ী এখন ৰাস্তাৰ কাষত ৰাখি অপেক্ষা ৰি আছে। সুসজ্জিত সম্ভ্ৰান্ত গাড়ী। অখিল মোহনে ক্সিখনৰে আহিবলৈ উদগ্ৰীৱ হৈ আছিল, পুতেকে নিশ্চয় তওঁৰ এই কাৰ্যত সন্মতি জনাব।

কিন্তু এয়া কি! পুতেক বোৱাৰীয়েকে ল'ৰা-ছোৱালীহালক ৰি ডাঙৰ গাড়ীখনৰ কাষলৈহে গৈছে। এঞ্জেলাই ক'লে— তামালোকক কষ্ট নিদিবলৈ এই ব্যৱস্থা কৰিছো। চাৰিজন নুহৰ ব্যৱস্থা কৰিব, মাত্ৰ এদিনো নহয়, দুই সপ্তাহ, কষ্ট নহ'বনে। াজি কালি ইণ্ডিয়াত যিহে বস্তুৰ দাম, তোমালোকক খৰচ ৰোৱাতো আচলতে অন্যায় মা...।

অমিয়ক ইঙ্গিতেৰে চুপ হৈ থাকিবলৈ দি লাহেকৈ ক'লে- সইটো বেলেগ কথা, কিন্তু এঞ্জিৰ স্কিন ইমান ডেলিকেট যে ীত-তাপ নিয়ন্ত্ৰিত কোঠাৰ বাহিৰে গোটেই দেহতে ফোহা লাই যাব। ল'ৰা-ছোৱালী দুটাৰো একে অৱস্থাই হ'ব। গতিকে মান দিনৰ বাবে আহিছো সিমান দিন সুস্থ হৈ থাকো। নে কি কাৱা মা? বেমাৰ হ'লে ইণ্ডিয়া অহাটোৱে বৃথা হ'ব। সেইবাবে হাটেল 'মাধৱী'ত শীত তাপ নিয়ন্ত্ৰিত কোঠা এটি আগতীয়াকৈ ৱস্থা কৰিছো। ৰমাৰাণী মূৰ তুলি লাহেকৈ ক'লে — জগন্নাথৰ কৃপাত কাৰো দেহ মন অলপো বেয়া নহওক, 'ভালে ভালে হাঁহি-ধেমালি কৰি উভতি যাবাহক।'

অখিল মোহনে লাহেকৈ ক'লে, মাত্ৰ দুই সপ্তাহৰ বাবেহে আহিছ? তই দেখোন চিঠিত দুমাহৰ বাবে আহিবি বুলি লিখিছিলি?

হলেওতো আহিছো, উড়িষ্যাত দুসপ্তাহ। উড়িশ্যাত যিমান দৰ্শনীয় স্থান আছে, তাৰ বাবে দুসপ্তাহ যথেষ্ট নহয়নে? ভাৰতৰ বাকী ঠাইবোৰত এঞ্জেলা আৰু ল'ৰা-ছোৱালী দুটাক ফুৰাব লাগিব। ইণ্ডিয়াৰ বিষয়ে এঞ্জিৰ মুঠেই ভাল ধাৰণা নাই। তাইৰ ধাৰণা ভাৰতত মাত্ৰ সাধু, ভিখাৰী, সাপ, ডাইনী আৰু বন মানুহহে থাকে। তাৰ মাজেতো ল'ৰা-ছোৱালী দুটাৰ মাজত নিজৰ জন্মভূমিৰ বিষয়ে কিছু সন্তোষজনক ধাৰণা গঢ়ি তোলাতো তেনেই আৱশ্যক. যিয়েই নহওক মাটি, মা আৰু ...

অখিল মোহনে মূৰ তুলি ক'লে— মূৰ্খ, নিজ মাতৃভূমিৰ বিষয়ে সিহতৰ মনত সন্মানবোধ সৃষ্টি কৰাটো নিত্যান্তই প্ৰয়োজন। মাতৃভূমিৰ বাবে যে মাককো বলি দিব লগা হ'ব পাৰে সেই কথা আজিকালি কেইজন ল'ৰা-ছোৱালীয়ে বুজি পায়? অমিয়কান্তই এটি সন্তোষৰ হাঁহি মাৰিলে। প্ৰবীন অধ্যাপক দেউতাকৰ এই কথাটো যে মানি লৈছে ই কম কথা নহয়।

ভিন্ন বাটেৰে গাড়ী দুখন ৰাস্তা ভাঙি গৈ থাকিল। পুত্ৰ-বোৱাৰী হোটেললৈ, অখিল মোহন আৰু ৰমাৰাণী শূন্য ঘৰটিলৈ।

উৰিষ্যাত থকা দুই সপ্তাহৰ ভিতৰত পুত্ৰ আৰু বোৱাৰীয়েকক অখিল মোহন আৰু ৰমাৰাণীয়ে চাৰিবাৰ গাৰ্ডেন পাৰ্টি দিছিল, সিহঁতে বিচৰা নাছিল। তাৰোপৰি এঞ্জেলাক দেখুৱাবলৈ সিহঁতৰ ঘৰৰ ভিতৰতেই বা আছিল কি?

অমিয়কান্তই মাকৰ হাতেৰে তৈয়াৰ কৰা বস্তুবোৰ পৰম তৃপ্তিৰে খালে। খাই উঠি মাকৰ আচলেৰে মুখ মুচিলে। এঞ্জেলাই লাহেকৈ ক'লে- দিচ ইজ অনহাইজনিক, অমু। চৰি বুলি কৈ মাকৰ আচলখন এৰি দিলে। ৰমাৰাণী ভাবিলে যিহওঁক বোৱাৰীয়েকে তেওঁৰ পুতেকৰ স্বাস্থ্যৰ প্ৰতি নজৰ ৰাখিছে। তাত তেওঁ সুখহে পোৱা উচিত। টিংকু আৰু আনিক প্ৰায়ে মাকৰ ওচৰত থৈ অমিয়কান্ত আৰু এঞ্জেলা গোটেই উড়িস্যা ভ্ৰমণ কৰিলে। উভতি যোৱাৰ আগেয়ে অমিয়াকান্তই ক'লে- আপোনালোক দুজন আমাৰ তালৈ বলক। মিছাতে ইয়াত থাকি লাভ কি? ককাইদেৱেও সেই কথাই কৈছে। কিছুদিন মোৰ লগত থাকিব আৰু কিছুদিন তাৰ লগত। সেই দেশবোৰত বহুত আৰাম। গোটেই জীৱন থাকিলেও হেঁপাহ নপলায়। ৰমাৰাণী শংকিত হৈ ক'লে— ঘৰবাৰী কাক দি যাম?

ঘৰবাৰী ? অমিয়কান্তই উচ্চস্বৰে হাঁহিলে আৰু মধুৰ কণ্ঠেৰে ক'লে — মা' তুমি অন্ততঃ এবাৰ মোৰ ফ্লেট চাই অহা দৰকাৰ। তেতিয়াহে বুজি পাবা তুমি কেনেকুৱা মানুহ গঢ়ি তুলিছা। তুমি পুত্ৰৰ উন্নতি চাই নাহিবানে ?

ৰমাৰাণী সহজভাৱে উত্তৰ দিলে— প্ৰভুই তোমালোকক ভালে ৰাখক। মই দেখা বা নেদেখা কি কথা ? ওপৰৰ জনে তোমালোকক চাই থাকক। দেউতা, দেখিছা তুমি ঘৰ, গছ-বাৰী আদি কেনেকৈ চম্ভালি আছা। মানুহ নাথাকিলে এইবোৰ থাকিবনে ? নেমু গছত ফুল ফুলিছে, কলগছত কলডিল ও লাইছে, বহুত চজিনা লাগিছে। ফলৰ গছবোৰত ফুলৰ কলি ভৰি পৰিছে, এইবোৰ এৰিনো কেনেকৈ থাকিম বাৰু ?

এঞ্জেলাই স্বামীক ক'লে— ঠিক আছে অমি ! কাৰো স্বাধীনতাত হস্তক্ষেপ কৰা উচিত নহয়। তেওঁলোক 'তেওঁলোকৰ ঘৰত' থাকক। সদায় আমাৰ ঘৰত থাকিলে ভাল নালাগিব। কিন্তু তোমালোকৰ দেশত যেতিয়ালৈকে চৰকাৰে 'বাৰ্ধক্য ভাট্টা' ব্যৱস্থা নকৰে তেতিয়ালৈকে তেওঁলোকৰ বাবে অন্ততঃ প্ৰতিমাহৰ বাবে বাৰ্ধক্য ভাট্টাৰ ব্যৱস্থা কৰাটো উচিত হ'ব। তেওঁলোকে তোমাৰ বাবে বহু বছৰৰ পৰা টকা খৰচ কৰি আহিছে। জানানে মই তেৰ বছৰ বয়সৰ পৰাই নিজৰ খৰছেৰে পঢ়িছো। মোৰ বোধেৰে দেউতাৰাৰ আৰ্থিক অৱস্থা ভাল নহয়।

অমিয়ই লাজতে লাহেকৈ ক'লে — এঞ্জি ! তোমাৰ লেংগুৱেজ আমাৰ দেশত খাপ খোৱা বিধৰ নহয়। 'বাৰ্ধক্য ভাট্টা' শব্দটি ইয়াত বৰ শ্ৰুতিকটু।

অখিল মেহনে কথাটো আগবঢ়াই নিবলৈ ক'লে — ভাষাতকৈ ভাবৰ ওপৰতহে মই সদায় গুৰুত্ব দি আহিছো। বোৱাৰীৰ কথাৰ ভাবাৰ্থ মই বুজি পাইছো। তেওঁ আমাক সহায় কৰিব বিচাৰিছে। তেওঁ কি জানে যে আমাৰ দেশত বাপেক-পুতেকৰ মাজত কোনো পৰিস্থিতিতে ব্যৱসায়িক সম্পৰ্ক নচলে।

ৰমাৰাণী সজল নেত্ৰৰে অবাক হৈ সকলো কথা শুনি আছিল। তেওঁ হুমুনিয়াহ কাঢ়ি ক'লে — 'ঈশ্বৰে আমাক অভাৱত ৰখা নাই।' যেনেকৈয়ে হওক চলি আছো তোমালোক ভালে থাকা সেইটোৱে আমাৰ সুখ আৰু আনন্দ।

বিদায় লৈ উভতি যোৱাৰ আগদিনা শাহুলৈ এটি লেফাফা যাচি এঞ্জিয়ে ক'লে, ইয়াৰ চাৰ্জ মই নাজানো। চাওকচোন, ঠিকে আছেনে ?

লেফাফাটিৰ ভিতৰত নোট কেইখনমান দেখি ৰমাৰাণীয়ে ক'লে— কি কথা কৈছা ? এই টকা কিহৰ বাবে ?

এঞ্জেলাই সৰল কণ্ঠেৰে ক'লে-ল'ৰা-ছোৱালী কেইটা ইমান দিন ৰাখিলে। সেইবাবে .... বেবি চিট'ৰ চাৰ্জ।

ৰমাৰাণী নিথৰ প্ৰতিমাৰ দৰে থিয় হৈ থাকিল। তে[illegible] উত্তৰ দিব ?

অমিয়াকান্ত হঠাৎ আহি ক'লে এয়া তুমি কি কৰিছা [illegible] আমাৰ দেশত এইবোৰ নচলে। মাকক কথাটি বুজাই দি[illegible] গৈ ক'লে একো চিন্তা নকৰিবা মা, এঞ্জিয়ে কোনো বেয়া [illegible] টকা দিয়া নাই। সিহঁতৰ দেশত এয়াই নিয়ম। প্ৰত্যেকটো ক[illegible] হিচাপ নিকাচ কৰি দিব লাগে। পুতেক-জীয়েক ডাঙৰ [illegible] মাক-দেউতাকৰ সৈত ব্যৱসায়ীক সম্পৰ্ক গঢ়ি উঠে। [illegible] এইবোৰ নকৰিলে বৰং অভদ্ৰতাহে বুজায়।

ৰমাৰাণী হুমুনিয়াহ কাঢ়ি ক'লে— ঠিক আছে। আমাৰ [illegible] নিয়ম মতে নাতি-নাতিনীয়েকক কিবা হ'লেও দিব লাগে[illegible] আন একো নহয় 'মৰমৰ চিন'। ৰমাৰাণীয়ে টকাসহ লেফা[illegible] টিংকুৰ হাতত গুজি দিলে।

তেওঁলোক উভতি গ'ল। সিহঁত যোৱাৰ পিচত মাত্ৰ [illegible] কোঠা ৰাখি অখিল মোহনে গোটেই ঘৰটো ভাৰালৈ দি[illegible] তেওঁৰ এই সৰু ঘৰটিত শীত তাপ নিয়ন্ত্ৰণৰ ব্যৱস্থা [illegible] পুতেকহঁত কেতিয়াবা কৰবাৰ পৰা আহিলে, ইয়াত [illegible] নাথাকে। চহৰত বহুত অভিজাত হোটেল আছে। টুৰিষ্ট স[illegible] বাবে সুন্দৰ হোটেলৰ ব্যৱস্থা আছে। তেওঁৰ পুতেকহঁত [illegible] নহ'লেনো আৰু কি ?

ঘৰ ভাৰালৈ দিলে। ভাৰাতীয়াজন কেৰেলিয়ান ভদ্ৰ [illegible] স্বামী-স্ত্ৰী আৰু এবছৰীয়া পুতেক 'সুৰুজ' বৰ ধেমে[illegible] ৰমাৰাণীৰ ইমানে দিনে নিচুপ হৈ থকা ঘৰটি ল'ৰাটিৰ [illegible] ধেমালিও গুঞ্জৰিত হৈ উঠিল। ৰমাৰাণীয়ে সুৰুজৰ ভি[illegible] অভি, অমি আৰু প্ৰিয়াংকুক দেখিবলৈ পালে। সুৰুজৰ [illegible] দুষ্টামি সকলোবোৰ যেন পুতেকহঁতৰ অবিকল প্ৰতিবিম্ব। সু[illegible] মাকে বেতনভোগী পৰিচাৰিকা এজনী বিচাৰিলে। তেওঁ [illegible] সন্তান সম্ভৱা। স্বামী-স্ত্ৰীৰ পাশ্চাত্য নিয়ম। কথাবৰ্তা, ব্য[illegible] আদৰ-কায়দা সকলো চমৎকাৰ। কিন্তু উৰিশ্যাত বেতন[illegible] পৰিচাৰিকা পাবলৈ টান। দুমাহৰ ভিতৰত তিনিজনী পৰিচা[illegible] নিযুক্তি দিলে যদিও সিহঁতক অনুপযুক্ত বুলি ভাবি মিচেছ ভা[illegible] বৰ্খাস্ত কৰিলে। তেওঁ আৰু নোৱাৰে। প্ৰসৱৰ সময় সমা[illegible] মনপচন্দৰ পৰিচালিকা পাবলৈ কঠিন হৈ পৰিছে। সুৰুজৰ [illegible] নিয়মমতে এজন ৰখীয়া থাকিব লাগে।

ৰমাৰাণীয়ে সুৰুযক আদৰি ল'লে। মিচেছ ভাৰ্গিছক [illegible] দিলে। চোৱা বৈজয়ন্তী, তুমি মোৰ জী বয়সৰ। সুৰুজ [illegible] নাতি। তাৰ প্ৰতি চিন্তা কিহৰ ? তুমি যেতিয়ালৈকে [illegible] পৰিচাৰিকাজনী নোপোৱা তেতিয়ালৈ তাৰ দায়িত্ব মোৰ [illegible]

স্পিতালত থাকিলে সি মোৰ লগত থাকিব। একো অসুবিধা য়। মোকতকৈ আৰু ভাল পৰিচাৰিকা নাপাবা। বুজিলানে। নিটাকৈ ল'ৰা-ছোৱালী মই মানুহ হিচাপে গঢ়ি তুলিছো। টাইকেইজন বিদেশত প্ৰতিষ্ঠিত নাগৰিক। মোৰ দেহত বেমাৰ ছে নেকি? ৰমাৰাণী তৃপ্তি সুলভ হাঁহি মাৰিলে।

মিচেছ্ ভাৰ্গিছে কৃতজ্ঞতা জনালে। ধন্যবাদ আন্টি। মই তিয়া নিশ্চিত কিন্তু এই বদমাচটোৱে আপোনাক হাৰাশান্তি ৰিব। মই অতি সোনকালে পৰিচাৰিকা এজনী বিচাৰি আনিম। কলো সংবাদ পত্ৰতে বিজ্ঞাপন দিছো। ৰমাৰাণী মূৰ জোকাৰি ল বাৰু বুলি ক'লে। তুমি নিশ্চিন্তভাৱে আৰাম কৰা। এই য়ত মানসিক দুচিন্তা, অস্থিৰতা আৰু উদ্বেগ মুঠেই ভাল নহয়। ই আছো নহয়, চিন্তা কিহৰ? সঁচাকৈয়ে মিচেছ ভাৰ্গিছে আৰু ন্তা নকৰিলে। ৰমাৰাণী আৰু অখিল মোহনৰ নিস্তেজ দিনবোৰ যৰ হাঁহি-ধেমালীত পুনৰ প্ৰাণ পালে। সুৰযৰ মৌ-মিঠা তেৰে ৰমৰাণীৰ ৰাতিপুৱা আৰম্ভ হয়। মিচেছ্ ভাৰ্গিছে ৰাতি লে ৰমাৰাণীৰ উষ্ম স্নেহৰ পৰা অতি সাৱধানেৰে সুৰজক জৰ কোঠালৈ লৈ যায়। ৰমাৰাণীয়ে পাহৰি গৈছে যে সুৰুজ জন বিশেষ অতিথি, সি যিকোনো সময়ত তেওঁক নিংসগ বনৰ যন্ত্ৰণাত পেলাই থৈ গুছি যাব। কোম্পানী অফিচত ছে ভাৰ্গিছ আৰু কেইবছৰ থাকিব?

সুৰয-সুৰয-সুৰয। এই পৃথিৱী যেন সুৰজময় হৈ পৰিছে। জৰ হাঁহি সূৰ্যত কৈয়ো বেছি উজ্জ্বল-সুন্দৰ-পবিত্ৰ। এই থিৱীৰ সকলো ৰঙৰ ওপৰত সুৰয, সি যেন নিষ্পাপ এপাহি ল. সুৰজৰ ভিতৰত অভি, অমি আৰু প্ৰিয়াংকুৰ অতীতক এটি সপোনৰ ভিতৰত সোমাই পৰিছিল ৰমাৰাণী।

বৈজয়ন্তী হাস্পতাললৈ গ'ল। পোন্ধৰ দিনৰ পিছত জাতক কোলাত লৈ হাঁহি হাঁহি উভতি আহিল। সুৰজে কেইদিনৰ ভিতৰত এবাৰো মাকক বিচৰা নাই। ৰমাৰাণীয়ে যক কাষত থিয় কৰালে। গৌৰৱেৰে ক'লে চোৱা 'বৈজু' মাৰ সুৰয ঠিকে আছেনে?

মিচেছ ভাৰ্গিছে সুৰজক কোলাত ল'বলৈ হাত আগবঢ়াই লে। কিন্তু এয়া কি? সুৰযে নহ'ব নহ'ব বুলি মুৰহলিয়াই াৰাণীক দুই হাতেৰে সাৱটি ধৰিলে।

ৰমাৰাণী ওঠ চেপি ধৰি হাঁহিলে। প্ৰশ্ন কৰিলে বুজিলানে জ কাৰ ল'ৰা? সুৰজ মোৰ ল'ৰা-মোৰ নাতি, সুৰয মোৰ ভি, অমি, প্ৰিয়া, টিংকু, আনি... পৰম আনন্দত ৰমাৰাণীৰ চলচলীয়া হৈ উঠিল।

মিচেছ ভাৰ্গিছে কৃত্ৰিম খং দেখুৱাই ক'লে— ল'ৰাজন মান বদমাচ, কেইদিনমানৰ ভিতৰতে মাকক পাহৰি গৈছে।

ৰমাৰাণী মধুৰ কণ্ঠেৰে ক'লে— শিশুসকলেহে মাত্ৰ স্নেহ মমতাৰ উচিত মূল্য দিব পাৰে। লাভ-লোকচান, পোৱা-হেৰোৱা ব্যৱসায়িক হিচাপৰ পৰা সিহঁত বহু দূৰৈত...

পাঁচ তাৰিখে ঘৰ ভাৰাৰ চেকখন বগা খামত ভৰাই মিচেছ ভাৰ্গিছে ৰমাৰাণীক আগবঢ়াই দিলে। চেকখনৰ লগত এশ টকীয়া নোট এখনো। ৰমাৰাণী নোটখন উলিয়াই লৈ ক'লে— চোৱা বৈজু, তুমি কি পাগলী হৈছা? চেকৰ লগত আকৌ এই টকা। কথা কি? মিচেছ ভাৰ্গিছে ব্যৱসায়ীক সুৰত ক'লে— চাওক আপোনাৰ পাৰিশ্ৰমিক ইয়াতকৈ বহু বেছি। কিন্তু মোৰ শক্তি যিমান...।

পাৰিশ্ৰমিক? ৰমাৰাণী আচৰিত হৈ প্ৰশ্ন কৰিলে। মিচেছ ভাৰ্গিছে শীতল কণ্ঠেৰে ক'লে হয় আন্টি! আপোনাৰ দুমাহৰ বেবি চিটৰ চাৰ্জ। আজিকালি আপোনাৰ নিচিনা সাংসাৰিক সমস্যা নোহোৱা তিৰোতাবোৰে ঘৰে ঘৰে বেবি চিট খুলি লৈছে। আপুনি যদি আৰু দুই চাৰিটা শিশু চোৱাচিটা কৰে তেন্তে আপোনাৰ আয় আৰু ভাল হ'ব। মোৰ মুখত প্ৰশংসা শুনি মোৰ অনেক আত্মীয়ই আপোনাৰ ওচৰত সিহঁতৰ শিশুবোৰো ৰাখিব বিচাৰিছে। সেই কাৰণে আমাৰো অলপ কম ল'ব লাগিব। আপোনাৰ সময়ৰো সদ্ ব্যৱহাৰ হ'ব। ঠিকে কৈছে— বিনামূল্যত আনৰ শিশুৰ লগত সময় আৰু শক্তি কিয় নষ্ট কৰিব? ৰমাৰাণী হতভম্ভ হৈ ভাবিলে- মাতৃ হৃদয়ত বাৎসল্য প্ৰেমৰ ধাৰা আপোনা-আপুনি বয়। তাত পৰিশ্ৰমৰ কথা নাই। মৰম দিলে শক্তি ক্ষয় নহয়, বৰং শক্তি সঞ্চয়হে হয়। আজি কালি বস্তুবাদী মানুহৰ ক্ষেত্ৰত এইবোৰ কথা মূল্যহীন।

ইমান ডাঙৰ কথাটো ৰমাৰাণীয়ে কোনোমতে চম্ভালি ল'লে। টকাখিনি ওভতাই দি শীতল কণ্ঠেৰে ক'লে মিচেছ ভাৰ্গিছ মোৰ পাৰিশ্ৰমিক মাত্ৰ ইমানখিনি? ইয়াৰ বাহিৰে আন একো নিদিয়ে। ইমান কম টকা দি আপুনি বজাৰত মোৰ দাম কমাই দিছে। মই ইয়াতকৈ বহুত বেছি আশা কৰিছিলো। মোক আশানুৰূপ দিব নোৱাৰিলে সুৰজকো মোৰ কাষলৈ নপঠাব। ৰমাৰাণীৰ কণ্ঠ ৰুদ্ধ হৈ পৰিল।

মিচেছ ভাৰ্গিছ এশ টকীয়া নোটখন লৈ উভতি গ'ল। ডাঙৰকৈ শব্দ কৰি দুৱাৰখন জপাই ৰমাৰাণী বিচনাত বাগৰি পৰিল। তেওঁ কিহৰ বাবে সুৰুজৰ লগত ইমান শক্তি ক্ষয় কৰিছে? নহ'লেনো তেওঁ হঠাৎ ইমান ক্লান্ত হৈ পৰিছে কিয়?

তাৰ পাছ দিনাখন মিচেছ ভাৰ্গিছে ঘৰৰ মালিকৰ পৰা ঘৰ এৰি দিয়াৰ বাবে এখন জাননী পালে।

মিচেছ ভাৰ্গিছে অইন মানুহবোৰক ক'বলৈ ধৰিলে— বুঢ়ীয়ে আৰু কিমান বেছি পাৰিশ্ৰমিক আশা কৰিছিল? লাখ টকা?

কোৱা হ'লে মই আৰু দহকুৰি টকা বেছিকৈ নিদিলোহেঁতেননে? ইমান টকা কি কৰিব? এই কৃপন স্বভাৱৰ বাবে সন্তানবোৰ আৰু কেতিয়াও নাহে... সোধপোচ নকৰে। আহিলেও ঘৰত থকাতকৈ হোটেলতে থাকিব...

ৰমাৰাণীয়ে ভাবিছিল— মোৰ স্নেহৰ মূল্য লাখ টকাতকৈ বহু বেছি, তাৰ পৰিমাণ তেওঁলোকৰ হিচাপি মনৰ সূতকছা সূত্ৰৰে হিচাব কৰি শেষ কৰিব নোৱাৰে...

সুৰয ঘৰ এৰি যোৱা দিনাখন কামৰ অজুহাতত ৰামাৰাণী আনফালে গুলাই গৈছিল।

পিছদিনাখন 'ঘৰ ভাৰা লাগিব' শীৰ্ষক বিজ্ঞাপন সংবাদ পত্ৰ সমূহত প্ৰকাশ পালে। অন্যান্য বিৱৰণীসহ অখিলমোহনে জনাইছিল— 'প্ৰকাশ থাকে যে ল'ৰা-ছোৱালী (সন্তান) থাকিলে তেওঁক ঘৰ ভাৰালৈ দিয়া নহ'ব।' অখিলমোহনে জানিছিল আজন্ম অতি কষ্ট কৰি আনৰ সন্তানবোৰ হিচাপ বিহীনভাৱে ৰমাৰাণীয়ে স্নেহ কৰিব অথচ উচিত মূল্য নাপাব। ফলত তাই বাৰে বাৰে আঘাত পাই ভাঙি পৰিব?

বিজ্ঞাপন পঢ়ি তেওঁক চিনি পোৱা মানুহবোৰে ক ধৰিলে— বুঢ়া ইমান নীচ মনৰ যে তেওঁ আনৰ ল'ৰা-ছো দেখিবকে নোৱাৰে। সেই কাৰণে নিজৰ পুতেক বোৱাৰী ইমান বছৰৰ পিছত অহাৰ পিছতো নিজৰ ঘৰ থাকি হোটেলতে কটালে। বিজ্ঞাপনৰ পৰা সেই কথাই জনা না বাৰু?

ৰমাৰাণীৰ স্মৃতিপটত মৃদু গুঞ্জনসহ কিমানবোৰ নিত্যান্ত অসংলগ্ন ভাৱত ভাহি আহিব ধৰিলে পাৰিশ্ৰমিক চিটৰ চাৰ্জ, লাভ লোকচান, হিচাপ-নিকাচ বাৰ্ধক্য ইত্যাদি...।

তেওঁৰ মাতৃ হৃদয়ৰ সহজ-সৰল অভিধানত কিন্তু এই শব্দবোৰৰ লেখমাত্ৰও গোন্ধ নাছিল। সেইবাবে তেওঁৰ এইবোৰ শব্দ একেবাৰে অৰ্থহীন, পিচত আনে যিন্ত্ৰে লাগিলে।

**মূল গ্ৰন্থ ঃ হাত বাক্চ (উৰিয়া সা**

**লেখিকা ঃ ড° প্ৰতিভ**

# উপহাৰ

মির্জা গালিব
প্ৰথম যান্মাষিক

নাই! তাৰ মুঠেও ভাল লগা নাই। পানী এগিলাচ খালে থাপিও তাৰ মনত শান্তি যেন ঘূৰি অহা নাই। মনত যেন এক ষাদৰ, লাজৰ প্ৰৱল ধুমুহা বৈছে। শান্ত হোৱাৰ নামেই লোৱা াই। সময়খিনিও তাৰ বাবে এক কাল হৈ পৰিল। নিচ্ছাস্বত্বেও অবিনাশে বিচনাতে এবাগৰ দিলে।

অবিনাশ— নামৰ যেন সম্পূৰ্ণ বিপৰীত হৈ যাব ধৰিছে কইদিনমানৰ পৰা। নিজৰ মাজতে যেন সি হেৰাই যাব ধৰিছে। াগতে তেনেকুৱা নাছিল। সি এজন সহজ-সৰল ল'ৰা। ৰলীয়া ল'ৰা। পঢ়াতো চোকা।

হাইস্কুল পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত সি এখন কলেজত াম লগাইছিলহে মাথোন। তিনি মাহমান সুকলমে পাৰ হৈ গছিল। হঠাৎ তাৰ জীৱনলৈ অপৰূপা নামৰ এজাক ধুমুহা সামাই আহিল, যাক সি কোনো কালে পাহৰিব পৰা নাই।

সি বিচনাৰ পৰা উঠিল। সময় আবেলি। হয়তো সন্ধিয়া হোৱাৰ লগে লগেই হৰেণ, ছান্দামহঁত আহি আড্ডাত বহিব। নেকুৱা আড্ডাতে সি কলেজলৈ অহা নতুন ছোৱালীবোৰৰ াম-গোন্ধৰে আমোলমোলাই থকাৰ মাজতে সি অপৰূপাৰ ামটিৰ লগত পৰিচয় হৈছিল। নাই তাৰ কলৈকো যাব মন াই।

'মা অলপ চাহ বনাচোন'— কাযতে আলনাৰ কাপোৰ ঠিক ৰি থকা সৰুকৈ মাতযাৰ দি সি ঘৰৰ বাহিৰত ওলাল। বাহিৰত লাই দেখে কিছু আন্ধাৰ হৈছে। তেতিয়া দূৰবিৰনসমূহে য়ৰবোৰক চুমা দিয়াৰ সময়। পশ্চিমলৈ চালে। অস্তগামী ূৰ্যৰ কিৰণে সিহঁতৰ বাৰীৰ কদমকেইডালত যেন কাইলৈ লপ পোহৰ সাঁচি ৰাখিব বিচাৰিছিল। অৱশেষত বেলিটোও পাৰে মাৰ গ'ল।

পূব ফালৰ এজাক মৃদু বতাহ বলিল। চোতালতে একাষে কা বকুলৰ পুলিটো লৰচৰ কৰি উঠিল আৰু ওচৰতে থকা বিনাশৰ গাত নিয়ৰ কেইটোপালমান ছটিয়াই দিলে।

নিয়ৰৰ শীতল পৰশ পাইহে যেন তাৰ সংজ্ঞা ঘূৰি আহিল। বুকুৰ ওপৰত হাত দুখন থৈ তাৰ মনৰ ভাৱাবেগবোৰ হুমনিয়াৰ মাজেৰে উলিয়াই দিব বিচাৰিলে।

চোতালতে থকা গেৰুৱা ৰঙৰ বেঞ্চখনত বহিল। নিয়ৰত বেঞ্চখন ক্ৰমাৎ তিতি আহিছিল। ইফালে-সিফালে চাই চাই দুই-এটা পল পাৰ হোৱাত তাৰ মনত পৰিল যোৱাকালি ঘটি যোৱা ঘটনাটিৰ কথাষাৰ—

'নাভাবিবাও তোমাৰ দৰে ল'ৰা এটাক...'

(২)

পৰহি বুধবাৰ আছিল। ধৰ্মৰ পাণ দোকানত বহা আড্ডাত মাকে যতনাই দিয়া চাহ-মিঠাই খাই যাবলৈ সাজু হৈ আছিল। হৰেণ-ছান্দাম অহা সময়খিনি জোখ-মাখ কৰি সি মূৰৰ চুলিবোৰ ফনিয়াই আছিল। মাখন ৰঙৰ ছাৰ্টটো তেতিয়া বুটামকেইটা নমৰাৰ বাবে তাৰ বহল বুকুত বতাহৰ লগে নাচিছিল।

হৰেন-ছান্দাম-অবিনাশৰ ল'ৰালিৰে বন্ধু। সিহঁতৰ চকৰ পৰা দুই-ডেৰা কিঃ মিঃ মান দক্ষিণে গ'লেই হৰেন আৰু ছান্দামৰ ঘৰ। হৰেন আহি ছান্দামৰ ঘৰত, তাৰ পিছত দুয়ো মিলি অবিনাশৰ ঘৰত তাৰ পিছত তিনিও ধৰ্মৰ পাণ দোকানত যায়। ধৰ্ম সিহঁতকৈ ডাঙৰ হ'ব যদিও বন্ধুৰ নিচিনা। আনসকলৰ ৰমেশ, ভোলা ওৰফে প্ৰণৱ ৰবিহঁত আহে। মুঠতে ন-দহ জন চেঙেলীয়া ল'ৰাৰ কিশোৰীয়া আড্ডা বহে কিছু সময়ৰ বাবে। সিদিনাও ব্যতিক্ৰম হোৱা নাছিল।

হৰেন আৰু ছান্দাম আহি অবিনাশহঁতৰ ঘৰ আৰু তাৰ পিছত তিনিও গৈ ধৰ্মৰ পাণ দোকান পালে। গৈ হাহাহাকৰ লাগিল। পাণ কোনে খুৱাব। হৰেন নে ছান্দামে। দুয়ো ফেপেৰি পাতি এখন বাকযুদ্ধত লিপ্ত হ'ল। তুমুল যুদ্ধত লিপ্ত হ'ব বুলি ভাবি অৱশেষত অবিনাশে পাণ খুৱাব বুলি ক'লে।

'ধৰ্ম দোস্ত, পাণ তিনিটা বনা'— অবিনাশে অৰ্ডাৰ দিলে। আনফালৰ পৰা অহা ৰমেশ-ভোলাহঁত আড্ডাত অহাৰ

সম্মানটো ৰমেশেই ৰক্ষা কৰিলে। ৰমেশক দেখি অবিনাশে আকৌ আৰু এটা পাণৰ অৰ্ডাৰ দিলে।

ইফালে হৰেন আৰু ছাদ্দাম হতবাক। চাৰিটা পাণৰ অৰ্ডাৰ। তাকো কোনোদিনে নুখুৱা ল'ৰাজনে। সি খুৱায় যদি কিবা প্লেন থাকে বা প্লেনত Success হয়। নিশ্চয় দাল মে কুছ কালা হ্যায়। হৰেন আৰু ছাদ্দামে মনে মনে কথাটি আদান-প্ৰদান কৰিলে। ভাবিলে খাই লও তাৰ পিছত সুধিম। আঁকোৰগোজটোৰ অলপ কিবা খং উঠিব আকৌ নুখুৱাব।

ৰমেশ আহি নিচেই ওচৰ পালে। হৰেনে তাক দেখি 'Son of Sorder' চিনেমাখনৰ ডায়লগ এটা ওলোটাকৈ কৈ দিলে।

অবিনাশৰ আকৌ স্বভাৱ, 'কি বাপা ভালে আছা বুলি কোৱাৰ।

ছাদ্দামৰ তেনে কোনো Reaction নাই।

ৰমেশ আহি দোকানৰ বাৰাণ্ডাতে থিয় হ'ল।

হৰেন আৰু ছাদ্দামে সিহঁতৰ সন্দেহীয়া মেলখন তেতিয়ালৈকে সামৰি উঠিছিল।

অবিনাশ ঃ কি বাপা ভালে আছা?

ৰমেশ ঃ অ ছাৰ আছো, আপোনাৰ?

হৰেনৰ মনত থকা-সন্দেহখিনিত যেন অবিনাশৰ কথাখিনিয়ে একোব বজাই থৈ গ'ল। সি ইমান '...... বিহেভ' কিয় কৰিছে আজি? তথাপি তাৰ অভিনয়ৰ ব্যতিক্ৰম হ'ব বুলি ভাবি ৰমেশক মাত লগালে।

'অই পাৰজী কভী ত' ৰ' ভী লিয়া কৰ য়াৰ'।

'হ'ব দে তোৰ ভনীয়েৰৰ বিয়াত কান্দিম।

কেইটামান পল হাঁহিৰে মুখৰিত হৈ থাকিল। এইটো সিহঁতৰ নিত্য কাৰ্যসূচী। এনেদৰে হাঁহি হাঁহি সিহঁত কাষৰে দীৰ্ঘল বাঁহৰ চাংখনত বহে। সিদিনাও তাৰ ব্যতিক্ৰম নহ'ল। ৰমেশ-হৰেণ, ছাদ্দামে চাঙত বহিল। ধৰ্মই মাত লগালে—

অবি পাণ ল'

অ' — দোস্ত আজি এটা বাকী হ'ব ৰে'

বিশ টকা উলিয়াই ক'লে।

হ'ব দে— ধৰ্মই সহজভাৱে উত্তৰ দিলে।

অবিনাশে সিহঁতৰ আড্ডাৰ প্ৰসাদ বিলাই দিলে। আৰু বহিল সিহঁতৰ লগত। হৰেণে তাক সুধিম সুধিম বুলি ভাবি থকা কথাটো অৱশেষত সুধি পেলালে।

অবি, তোক আজি অলপ change পাইছো, why?

যেনে— অবিনাশৰ উত্তৰ।

যেনে মানে চা তই এনেহ'লে পাণ আমাক খুৱাব ক'ব, কিন্তু আজি তই খুৱালি প্লাছ মই আগেয়ে ৰমেশক আজি তই মাত দিলি কিন্তু ... কি কেচ কচোন অলপ।

ছাদ্দামও তাৰ নামটো তল পৰি যাব বুলি মাত লগা

আৰেৰে পূৰা পইন্টত ধৰিছ মইও কথাটো notice নকৰা

ৰমেশেও তাক জোৰ কৰিলে—

দে কনা ভাই

সকলোৱে জোৰ কৰাত সি অৱশেষত মান্তি হ'ল।

শুন ভাই বহুত দিন ধৰি প্লেন কৰা এটা Secret Miss কালি complete কৰিম বুলি ভাবিছো।

পইন্টত আনা য়াৰ— ছাদ্দামে ক'লে।

Ok শুন।

অবিনাশে আৰম্ভ কৰিলে। কিছু সময় ধৰি চোবাই থকা পিকখিনি পেলাই লৈ সি ক'বলৈ ধৰিলে—

কোন দিনা বা হ'ল— মই ক্লাছ ৰুমত। তইঁত কাকো নাই তেতিয়া। ইমান ল'ৰা-ছোৱালী ক'ত দেখিম— যান তাই সন্মুখৰ বেঞ্চত বহিছিল ছেকেণ্ডত। চুলিকোচা বেনু গুঠি আহিছিল। তেতিয়া এডমিশ্যন লোৱাৰ দুমাহ হৈছিল। তাইক মই মাজে মাজে চাও। তাইয়ো চাই। মই গুৰুত্ব দিয়া নাছিলো। কাৰণ তাই ধনী ঘৰৰ ছোৱালী মই মধ্যবিত্ত। মোক নো কিয় পাট্টা দিব। এইবুলি মই উৰুৱাই

মুখ-ভৰিপৰাত পানৰ পিকখিনি উলিয়াই সি আকৌ কৰিলে—

তাৰ পাছত গ'ল এ নেকৈয়ে কেইদিনমান, আছে চা হ'ল কোনোবা এদিন মই education ৰ দুটামান প্ৰশ্ন আছিলো। হঠাৎ তাইৰ কথা মনত পৰি গ'ল, তাইৰ হাঁহি আহি মোক জুমুৰি ধৰিলে। ওৰে ৰাতি বিশ্বাস কৰ- বি যাওঁ কেৱল তাই-উঠোতেও বহোতেও, খাওতেও আন কৰিব যাওঁতেও ...........।

সকলোৱে হাঁহিলে। ছাদ্দামে উঠি গৈ পানীৰ বটলটো চিপচ দুই পেকেট লৈ আহিল। সকলোৱে পান পেলাই কুলি কৰিলে। তাৰ পাছত আকৌ সন্ধ্যা ভোজনৰ অংশ দুটুকুৰামান মুখত ভৰালে। হৰেনে লিংটো লগাই এইবোৰত তাৰ বৰ interest।

ইমকে বাদ।

তাৰ পিছত অ'— অবিনাশে আকৌ আৰম্ভ কৰিলে

তাৰ পিছত মই, অংগুমান, অংগুমান যে আছে তাক কথাটি যে 1st বেঞ্চৰ 2nd ত বহা ছোৱালীজনী মোৰ এনেকুৱা তেনেকুৱা।

তাৰ পিছত সি ক'লে—

'অ' তাইৰ নাম অপৰূপা কটকী। ধনী ঘৰৰ ছোৱালী

ই স্কুটি লৈ আহে। সহজে কাকো পাত্তা নিদিয়ে। ঘৰ আমাৰ ফালে যদিও ইমান 'এলকা' নাই। ৰমেশৰো ওচৰ হয়। মুছলিম বাটো এৰিয়ে তাইৰ ঘৰ। হ'ব দিয়া লাগি থকা পিছত এদিন ই ক'ম সিদিনা তুলি Love Letter এখন লিখি দিবা। বাছ াম শেষ।

So, কালি সি মোক এখন Love Letter দিব কৈছে আৰু ই দিম- কাহিনী এয়াই.

অঅঅঅআহ...। সকলোৱে একেলগে ক'লে।

Best of Luck অবিনাশ বৰঠাকুৰ।

আমিও অলপ Company দিম নেকি ৰমেশে ক'লে।

OK দিবি দিলেতো লোচ নাই, দে এতিয়া এৰা এৰি হওঁ' অবিনাশে ক'লে।

অ' যাবি তেন্তে — ৰমেশে বিদায় লৈ ঘৰলৈ বুলি খোজ লে।

অবিনাশহঁতো আহিল।

(৩)

plan মোতাবিক সকলো ঠিক সময়তে কলেজত উপস্থিত ছিল। অংশুমানো অবিনাশৰ লগতে আছিল। সিহঁত অৰ্থাৎ ৰনহঁতো। অবিনাশে সুবিধা বুজি অপৰূপাক আগবেলই ঠিখন অংশুমানৰ হতুৱাই চিঠিখন দিছিল আৰু অপৰূপাই ানচাটেই গ্ৰহণ কৰিছিল।

কিন্তু অংশুমানে যেতিয়া কলেজ ছুটি হোৱাৰ সময়ত পৰূপাই তাক লগ ধৰিবলৈ কোৱা বুলি ক'লে তেতিয়া সি চৰিত হ'ল, ভয়ত ম্লান গ'ল। কিবা কয় এই ভাবি।

কোৱা মতে, অপৰূপাই তাক লগ ধৰিলে. তেতিয়া শুমান, ৰমেশ হৰেণ, ছাদ্দাম তাৰ লগত companion াপে। ওচৰে-পাজৰে চাৰি পাঁচজনমান ল'ৰা-ছোৱালী ছিল। তাই উপস্থিত হৈয়ে সকলোৰে আগত অবিক গালি ৰিছিল। 'তুমি পাগল হৈছা নেকি, নাভাবিবাও তোমাৰ দৰে া এটাক ভাল পাম। কি .......... আছে তোমাৰ হা। আদি ানটা— 'ইমান বৰিং বস্তু চিঠিবোৰ মই নপঢ়িলোৱেই আৰু তিয়াও মোক অসুবিধা নকৰিবা।

(৪)

ইতিমধ্যে সি বহি থকা বেঞ্চখন নিয়ৰৰ পৰশত সম্পূৰ্ণৰূপে ত গৈছিল। পূৰ্ণিমাৰ জোনাকত গছবিলাকৰ পৰা সৰি পৰা ৰৰ টোপালবোৰ সি স্পষ্ট ৰূপত দেখা পাইছিল। ঠাণ্ডাও গৈছিল। কিন্তু তাৰ আদি ............... নাই সেইবোৰলৈ।

অবি, নিয়ৰত কিয় বহি আছা? যা ঘৰত বহগৈ। চাহ এয়া, ৰলৈ নোযোবা নেকি? — মাকে চাহ লৈ আহি তাক নিয়ৰত বহি থকা দেখি ক'লে।

যাব মন যোৱা নাই অ' মা।

তেনেতে ঘৰত সোমোৱা পদূলিৰ শলিকেইডাৰ গুচোৱাৰ মাত শুনি অবিনাসে পদূলিলৈ মূৰ দাঙি চালে। দেখিলে ৰমেশ আহিছে, একেবাৰে ফোঁপাই-জোপাই।

ৰমেশে অহা দেখি মাকে মাত লগালে—

কৰ পৰা আহিলা ৰমেশ, একেবাৰে ফোপাই-জোপাই দেখোন।

এ আহিলো দিয়ক আপোনাৰে খবৰ ল'ব। ভালে আছেনে খুৰী।

কথাষাৰ কোৱাৰ শেষ নৌহওঁতেই মাকে ৰমেশলৈ চাহ আনিলে।

আছো দিয়া ঈশ্বৰৰ কৃপাত, তোমালোক বহা। মই ভাত বনাও। ভাত খাই যাবা দিয়া আজি আমাৰ ইয়াত।

নালাগে নালাগে খুৰী। ইহঁত কোনো যোৱা নাই কাৰণে মইয়ে আহিলো ঘৰলৈ।

কথাষাৰ শেষ হওঁতে মোক ভাত বনোৱা বাচনখিনি ধুবলৈ দমকলৰ পাৰ পাইছিল।

ৰমেশেই আজি অবিনাশৰ dialogue টো দিলে

কি বাপা ভালে আছা?

উস আছো দে, কি কেচ?

অংশুমান আহিছিল মোৰ ঘৰলৈ । তাক বোলে চিঠিখন অপৰূপাই দিব দিছিল। সি আনি মোক দিলে। মই আহি তোক দিলো। চিঠিখন পঢ়াই হোৱা নাই বাপ!!!

ৰমেশে চাহৰ কাপত এসোহা দি ক'লে।

কি আৰু হ'ব মোৰখনকে ঘূৰাই দিছো চাগৈ আৰু তহঁতেটো মোক ঠগাব বিচৰা নাইতো?

আৰে চাচোন তথাপিও মা-কচম সেইবিলাক নহয়।

চিঠিখনত লিখা আছিল—

Dear,

Abinash

I am so sorry. তোমাৰ লগত কৰা সিদিনা behave ৰ কাৰণে। মই সেই কথাখিনি তোমাক এইকাৰণে ক'ব লগা হৈছিল কাৰণ কাযত মোৰ দাদাৰ Girlfriend জনী আছিল। তাই দাদাক কৈ দিব। দাদাই আহি ঘৰত কৈ দিব। তাৰ পাছত মাৰিব পাৰে trust me। দাদাও সিমান ভাল নহয় কাজিয়া কৰো কৰোকৈ থাকে। So, তোমাক সি কৰিব পাৰে বুলি তোমাক যেনেকে ক'লো। ভুল নুবুজা যেন। তোমাৰ সেই চকুযুৰিৰ আগত কোনোবাদিনাই মই হাৰ মানিছিলো। Ok bye Dear.

Love You. কালি লগ পাম।

ইতি

তোমাৰ অপৰূপা

চিঠিখন পঢ়ি তাৰ কিমান যে আনন্দ লাগিল। তাৰ চকুৰ কোনাৰে অলপ কান্দোন নিঃসগৰিত হ'ল। আনন্দতে ঠাইতেই কেইপাকমান নাচি দিলে।

ৰমেশে ইতিমধ্যে গম পাইছিল কথাবোৰ কাৰণ চিঠিখন পঢ়িছিল সি।

অবিনাশ বৰঠাকুৰৰ- ৰমেশে মাত লগালে।

অ'— সি বাহিৰলৈ ওলাই আহিল।

য়াৰ I am so excited তাই yes দিছে বে।

মই জানো Because মই পঢ়িছো। ৰমেশে ক'লে।

ব'ল তাইক কিবা এটা উপহাৰ দিব লাগিব। ব'ল চকত যাও.

—অবিয়ে ৰমেশক লগ ধৰিলে চকলৈ।

বিচনাৰ তলৰ পৰা তিনিশমান টকা লৈ সি মাকক মাতযাৰ দি ওলাই আহিল। প্ৰথম ধৰ্মৰ দোকান। ধৰ্মৰ দোকানত ৰমেশ আৰু অবিনাশ বহিল। অবিনাশে চাৰিটা পাণৰ অৰ্ডাৰ। কাৰণ সি জানিছিল হৰেণ আৰু ছাদ্দাম ক্ষন্তেক সময়তে

কিছু সময় পিচতে দুয়ো চাইকেল লৈ ওলাল কৰবা খুটুং-খাটাংকৈ। সকলোৱে Good news টো পোৱা বল্লে বল্লে ডান্স হৈ গ'ল।

পাণ খাই সিহঁত চকলৈ গ'ল। বিচাৰি বিচাৰি এটা লগা হাতঘড়ী আৰু এটা লাইটজ্বলা 'তাজমহল' ল'লে। কম হোৱা বাবে ৰমেশে অলপ যোগ দিছিল।

চকৰ পৰা আহি সিহঁত আকৌ ধৰ্মৰ দোকানত বহি সৰুকৈ পাণৰ পাৰ্টি এটা খাই ঘৰলৈ গ'ল।

অবিনাশো আহিল। মাকে যতনাই দিয়া ভাতকেই একেকোৱে বিচনাত উঠি বাগৰ দিলে।

বিচনাত বাগৰ দি সি ভাবিবলৈ ধৰিলে সেই মিঠা কথা যিখিনি সময়ত সি নিজ হাতেৰে তাইৰ হাত ঘড়ীটো আৰু ক'ব—

এই চোৱা, কালি তোমাৰ নামত
তাজমহলে কিনি পেলালো।

# কালৰ বিপৰ্যয়

বন্দনা কাকতি
প্ৰাক্তন ছাত্ৰী



শৰতৰ সন্ধ্যা। পদূলিমুখৰ শেৱালি জোপাৰ তলত কেইবাপাহো শেৱালি ফুল পৰি আছে। ৰিয়াই তাৰে এপাহ আলফুলকৈ তুলি লৈ নিয়ৰৰ টোপালকেইটা জোকাৰি দিলে। অশ্ৰুসিক্ত নয়নেৰে ৰিয়াই শেৱালি জোপাৰ তলৰ পৰাই আকাশলৈ চাই পঠিয়ালে। ঢিমিক-ঢামাককৈ জ্বলি উঠা জোনাকি পৰুৱাৰ পোহৰ গোটেই পৃথিৱীখনত বিজুলীৰ দৰে বিয়পি পৰিল। কিন্তু ৰিয়াৰ চৌপাশ এতিয়াও যেন গভীৰ অন্ধকাৰে আবৰি আছে।

কিন্তু আজি দুবছৰ আগৰ ৰিয়াজনী এনেকুৱা নাছিল। মাক-দেউতাক আৰু সৰু ভায়েকটোৰ সৈতে সুখ-আনন্দত তাই ডাঙৰ-দীঘল হৈছিল। মাক-দেউতাকৰ বৰ মৰমৰ সন্তান আছিল ৰিয়া। পঢ়া-শুনাতো বৰ আগ্ৰহী আছিল তাই। তাইৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলে মাক-দেউতাকৰ মন আনন্দিত কৰিছিল। তাৰ পাছত কলেজতো তাই দুগুণ উৎসাহেৰে পঢ়া শুনা কৰিবলৈ লৈছিল।

হঠাৎ এদিন কলেজৰ কেন্টিনত অভিৰ লগত ৰিয়াৰ চিনাকি হৈছিল। ৰিয়াৰ সহজ-সৰল মনটো আৰু মৰম লগা মুখখন অভিৰ বহুত ভাল লাগিছিল। লাহে লাহে সিহঁতৰ কনিষ্ঠতা বাঢ়িব ধৰিছিল। ৰিয়াৰ মিচিকীয়া হাঁহিবোৰ অভিৰ জিৰণিৰ ঠাই হ'ব ধৰিছিল। সেই হাঁহিৰ ঢৌবোৰে যেন অভিক কৃতকাৰ্যতাৰ জখলাৰে উঠাই নিছিল। এদিন এই সকলোবোৰ প্ৰেমত পৰিণত হৈছিল আৰু দুয়ো মিলিজুলি সজা কল্পনাৰ কাৰেং ঘৰটিত উটি-ভাহি ফুৰিছিল।

কিন্তু ৰিয়াৰ এই সুখ-আনন্দ বেছি দিনৰ নাছিল। এটি দুৰ্ঘটনাই তাইৰ সুখ-শান্তি সকলো নিমিষতে থান-বান কৰি পেলাইছিল। এদিন ৰিয়াই কলেজৰ পৰা আহি দেখিছিল সিহঁতৰ চোতালত মানুহৰ জুম আৰু বগা কাপোৰেৰে আঁৰি থোৱা এটি মৃতদেহ। যেন তাই এক কাল ধুমুহাৰ আগজাননী পালে। অলপ আগবাঢ়ি গৈ দেখিলে বগা কাপোৰেৰে আঁৰি থোৱা নিতৰ দেহটি আন কোনো নহয়, সেয়া তাইৰ দেউতাক। দুচকুৰে তাই যেন এন্ধাৰ দেখিছিল। এটোপাল বোৱতী অশ্ৰু তাইৰ হাতত পৰিছিল।

দেউতাকৰ মৃত্যুৰ ৰিয়াৰ জীৱনলৈ বিষাদৰ ক'লা ডাৱৰ নমাই আনিছিল। দেউতাকৰ অনুপস্থিত ৰিয়াৰ মাকে আনৰ ঘৰত কাম কৰি পৰিয়ালটোক পোহপাল দিব লগা হৈছিল। মাকে কাম কৰিবলৈ ওলাই যোৱা সময়খিনিত ৰিয়াই ঘৰখনৰ সকলো দায়িত্ব ল'ব লগা হৈছিল কাৰণ তাই আৰু পঢ়া আগবঢ়াব নোৱাৰিলে। পঢ়ি-শুনি ডাঙৰ মানুহ হোৱাৰ তাইৰ এটি সপোন হৈয়ে ৰৈ গৈছিল।

মাজে মাজে অভিলৈ তাইৰ বৰকৈ মনত পৰিছিল। ৰিয়াৰ অবিহনে অভিৰো কলেজত একেবাৰে মন নবহা হৈছিল। ৰিয়াৰ অনুপস্থিতিতাৰ বৰ অসহনীয়া হৈ পৰিছিল।

এনেদৰে বহুদিন পাৰ হৈছিল। লাহে লাহে মাকৰ উপাৰ্জনেৰে ঘৰখন নচলা হৈ আহিছিল। উপায় বিচাৰি নাপায় নৰেন দোকানীৰ পৰা টকা সুতলৈ আনিছিল। এনেকৈ টকা সুতত আনি থাকোতে সুত ইমানেই হ'ল যে আনৰ ঘৰত কাম কৰি পোৱা টকাৰে পৰিশোধ কৰা অসম্ভৱ হৈ পৰিছিল। নৰেন দোকানীয়েও এইটোৱে বিচাৰিছিল। তাৰ চকু আছিল ৰিয়াৰ ওপৰত। এদিন ৰিয়াৰ মাকক কৈ গ'ল যে এসপ্তাহৰ ভিতৰত টকা পৰিশোধ কৰিব নোৱাৰে তেন্তে ৰিয়াক তাৰ লগত বিয়া দিব লাগিব। দেউতাক নোহোৱা পৰিয়ালটোলৈ মানৱীয়তা

গুণ যেন কৰবাত হেৰাই গৈছিল। আমাৰ সমাজত দুখীয়াবোৰক নৰেনহঁতৰ নিচিনা মানুহবোৰে সদায় শোষণ কৰি আহিছে।

কালৰ বিপৰ্যয়ে ৰিয়াহঁতৰ পৰিয়ালটোক পিছ নেৰা হৈছিল। আদহীয়া বয়সৰ মানুহজনৰ লগত ফুলকুমলীয়া ৰিয়াজনীক কেনেকৈ বাৰু বিয়া দিয়ে। কিন্তু তাৰ বাহিৰে যে অন্য একো উপায় নাই। এসপ্তাহৰ ভিতৰত ইমানবোৰ টকা কেনেকৈ যোগাৰ কৰিব। দুখীয়া কাৰণে সহায় কৰিবও কোনো আগবাঢ়ি অহা নাছিল আৰ সা-সম্পত্তি বুলিবলৈও থকা ঘৰটোৰ বাহিৰে আন একোৱে নাছিল। অৱশেষত উপায়বিহীন হৈ কোমল বয়সৰ ৰিয়াজনী নৰেন নামৰ নৰপিশাচজনৰ পোতাশালত বন্দী হ'ব লগা হ'ল। তাইৰ আশা-আকাংক্ষা সকলো মিলি গ'ল কোনো দূৰ দিগন্তৰ বুকুত। কাইলৈ ৰিয়াৰ লগত নৰেন দোকানীৰ বিয়া। আজি শেষবাৰৰ কাৰণে অভিক চাবলৈ গৈছিল। আজিও অভিয়ে ৰৈ আছিল চিনাকি সেই বকুল জোপাৰ তলত। অভিক দেখি ৰিয়াৰ বুকুখনত কিবা এক অবুজ বেদনাই হেঁচা মাৰি ধৰিছিল। তাই মুগ্ধ হৈ চাই অভিৰ মুখলৈ। কিছু সময় এনেদৰে দুয়ো নিস্তব্ধ হৈ ক্ৰমান্বয়ে তাইৰ দুচকু সবল হৈ আহিছিল, চকুৰ মণিত উঠিছিল অভিৰ প্ৰতিবিম্ব।

নিস্তব্ধতা ভেদি ৰিয়াই হঠাৎ কৈ উঠিছিল—

'তুমি মোক পাহৰি যোৱা অভি। আমাৰ দুখীয়াবোৰৰ কাৰণে প্ৰেম-ভালপোৱা নহয়। আমি সজা কল্পনাৰ কাৰেং ঘৰটি ভাঙি থাকিল অ'।'

যেন হুৰহুৰকৈ বৰষুণ আহিছিল, বতাহত কঁপি উঠিছিল পাতবোৰ। অভিৰ বুকুৰ নিৰ্জনতা ভাঙি আকাশলৈ উৰি এজনী চৰাই। স্তব্ধ বাকৰুদ্ধ হৈ মাথো চাই ৰৈছিল ৰিয়াৰ

কালৰ বিপৰ্যয়ে হাঁহি-ধেমালিৰে চিত পখিলী হৈ ভাহি ফুৰা ৰিয়াৰ মুখখনিত আজি সানি দিলে কালিমা। তাই দেখা নাপায় আজি জোনাকী পৰুৱাৰ অনুভৱ নকৰে জোনাকৰ মাদকতা।

# এন্ধাৰৰ মাজতো জোনাকৰ ভূমিকা

হাৰুন আহমেদ
পঞ্চম ষাণ্মাসিক

ৰাতিপুৱা হ'লত ৰবিনৰ দেউতাক অজিতে অফিচত যাবলৈ ওলাইছে তেতিয়া ঘৰৰ ভিতৰৰ পৰা ৰবিনৰ সৰু ভনী নিশা দৌৰি আহি দেউতাকক ক'লে, দেউতা তুমি অফিচৰ পৰা আহোতে মোৰ কাৰণে এজোৰ চুৰিদাৰ আনিবা। দেউতাকে ক'লে, হ'ব বাৰু সময় পালে আনিম। নিশাৰ মনটো সেইদিনা আনন্দৰে ভৰি পৰিছিল। দেউতাক অফিচলৈ গৈ থাকোতে অফিচৰ দুৱাৰ মুখ নাপাওতেই হঠাৎ কেইজনমান উগ্ৰপন্থীয়ে গুলীয়াই হত্যা কৰিলে। অজিতৰ মৃতদেহটো তেজৰে ৰাঙলী হৈ অফিচৰ সন্মুখত পৰি থাকিল। সেইফালেদি এজন বয়সীয়াল মানুহ গৈ আছিল। অজিতৰ মৃতদেহটো দেখি চক খাই চিঞৰি দিলে। লগে লগে অফিচৰ সকলো মানুহ দৌৰি আহিল। সকলোৰে মিলি অজিতৰ প্ৰাণহীন শৰীৰটো অফিচ ৰুমৰ দাঁতিলৈ লৈ গ'ল। তাৰ মাজৰে অজিতৰ বন্ধু এজনে অজিতৰ ঘৰলৈ ফোন কৰিলে। ৰবিনৰ মাকে ফোনটো দাঙি সেইফালৰ পৰা সহাঁৰি জনালে, হেল্লো। অ' মই অজিতৰ বন্ধু আকাশে কৈছো— বাইদেউ আপোনৰ স্বামীৰ হঠাৎ আমাৰ অফিচৰ সন্মুখত এক দুৰ্ঘটনাত মৃত্যু হয়। ৰবিনৰ মাকে ফোনটো কাণত লৈ থকোতেই মাটিত ঢলি পৰিল। ৰবিনে মাকৰ অৱস্থা দেখি ওচৰলৈ গৈ মাকক সাৱতি ধৰিলে। মাক আৰু দদায়েকক দেখি তায়ো ওচৰলৈ আহি একো তলকিবই নোৱাৰিলে সিহঁত তিনিও মজিয়াত অজ্ঞান হৈ পৰি থাকোতে দুৱাৰ মুখত গাড়ীৰ শব্দ হ'ল. গাড়ীৰ ভিতৰৰ পৰা অজিতৰ মৃতদেহটো নমালে। সিহঁত তিনিও একো গম নাপালে। দেউতাকৰ মৃতদেহটো শ্মশানলৈ নিয়া হ'ল। দেউতাকৰ মৃত্যুৰ কেইদিনমান পাছতে মাকৰো অৱস্থা বেয়া হ'ল। ঘৰৰ দায়িত্ব, ল'ৰা-ছোৱালী দুটাৰ পঢ়া-শুনা কৰি ডাঙৰ মানুহ কৰাৰ চিন্তা আদিয়ে জুমুৰি দি ধৰিলে। এদিন মাকৰ অৱস্থা একেবাৰে বেয়াৰ ফালে ঢাল খালে। মামায়েকহ'তে মাকক হাস্পতাললৈ নিলে কিন্তু দুৰ্ভাগ্যক্ৰমে হাস্পতাল নাপাওতেই মাকৰো মৃত্যু হ'ল। নিশা আৰু ৰবিন অকলশৰীয়া হৈ পৰিল। সিহঁত দুয়োটা বহুতো কষ্টৰ মাজেৰে লাহে লাহে ডাঙৰ হৈ আহিল। ৰবিন কোম্পানী এটাত সোমাল আৰু তাৰে ছোৱালী এজনী বিয়া পাতিলে। ইফালে নিশাই ঘৰত অকলে খাবলৈ নাপাই, পিন্ধিবলৈ নাপাই তাই পাগলী হৈ গ'ল। গাঁৱৰ মানুহে নিশাৰ অৱস্থা দেখি গাঁৱৰ পৰা খেদি দিলে। ৰবিনে নিশাৰ কথা পাহৰি গ'ল। নিশা ৰাস্তা-ঘাটৰ কাষত পৰি থাকে। এদিন সেইফালেদি ৰবিন আৰু তাৰ পত্নী পূজাৰ লগত আহি আছিল। ৰাস্তাৰ কাষত নিশাক দেখি তাৰ চকুপানী ওলাইছিল। কিন্তু তাৰ পূজাৰ আগত নিশাৰ কথা ক'বলৈ লাজ লাগে। এজনী তিৰোতা সেইফালে দি গৈ থাকোতে নিশাক দেখা পালে। নিশা দেখাত বহুত ধুনীয়া আছিল। তেনেকুৱা এজনী কুমলীয়া ছোৱালীৰ তেনেকুৱা অৱস্থা দেখি তেওঁৰ পুতৌ উপজিল। তেওঁ নিশাক তাৰপৰা লৈ গ'ল আৰু একমাত্ৰ পুত্ৰ ৰাজদ্বীপৰ লগত বিয়া পাতি দিলে। মৰহি যোৱা ফুলপাহ যেন বৰষুণৰ পানী পায় জীপাল হৈ উঠাৰ দৰে নিশাৰ মনটো পুনৰ আনন্দৰে ওপচি পৰিল। আগৰ দুখ-বেদনাবোৰ নোহোৱা হ'ল। ডুব যোৱা বেলিটোত যেন এচমকা পোহৰ পৰিছে।

# এটি ভুল খোজ

জানমণি ডেকা
পঞ্চম যান্মাসিক

..... তাৰ জীৱনৰ এটি ভুল খোজে কাঢ়ি লৈ গ'ল তাৰ জীৱনৰ ৰং।

'মানুহে মানুহৰ বাবে যদিহে অকনো নাভাবে, অকনি সহানুভূতিৰে ভাবিব কোনেনো কোৱা সমনীয়া — মানুহে মানুহৰ বাবে...। কৰবাৰ পৰা ভাহি অহা গীতটি শুনি নীৰৱৰ অজানিতে চকুপানী ওলাই আহিল। সি আজি বুজি পাইছে তাৰ ভুল।

কি কৰিলে সি তাৰ পৰিয়ালৰ বাবে? জন্মদাতৃ মাতৃৰ চকু পানী মচিব নোৱাৰিলে সি। সদায় হাঁহি ধেমালিৰে ভৰি থকা ঘৰখন উকা মৰিশালী কৰি পেলালে সি...



অকল সিহঁতৰ ঘৰখন বুলিলে নহয় কিমান নিৰীহ মানুহৰ প্ৰাণ কাঢ়িলে, কিমান ঘৰ উকা হ'ল তাৰ হিচাপ সি দিব পাৰিবনে?

নাই, নাই.... একো নোৱাৰে সি। একো কৰিব নোৱাৰে সকলো অংগ থাকিও সি আজি বিকলাংগ।

যদি কেইটামান টকাৰ লোভত ঘৰ এৰি জংঘলত থাকিব নগ'লে হয় দেশদ্ৰোহীৰ সংগ নল'লে হয় তাৰ ঘৰখন ভৰি থাকিলে হয়।

মাত্ৰ ৩০ মিনিট। ৩০ মিনিট আগতে সি নিজ হাতে থোৱা বমটোৱে কাঢ়ি লৈ গ'ল তাৰ মৰমৰ ভনীজনীক আৰু বজাৰ কৰিববলৈ যোৱা দেউতাকক। যদি সেই সি বম নথলে হয় হয়তো টিউচনলৈ ভনীয়েকজনী ঘূৰি আহিলে হয়, দেউত বজাৰৰ পৰা হাত বজাৰ কৰা মোনা লৈ মুখে ঘৰ সোমালে হয়।

কি পালে সি? কেইটামান টকা মা

কিন্তু সেই টকাৰে তাৰ মৰমৰ ভনীজ উপহাৰ দিলে মৃত্যু। মাতৃৰ শিৰৰ সেন্দুৰ পেলালে সি। সেই টকাৰে উপহাৰ বহুতো লোকক ৰং বিহীন জীৱন।

হয়। প্ৰতিবাদ কৰিছিল সি শেষ মুহূ বম নহ'বলৈ। কিন্তু... সময় সদায় গতি ... নোৱাৰিলে সি, বাধ্য হ'ল বম হ'বলৈ অসুৰৰ ওচৰত মানিলে সি...

যদি সি আগতে বুজি পালে হয়... যদি কেইটামান বাবে দেশদ্ৰোহী নহ'লে হয়.... তাৰ জীৱনৰ এটি ভুল কাঢ়ি লৈ গ'ল তাৰ জীৱনৰ ৰং।

পংগু হৈ পৰি ৰ'ল সি....

'অইউঠ ভাত দিছে। জে'লৰ আন এজন কয়দীৰ মাত উচপ্ খাই উঠি চকু পানীখিনি মচি নীৰৱে চাই ৰ'ল ৮টা খোজ নেপেলোৱা বাহিৰৰ জগতখনলৈ...।

# জীৱনৰ আশা

প্ৰিয়ংকা ডেকা
স্নাতক প্ৰথম বৰ্ষ



ৰিম্পীহঁতৰ ঘৰত মানুহ বুলিবলৈ তাইৰ মাক, ককায়েক আৰু তাই। তাইৰ দেউতাক সিহঁত সৰু থাকোঁতে ঢুকায়। মাকে বাচন ধুই, কাপোৰ ধুই কোনো মতে ঘৰখন পোহপাল দি আছে। কেতিয়াবা সিহঁতে খাবলৈ নাপাই লঘোণে থাকে। মাকে সিহঁতক সৰুৰ পৰা কষ্ট কৰি ডাঙৰ-দীঘল কৰিছে। ৰিম্পী অষ্টম শ্ৰেণীৰ ছাত্ৰী আৰু তাইৰ ককায়েক অবিনাশ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ছাত্ৰ। মাকে সিহঁত দুয়োটাকে পঢ়ুৱাই ডাঙৰ মানুহ কৰাৰ ইচ্ছা। যথা সময়ত অবিনাশৰ পৰীক্ষা আহিল। ৰাতি পুৱাই অৱিনাশে সোনকালে বিচনাৰ পৰা উঠি গা-মূৰ দুই তুলসীৰ তলত চাকি গছি জ্বলাই পৰীক্ষা লৈ গ'ল। পৰীক্ষাও সুকলমে পাৰ হ'ল। মাক আৰু ৰিম্পী ককায়েকৰ ৰিজাল্টৰ বাবে আশা কৰি থাকিল আৰু এদিন ৰিজাল্ট ওলাল যে অবিনাশে চাৰিখনত লেটাৰ মাৰ্ক পাই ষ্টাৰ কৰিছে। মাক আৰু ৰিম্পীৰ কি আনন্দ। মাকে বহুদিনৰ পৰা আশা কৰি থৈছিল অবিনাশক গুৱাহাটীত পঢ়ুৱাবলৈ। মাকে আনৰ ঘৰত কাম কৰি পোৱা পইচাকেইটাৰে তাক গুৱাহাটীৰ কলেজত নাম লগাই দিলে? ৰিম্পীৰ আনন্দ ককায়েকে গুৱাহাটীত পঢ়ি চাকৰি কৰিব। তাইৰ আৰু একো অভাৱ নোহোৱা হ'ব। কিন্তু নিষ্ঠুৰ নিয়তিয়ে জানো কাৰোবাৰ আশা পূৰণ হ'বলৈ দিব? অবিনাশে গুৱাহাটীলৈ গৈ নিজৰ ভনীয়েক আৰু মাকৰ কথা পাহৰি বেয়া সংগৰ লগতে পৰি ড্ৰাগছ সেৱন কৰিলে।

এদিন তেওঁ গুৱাহাটীৰ পৰা ঘৰলৈ আহিবলৈ ওলাল। ৰিম্পীৰ আনন্দ, কাৰণ ককায়েক আহিব। কিন্তু কি হ'ব, ধুমুহাক জানো কোনোবাই বাধা দিব পাৰে? আহিবৰ সময়ত অবিনাশৰ নাক আৰু মুখেৰে তেজ ওলাব ধৰিলে। লগে লগে তাক তাৰ বন্ধু অভিজিতে হাস্পাতাললৈ লৈ গ'ল। ডাক্তৰে বহুত চেষ্টা কৰিও বচাব নোৱাৰিলে। তেওঁ শেষবাৰৰ কাৰণে এই পৃথিৱীৰ পৰা চকু মুদিলে। ৰিম্পীহঁতক কোনোবাই খবৰ দিলে যে তেওঁৰ ককায়েকৰ বহুত টান অসুখ হৈছে। কিছু সময়ৰ পিছত ৰিম্পীহঁতৰ ঘৰৰ সন্মুখত মাৰুতি এখন ৰ'ল আৰু সেই মাৰুতিখনৰ পৰা দুজন মানুহে বগা কাপোৰেৰে ঢাকি থোৱা মৃতদেহটো চোৱাত অবিনাশৰ মৃতদেহটো দেখি অচেতন হৈ পৰিল আৰু ৰিম্পীয়ে চিঞৰি চিঞৰি ক'লে —

'এয়াই নেকি আশা...'।

## কবিতা

# বলিনদা আৰু নাই

**শ্ৰীতপন কুমাৰ শৰ্মা**
সহঃ অধ্যাপক, অসমীয়া বিভাগ

আত্মাৰ অব্যন্তৰত
কৰ্মৰ প্ৰতি থকা গভীৰ অনুৰক্তিৰে
আগুৱান হ'বলৈ,
জ্ঞানৰ কাননখনিত প্ৰতিটো পাল বিলাই দিবলৈ,
ঘাম টোপাল আৰু
নিঃশ্বাসৰ তপত উমেৰে
চৌপাশে জিলিকাই ৰাখিবলৈ,
বলিনদাযে আৰু নাই।

বহুতৰ দৰেই
তাৰো বুকুত সিদিনা
গজালি মেলিছিল সপোনাটোৰে...
ভোটৈৰ এৰা বৰিত ফুল ফুলিব...
সোণালী সুদিন নামি আহিব,
পোহৰৰ গানেৰে মুখৰিত হ'ব
আমাৰ জগত.

সংকল্পৰ দৃঢ়তাৰে
অতন্ত্ৰ প্ৰহৰী
কাৰ বাবেনো নাছিল
তাৰ হাত দুখনি।
কৰ্মৰ বোজা বান্ধি
ধূলিয়ৰি পথেৰে
কতবাৰ অহা-যোৱা,
দায়িত্ব হেঁচা-টেপাত
থমকি জিৰাবলৈও সময় নোপোৱা
অক্লান্ত সৈনিক সি
জানিছিল মাথো গতি কৰিব
গতিৰ পৰা...
দিন, মাহ ঋতু বছৰ
দশকৰ পিচত আকৌ দশক
কি যে নিৰলস সাধনা!
ক্ৰমশ ঃ
এটা দিন আহিছিল,
সাতোৰঙী ৰামধেনুৰ ৰঙে
ভৰাই দিছিল তাৰ মনৰ আকাশ।
কিন্তু
এতিয়া মাথো মৌনতা ক্ৰন্দন,
শূন্যতাৰ কোলাহৰ,
গছ, পাত দেৱাল বাট
সকলোৰে টুকিছে চকুলো
বলীনদা আৰু নাই...
কোনো দিন উভতি নহাৰ প্ৰতিশ্ৰুতিৰে
সৰগীয় জ্যোতিৰ পম খেদি
সিযে নীৰৱে গুছি গ'ল।

**(পাতিদৰং মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ চ
কৰ্মচাৰী স্বৰ্গীয় বলিন ডেকাৰ সশ্ৰদ্ধা সোঁৱৰ**

# জীৱন স্বপ্ন এক সংগ্ৰাম

**পূজাৰাণী বেজবৰুৱা**
স্নাতক পঞ্চম ষান্মাসিক

টিনাই বাহ সঁজা
ৱন বৃক্ষৰ ডালত
বোৰে ৰিঙিয়াই মাতে
ীতৰে পৰা ভাহি অহা জীৱন স্বপ্নবোৰলৈ
ৱনৰ ধুমুহা ধেৰেকণি অতিক্ৰম কৰি
ৱনৰ সাঁকোখনিত
স্যাৰ ভেঁটা ভাঙি
ৰ হ'ব খোজেতেই আহে
ানিশা নামি।

বোৰ ভগা স্বপ্নৰ ৰাতিৰ গান,
ত জীৱনৰ সৰগী দান,
ণাত ঝংকাৰিত হয়
তাৰ প্ৰাণ।
াত্ৰিত সংগ্ৰামত যেতিয়া হয়
ৰুসিক্ত নয়নৰ মণি
ৰ বাবে যুঁজি যাম সংগ্ৰামৰ বীণাখনিত
তাৰ পদপথত।
াৰা মঙহৰ কেঁচা তেজ খাম
স্তুৰেই সোঁৱৰাই যায়
ৱনৰ অন্য নাম
া এক সংগ্ৰাম।

# শুভেচ্ছা

**সংগীতা ডেকা**
তৃতীয় ষান্মাসিক

সুদূৰত নীলাভ আকাশ
সেওতা ফলা নিথৰ ৰাতি
দুকাষে সেউজী শোভা।
সেই বাটেদি তেওঁ আহিছিল
মোক আশিষ দিবলৈ
ডাৱৰৰ সিপাৰৰ দেশৰ পৰা
তৰাবোৰে ইটিয়ে সিটোৰ হাতত ধৰি
আৱৰি ৰাখিছিল মোক
বহু সময়...
পুৱতি নিশালৈকে চিকমিক, চিকমিককৈ জ্বলি
মোক শুভেচ্ছা জনাইছিল।
ডাৱৰৰ বোকোচাত উটি অহা
ৰিবৰিব বতাহজাকে
আলফুলে চেনেহ যাচিছিল,
তেজাল বতাহ জাকৰ স'তে
মোৰ দুহাতত তেতিয়া
স্বপ্নৰ পাৰিজাত।

# শইচ, পৃথিৱী আৰু মানুহৰ গাঁথা

কৃষ্ণা ডেকা
স্নাতক প্ৰথম বৰ্ষ



বৰ্ষামুখৰ ৰাতি গছবোৰ এতিয়া
সেউজীয় এবাটি আপং পি
স্বপ্নৰ আৱেশত ডুবি আছে
আন্ধাৰতে গুপুতে গুপুতে
ওৰে ৰাতি বতাহৰ স'তে বাৰ্তালাপ
যাৰ বাবে পুৱাবেলা সেউজীয়া ঘুমতিত
গছবোৰ ক্লান্তিৰ আৱেশত লালকাল
বেলিৰ পোহৰৰে এতিয়া কাঢ়ি নিছে
ৰাতিৰ গোলাপী নিচাৰ মায়াবী পঢ়াশালি।
ধাতুৰ নিৰ্দেশত গছ-লতা, কুঁহিপাতে য'ত শিকে
ৰ'দে-বৰষুণে লিখা প্ৰাচীন লিপিৰ আদিপাঠ
পক্ষীকুল কিদৰে নিমগ্ন হয় পুৱাতে
সেউজীয়াৰ প্ৰেমত?
কিদৰে পুৱতি নিশাতে চলায় গানৰ আখৰা
ৰ'দৰ বাকৰিত পক্ষীকুল দেখোন
প্ৰতিদিনিহে চেওঁ ধৰি নাচে, প্ৰেমাস্পদক যাচে
আকুল প্ৰেম।
ওচৰতে বিস্তীৰ্ণ পথাৰত প্ৰস্তুতি
শইচৰ আকলুৱা পথাৰৰ ঋতুমতী উচ্চাস
কাইলৈকে খামুচি ধৰিব।
শইচৰ শিপাই পলসুৱা মাটি
আহিনত গা-ভৰী হৰ-শাওনৰ উঁতনুৱা পথাৰ
কাতিৰ কঙালী দিনত বতাহে আকৌ চুই যাৱ
গেৰেলি থোকৰ কোমল নিৰ্যাস
এনেকৈয়ে ফলিয়াব আঘোণত আকৌ
শইচ ফুলৰ মানিকিমাধুৰী সপোন
এনেকৈয়ে সোণোৱালী হ'ব
ৰহদৈ পথাৰৰ ৰাংঢালী বুকু
এনেকৈয়ে শইচ সুগন্ধত মতলীয়া হ'ব
শ্ৰমত বিহ্বল হোৱা মেহনতী মানুহ
এনেকৈ লিখা হ'ব যুগে যুগে শইচ
পৃথিৱী আৰু মানুহৰ গাঁথা
গছ-বিৰিখ আঘোণ আৰু
প্ৰেম-প্ৰীতিৰ দৰে মানুহৰ আদিম প্ৰত্যাশা।

# এটা বৃহৎ শব্দ

শ্ৰীঅংকুৰ
স্নাতক

শব্দ, এটা বৃহৎ শব্দ
যি শব্দই পলকতে কৰি গ'ল
সকলো নিঃশেষ।

কৰি গ'ল এখন ধোঁৱাৰ সাগৰ,
কৰি গ'ল এখন আকাশলংঘী জুইৰ পাহাৰ
কৰি গ'ল এখন তেজৰ নৈ।
মোৰ দুচকুত দৃষ্টিমান হৈছিল
ৰাজপথ ঢাক খোৱা
ক'ত ক্ষত-বিক্ষত দেহৰ অংশ
আৰু ক'ত আহত-নিহত, আধাপোৰা দে
ছেদেলীভেদেলী শাৰী।
আৰু দেখিছিলো মানৱদেহ জ্বলি নিঃশে
কলা এঙাৰ
আৰু শুনিছিলো আহত নিহতৰ আত্মীয়
স্বজনৰ হিয়া ভগা কান্দোন
উঃ বৰ অসহ্যকৰ
মাত্ৰ এটা বৃহৎ শব্দৰ পৰিণতি
আৰু যেন নুশুনে কোনেও
এটা বৃহৎ শব্দ।

# বেদনাৰে ভৰা জীৱন

শ্ৰীমিণ্টু ডেকা
স্নাতক দ্বিতীয় বৰ্ষ

কোনেও জানিব চেষ্টা নকৰে
মোৰ ভগ্নহৃদয়ৰ কথা,
বুজিবও চেষ্টা নকৰে
মোৰ মনৰ ব্যৰ্থ বেদনৰ কথা

কিঅ' নাই বাৰু
মোৰ জীৱনত সুখ-শান্তি
জীৱনটোক জুমি চালে
দেখা পাও মাথো
দুখৰে ভৰা
নিসাৰ জোনক বিহীন অন্ধকাৰ
সকলোৰে থকাৰ দৰে
মোৰো আছিল বহুতো হেপাঁহ...।
কিন্তু
কিয় জানো মোৰ আশাবোৰ
ভাঙি শেষ হৈ গ'ল
এতিয়া মই জীৱনটো অতিবাহিত
কৰিম কেনেকৈ ...?

পাৰিম জানো
সুখ-শান্তি বিহীন
নিজৰাত উটি ভাহি যাবলৈ?



# তোমাৰ আৱৰনহীন হৃদয়ৰ বুদ্ধত্ব বিচাৰি

দিগন্ত দাস
তৃতীয় ষান্মাসিক



জীৱনৰ পথৰুৱা ঘাটত হেঙুল হাত দুখনিৰে
এটা দীঘলীয়া কবিতাৰ সুগন্ধি সিঁচি
এটি মাথোঁ অজুহাত লৈ গুচি গ'লা
উখল-মাখল পাৰঘাট নিজম পেলাই থৈ।
তোমাৰ অস্তিত্বৰ অনুভৱেৰে
উপচি থকা মোৰ কলিজাটোত
সময়ে মনে মনে দুখবোৰ গুচি
আঁজুৰি লৈ গ'ল তোমাক।
পৃথিৱীৰ অহা যোৱাৰ নিয়মবোৰ মানি
অকনো অভিযোগ নকৰাকৈ আঁতৰি গ'লা
ক্ৰমান্বয়ে পাৰ হৈ যোৱা জীৱনৰ সীমা অতিক্ৰমি
সৰি পৰা সময়ৰ বুকুত।
তোমাৰ স'তে ক্ৰমশঃ আঁতৰি যোৱা দুভৰিৰ সহযোগ বিচাৰি
বাৰে বাৰে চলাথ কৰো জনসমুদ্ৰ
চিৰাছিৰ কৰোঁ গধুলিৰ নিঃসংগতা
তোমাৰ আৱৰণহীন হৃদয়ৰ বুদ্ধত্ব বিচাৰি...।

# ডেউকা

সঞ্জয় দাস
তৃতীয় ষান্মাসিক

তুমি জানানে
তোমাৰ দুচকুৰ মাজতেই
মই দেখা পাইছিলো
মোৰ ৰঙীন সপোনবোৰ।
তুমি বুজিবানে
তোমাৰ সাগৰ সদৃশ
বুকুৰ মাজতেই
মই সাজিছিলো
মোৰ কল্পনাৰ বালিঘৰ।
কিন্তু অজানিতে
এজাক কোবাল বতাহে
ভাঙি দিলে মোৰ
ৰঙীন সপোনবোৰ।
উৰুৱাই লৈ গ'ল
মোৰ কল্পনাৰ বালিঘৰ
আৰু এতিয়া মই মাথো
এটি ডেউকা নোহোৱা
তেনেই কণমানি চৰাই।



# সাঁকো

নিৰঞ্জন শৰ্মা
তৃতীয় ষান্মাসিক

মৰমৰ গাঁওখনৰ নাফুক বানটোৰ ওপৰতে
এখন সাঁকো আছিল
এই সাঁকোৰেদি জেঠাইৰ হাতত ধৰি
পাৰ হৈ গৈছিলো কপহুৱা গাঁওখনলৈ।
ঠিতাং দদাইদেউ, ৰুদ্ৰ বৰদেউতা
অনিৰাম ককাইহঁতৰ ঘৰলৈ
ভাবিলেই সেউজীয়া সোঁৱৰণীবোৰে
বুকুত চাবুক মাৰে,
শৈশৱৰ সাচতীয়া হেঁপাহবোৰে
কলিজাত খুন্দা মাৰে
ক'ত পুৱা, ভৰ দুপৰীয়া,
আবেলি সাঁকো পাৰ হৈ
তোলনী বিয়া, নখোৱা, সকামলৈ
কিমান যে অহা-যোৱা কৰিলো,
মৰমৰ গাঁওখনলৈ;
এৰি থৈ আহিলো
প্ৰাচুৰ্যৰে ভৰা সোণালী অতীত
এতিয়া মোৰ আবেলি হ'ল
জানটোৰ সাঁকোখন আছে বা নাই
লিৰিকি বিদাৰি অন্ধকাৰ ফালি
মই হাহাকাৰ কৰিছো
মোৰ অতীত বিচাৰি।



# আশা

কন্দৰ্প দাস
প্ৰাক্তন ছাত্ৰ

আশা এটি আছিল মোৰ,
তোমাক ভালপোৱাৰ পাছত
সি মোৰ বুকুত আহি জিৰাইছিল।
তোমাৰ বিষয়ে কৈছিল কিছু কথা
বিশ্বাস কৰিলো আশাক
পিন্ধিব খুজিলোঁ ৰঙীণ পোছাক
এতিয়া মোৰ বুকুত
হাজাৰটা উত্তৰবিহীন যুঁজ
লগে লগে আক্ৰমণ দুখৰ
মই অকলে...।
ভাগৰ লাগিছে মোৰ
আশা দেখোন ক্ৰমশঃ
চুৰমাৰ হৈ যাব ধৰিছে,
ৰঙীন পোছাকযোৰ ম্লান হৈ গৈছে।
মোৰ আশাই বিশ্বাস হেৰুৱাইছে
তুমি হীনতাৰ যন্ত্ৰণাত ভুগিছা
তোমাৰ এযাৰ মাতত লুকাই থকা
মোৰ সুখবোৰ জ্বলিছে
সেয়ে জীৱনটো অপূৰ্ণ হোৱাৰ আশংকাই
ৰিক্ত জীৱনক
দুখেৰেই ৰঙীন কৰা মোৰ ঠুনুকা আশা।

# অসমৰ সন্তান আমি

নিশা কলিতা
তৃতীয় ষান্মাষিক

অসমী আইৰ সন্তান আমি
নাই কোনো সৰু-বৰ
কোন হিন্দু, কোন মুছলিম
নাই কোনো ভেদাভেদ
অসমী আইক ৰক্ষা কৰিম
এয়ে হ'ব আমাৰ মন্ত্ৰ
দেশদ্ৰোহী, জাতিদ্ৰোহীক বিচাৰি উলিয়াম
নিজে গঢ়ি লম শাসন তন্ত্ৰ
গুণী-জ্ঞানীক আদৰ কৰিম
একতাৰ ডোলেৰে সকলোকে বান্ধিম
বিনাশিম শত্ৰুৰ ষড়যন্ত্ৰ
জাতি-ধৰ্মৰ শিপা উঘালিম
ৰাখিম জন্মভূমি,
হাজাৰ শ্বহীদৰ ৰক্তৰ দান
স্বাধীন সন্তান আমি
গাঁও আহা দেশৰ জয় গান।

# স্মৃতি

**দিপশিখা ডেকা**
তৃতীয় ষান্মাসিক

আবেগেৰে ভৰা এই গভীৰ নিশা
কাষত নাই কোনো সহাঁৰি
আছে মাথো ভালপোৱাৰ
বহুতো স্মৃতি।
এবাৰ মাথো সন্মুখলৈ
আহা আৰু ধূসৰ হোৱা
তোমাৰ স্মৃতিবোৰ সজীৱ কৰিবলৈ
কেতিয়াবা তোমাৰ মন গ'লেও
নালাগে,
নিদিবা,
নক'বা মোক
'হেই'।
অথবা 'হাই'
যদি দিবা খোজা
মোৰ স্মৃতিৰ সমাধিতে দিবা আহি
মাথো এপাহি
'খৰিকাজাই'।

# কিয়নো

**জ্যোতিকমল**
পঞ্চম ষা

সুখ বুলি ভাবি লৈ
কিয়নো উদ্‌যাপন কৰিব নোৱাৰো
জীৱনটো।
দুখ বুলি ভাবি
কিয় বাৰু ডুব গৈ থাকোঁ
বিষাদ সাগৰত।
সুখ আৰু দুখৰ অৰ্থ নুবুজাকৈয়ে
লোতকেৰে ভৰাই দিছোঁ
পাৰ হৈ যোৱা হাজাৰটা বসন্ত
কেৱল নোপোৱাখিনিৰ বাবেই।
কিয়নো দুখেৰে পূৰ্ণ কৰোঁ জীৱনটো
দুখবোৰ পাহৰি,
কিয়নো দুখেৰে পূৰ্ণ কৰো জীৱনটো
দুখবোৰ পাহৰি,
কিয় বাৰু সজাই ল'ব নাজানো জীৱনটো
এজন নিজস্ব পৃথিৱীত।

# তোমাৰ শপত



**খনিন্দ্ৰ ডেকা**
পঞ্চম ষান্মাষিক

গালাপ ভালপোৱাৰ সময়ত
তামাক দেখিছিলো
তামাৰ চকুৰ চাৱনীত পাইছিলো স্বৰ্গীয় অনুভূতি
াইছিলো জীৱনৰ মাদকতা
পোনবোৰ ৰঙীণ হৈ
টা ৰাতিৰ ভিতৰত ৰূপ সলাই
হ পৰিছিলো এটা প্ৰেমিক চৰাই।
মাৰস্যা আহিছিল।
ন্ধকাৰে আৱৰি ধৰিছিল প্ৰেমৰ ঘৰ
লিতা জ্বলাবলৈ সময় নিদিয়াকৈয়ে
াঁতৰি গ'ল অহংকাৰৰ বিস্ফোৰণ ঘটাই
ক পালো তাৰ হিচাপ নহ'ল
াথো কি নাপালো তাৰ হিচাপ বহু দীঘলীয়া হ'ল।
থাপি কম
তামাৰ বাবেই জীয়াই আছিলো
তিয়াও সেই স্মৃতিৰে
ীয়াই থাকিম
য়া তোমাৰ শপত।



# সময়

**নিতু ডেকা**
পঞ্চম ষান্মাষিক

একো একোটি বাৰ,
বাৰ হৈ গৈ আছে জীৱনৰ
ৰাখিব পৰা নাই ধৰি
প্ৰতি পলে আছে কিছু
সুখ, দুখ, মৰমৰ অন্তৰংগ
পাৰ হৈ গৈ আছে স্মৃতিবোৰ
যি জীৱনৰ শেষ সময়ছোৱাত
বাৰুকৈয়ে আমনি কৰিব
ধিয়াই নিজকে সেই
প্ৰতিটো সময় যি
পাৰ কৰিছিলো
নিঃস্বাৰ্থ পৃথিৱীৰ
আলহী হৈ।

# ভুল

ধনমনি দাস
পঞ্চম ষান্মাষিক

মানুহ মাত্রেই ভুল
কথাষাৰ মিছা নহয়
ময়ো এজন মানুহ
কোনো অচিন প্ৰাণী নহয়।
প্ৰেমত প্ৰতাৰিত হৈ
নিসংগ আছিলো মই,
তুমি আহি দিলা হাঁহি
হৃদয়ত মৰম থৈ।
নহয় মই বেয়া কিন্তু
ভুল হৈ গ'ল,
চঞ্চলতাৰে উৰণিত মন
বিবেকহীন হৈ ৰ'ল।
প্ৰেমত থাকোতে মই মগ্ন
অন্য এজনীৰ ৰূপত
আপোন কৰাৰ আশা ল'লো
সময় কটোৱাৰ শপত।
দুখীয়া আনন্দ বিচাৰি
তাইৰ লগত থাকিলো
অনুভৱ হ'ল অতীতক মই
পিছত এৰি আহিলো।
অন্তৰংগ শব্দইও যেন
মাত এষাৰ লগালে
মোক-দেখোন অতীততেই
হৃদয়েও বুজি পালে
বান্ধৱী আৰু বিৱেকেও ক'লে
কৰিলো মই ভুল।
সঁচা প্ৰেমক অৱজ্ঞা কৰি
নুবুজিলো প্ৰেয়সীৰ মোল
নেখেলো দুখন হৃদয়ৰ লগত খেল
আজি পন ল'লো
অশ্ৰুপূৰ্ণ হৃদয়েৰে প্ৰেয়সীৰ
ক্ষমাৰ আশা কৰিলো।



# সময়

মানসী দেৱী
পঞ্চম ষান্মাসিক


সময় নদীৰ বলুকাত বহি
সূৰ্যাস্তৰ মেলনি চাই
ৰৈ আছোঁ মই প্ৰস্তৰ মূৰ্তি হৈ,
পাৰ হৈ যায় ভৱিষ্যত ক্ৰমে
বৰ্তমান আৰু অতীত হৈ।

আজি গৰ্ভস্থ সন্তানৰো
গাৰ নোম শিয়ৰি উঠাৰ দিন
চিৎকাৰ কৰি উঠে 'মোৰ জননী'
আৰু আমি তাকে চাই আছো
এক পিঞ্জৰাবদ্ধ পক্ষীৰ দৰে
নিৰৱে আৰু নিঃশব্দে।

# মোক লৈ বলা মাটিৰ বুকুলৈ

দীপাংকৰ ডেকা
পঞ্চম ষান্মাসিক

াক লৈ বলা মাটিৰ বুকুলৈ
হাল বাম, ভুঁই ৰুম
াটিৰ সুগন্ধিৰে ভৰি পৰিব দেহ-মন
াক লৈ বলা মাটিৰ বুকুলৈ
াপোন কৰি ল'ম
খতিয়কসকলক, বোৱনীহঁতক
কেলগে সপোন দেখিম
াণালী আঘোণৰ
াক লৈ বলা মাটিৰ বুকুলৈ
ভাকাতুৰ পৃথিৱীক
পহাৰ দিম
ইচৰ অনিন্দ সংগীত।



## বেদনা

বৰষা ডেকা
তৃতীয় ষান্মাসিক

বেদনাৰে ভৰা মোৰ হিয়ামনি।
যিদিনা তুমি আছিলা সেইদিন।
ৰচিছিলো কিমান সপোন...।
সেই সপোন আজি সপোন হৈ ৰ'ল...।
কিয় আহিছিলা দুদিনৰ কাৰণে
মোৰ উকা হিয়াখনি ভৰাই তুলিবলৈ.
আজি যে মোৰ কিমান বেদনা
কোনেয়ো দেখা নাই...।
কেৱল দুচকুত সেমেকা চকুপানী।
হাঁহিৰে ঢাকি ৰাখিছো সেই চকুপানীবোৰ...।
কোনে আহি পূৰাব সেই উকা হিয়াখনি...।
কেৱল প্ৰাৰ্থনা কৰিছো সেই নেদেখা জনলৈ...।
তেওঁৰ বাহিৰে আৰু কোনো নাই
মোৰ উকা হিয়াখনিত।
'হে ভগৱান' কিয় ইমান নিষ্ঠুৰ
আছিল মোৰ সপোনবোৰ।
বিষাদেৰে ভৰা হিয়াখনি লৈ
আজীৱন ৰৈ আছো মই।

# নিস্তব্ধ প্ৰেম

জোনজ্যোতি বৰুৱা
তৃতীয় ষান্মাসিক



নিশা উজাগৰে থাকি
তোমাৰ কথা ভাবো
টোপনি গ'লেও কেতিয়াবা
সপোনত তোমাকেই দেখো
ভাবো যেন সকলো সঁচা
আছা তুমি কাষতে বহি,
জেতুকাৰ ৰাঙলী হাত
মূৰত আছে ওৰণি
সপোন ভাঙিলেহে
বিষাদত চকুলো বয়।
এনেকৈ তোমালৈ জানো
কেতিয়ালৈ থাকিম বৈ,
যৌৱনৰ দিনবোৰ গুচি যায়
কাষত পালেও তোমাক
মনৰ কথা মনতে থাকি যায়।
বুজিব খুজিলে মনৰ বতৰা
মোৰ চকুত দুচকু থ'বা
ভালপাওঁ তোমাক কিমান গভীৰতাত
তেতিয়াহে বুজিবা।

# আশা

বনজিৎ
তৃতীয় ষা

মোৰ মৃত্যু হ'লে চিতা নজ্বলিব
জ্বলিব এখন হৃদয়।।
ধোৱাৰ সলনি উৰিব সপোন
বাঁহৰ সলনি ফুটিব আশা।।
আশা কৰো তুমি আহিবা
অলপ বৈ চাবা মোৰ মুখলৈ
দেখিবা ক'ত আশা, ক'ত সপোন
ধোৱাৰ দৰে উৰি গৈছে।
নীৰৱে আকাশলৈ।
মোৰ ভাল পোৱাৰ মূল্য
তুমি কি বুজিবা।।
যেতিয়া তোমাৰ হৃদয় ভাঙিব
তুমি নিজে কান্দিবা।

# ভেজাল

নয়ন শৰ্মা
তৃতীয় যান্মাসিক

ভেজাল, ভেজাল, সকলো ভেজাল
ভেজাল হৈ গ'ল দেশ।
ভেজাল খাই আজিৰ অসমীয়াই
ল'লে কানিয়াৰ বেশ।
চাউলত শিল, তেলত মবিল,
চুজিত নদীৰ বালি।
আটাইবিলাক ভেজাল হ'ল
চুপাই পাতি খেল।
ছোৱালীবিলাক ভেজাল হ'ল
প্ৰেমত ব্যস্ত,
ল'ৰা বিলাক ভেজাল হ'ল
ছোৱালীৰ প্ৰেমত ব্যস্ত।
ভেজাল, ভেজাল, সকলো ভেজাল
ভেজাল হৈ গ'ল দেশ।
ভেজাল খাই আজিৰ অসমীয়াই
ল'লে কানিয়াৰ বেশ।



# ৰক্তসিক্ত চকুলো

অখিল ডেকা
পঞ্চম যান্মাষিক

ইপাৰ সিপাৰ ওপচা
ভৰা লুইতৰ দুই পাৰৰ মাজত
মাথো হেজাৰ দুৰ্ভগীয়াৰ ক্ৰন্দন
বিননি মাথো নাহিবি তই নানিবি তই
কালজয়ী শপত
তোৰেই সপত তয়েই মাথোঁ কাঢ়িলি
মোৰ হেঁপাহৰ ঘৰ
হে বৰলুইত, কৰিছো তোক
অযুত কাকুতি
নানিবি বান
ৰাখিবি দুখীয়াৰ ধান
জীৱনযোৰা হেঁপাহৰ
সুখ-শান্তিত নিদিবি
ৰক্তসিক্ত চকুলো।

# জাতিৰ পিতা

**ভাৰ্গৱ দাস**
পঞ্চম ষান্মাষিক

মহামানৱ মহাত্মা গান্ধী
তুমি জাতিৰ পিত
তুমিয়েই আনি দিলা
ভাৰতৰ স্বাধীনতা।
অহিংসা নীতিৰে তুমি
ব্ৰিটিছক খেদিলা,
পৰাধীনতাৰ শিকলি ছিঙি
ভাৰতৰ মুক্তি দিলা,
কোটি কোটি ভাৰতবাসীক
একতাৰ ডোলেৰে বান্ধিলা।
দেশবাসীৰ বাবে তুমি
জীৱন দান দিলা,
সেয়ে তুমি জাতিৰ পিতা
চিৰ যুগমীয়া।
দুই অক্টোবৰ গান্ধী জয়ন্তীত
তোমাক প্ৰণাম কৰো,
দেশবাসীৰ হৈ মই
চৰণত ধৰোঁ।



# নিঃসংগতা

**মৃদুল বনিয়া**
পঞ্চম ষান্মাষিক

নিৰ্জনতাবোৰ ফালি ছিৰি
অকলশৰে পৰি আছে
মোৰ মৌন দুপৰীয়াটো,
পচোৱাজাকৰ উন্মদনাত
সৰি পৰা হালধীয়া পাতৰ ভাষাই
বাৰে বাৰে দি যায়
দেও লগা সময়ৰ উমান,
তুমি আহিবানে চাবলৈ
মোৰ নিঃসংগতাবোৰ...।

# জীৱন

**পৰাগ বৰ্মন**
পঞ্চম ষাণ্মাষিক

জীৱন এটি আধৰুৱা পথ
অসম্পূৰ্ণ এটি সপোনৰ দৰে
জুখি ৰাখিবৰ সীমাৰেখা নাই
নৈৰ দৰে এটি যুগমীয় সোঁত
সদায় প্ৰৱল গতিৰে বৈ যায়।
জীৱনৰ প্ৰতি পলে
কৰ্ম সাফল্যৰ পথ
হাত সাৱটি বহি থাকিলে
দেখা নাপায় জীৱনৰ পথ
মিঠা অনুভৱবোৰ সলনি হৈয়ে থাকে
স্মৃতিৰ গতিশীলতাৰে।
জীৱন প্ৰবাহিত হয় নানা সংগ্ৰামেৰে
চমু হৈ আহিছে প্ৰতিটো মুহূৰ্ত
জীৱন হেৰালেও
পৃথিৱী নেহেৰাই
সৎ কৰ্ম কৰিলে
স্মৃতি বৈ যায়।

# সপোন


**হিৰকজ্যোতি ডেকা**
পঞ্চম ষাণ্মাষিক

কোনেওঁ নেদেখা সপোন...
এসময়ত... ময়ো সপোনৰ বালিচৰত
এটি পঁজাঘৰ সাজিছিলোঁ।
তাকে লৈ আবেলি পৰত শেৱালিৰ তলত
অযুত কল্পনা কৰিছিলোঁ
কিন্তু, সপোন জানো বাস্তৱত ৰূপায়িত হয়?
হঠাৎ, এজাৰ ধুমুহাই উৰুৱাই নিলে
মোৰ সপোনৰ তুলিকাৰে অংকিত
মৰমৰ পঁজাটি।
আজি সেই ঠাইত ঘা লাগি পৰি আছে
বীভৎস অতীত আৰু চকুলোৰ মালা
কেতিয়াবা স্মৃতিৰ কৰণিত থকা ফুলবোৰে
সোঁৱৰাই দিয়ে বিষাদময় কথা।

# জয়তু পাতিদৰং মহাবিদ্যালয়

**কংকনা দাস**
পঞ্চম যান্মাসিক

জয়তু পাতিদৰং মহাবিদ্যালয়
জনালো তোমাক সহস্ৰ প্ৰণাম।
আহিলো ঢাপলি মেলি
লও বুলি জ্ঞানৰ উম তোমাৰ কোলাত।
ল'বা জানো আঁকোৱালি স্নেহেৰে
হে জ্ঞানৰ ভৰাল, কিদৰে কৰিম
তোমাৰ বন্দনা,
নাই যে, মোৰ মনত ভাষা
ক'ত সাধনা, ক'ত কামনাৰ
তুমি হ'ল এগছি জ্ঞানৰ পোহৰ হ'লা
জ্বলি উঠিছে আজি ক'তজনৰ
সুখৰ হাঁহি।
জয়তু পাতিদৰং মহাবিদ্যালয়,
আহিছোঁ হাত মেলি তোমাৰ চৰণত
দিবা জানো মোক জ্ঞানৰ দুৱাৰ খুলি।
হে জ্ঞানৰ ভৰাল,
তোমাৰ কৃপাতে ফুলি উঠক
মোৰ মনৰ মাজৰ পদুম কলি
তোমাৰ আলোকেৰে
উজ্বলি উঠক চৌদিশে
জিলিকি থাকক তোমাৰ নাম সকলোতে
জনাও তোমাক নমস্কাৰ
জয়তু পাতিদৰং মহাবিদ্যালয়।



# নৈ

**মধুস্মিতা চহৰী**
স্নাতক প্ৰথম

নৈ জানো তোমাৰ নালাগে ভাগৰ
আত্মবিভোৰ হৈ
অস্থিৰ গতিৰে
অবিৰাম থকা যে বৈ।

বাধাহীন সোঁতত ঢৌবোৰৰ স'তে
কুলু কুলু সুৰে
কিনো অমিয়া গোৱা
নৈপৰীয়া পখীৰ হিয়া জুৰোৱা।
তোমাৰ গীতৰ সুৰত
আকুল কণ্ঠে
কুলিটিয়েও ডালত পৰি
মাতিছে অমিয়া মাত।
নৈ,
গ্ৰীষ্মৰ পৰশত হোৱা তুমি গাভৰু,
দুয়োপাৰ বাগৰী পলস ঢালি
সেউজীয়া সাজেৰে অসমীৰ উদং বুকু ঢাকি।
কিন্তু,
কেতিয়াবা তোমালৈ অভিমান জাগে,
যেতিয়া তোমাৰ উত্তাৱল বানে
কৃষকৰ কাঢ়ি নিয়া হাঁহি।।

# মাথো তোমাৰ বাবে

বিভা বৰ্মন
স্নাতক প্ৰথম বৰ্ষ

য় ! ভয় ! ভয় !
কেৱল ভয় !
াগে মাথো
তোমাৰ বাবে
সী সিদিনাৰ দৰে
যাব নেকি আঁতৰি
ৰদিনৰ বাবে !
পাৰিবানে ধৰি ৰাখিব
সীয়া মোৰ অতীতৰ দিনলিপি
পাৰিবানে আঁতৰাব
সী মোৰ অতীতৰ দুখবোৰ
মোৰ কলিজাৰ মাজত
লি থকা একুৰা ৰঙা জুই
পাৰিবানে নুমাব
মি উমি জ্বলি থকা সেই জুইকুৰা !
প্ৰয়োজনত উঠাবা হাত
কতিয়াও নিদিবা আঘাত,
পুনৰাবৃত্তি হ'বলৈ নিদিবা
মাৰ জীৱনত আকৌ সেই দুখবোৰ,
মোক বুজিবলৈ, চিনিবলৈ চেষ্টা কৰা
নি, বুজি নোলোৱাকৈয়ে
কিয় বাৰু খং কৰা
কতিয়াও নাযাবা দে
মোৰ পৰা আঁতৰি
কানো অজান দেশলৈ
ভয় লাগে মাথো তোমাৰ বাবে
সী সিদিনাৰ দৰে
যাবা নেকি আঁতৰি
ৰ দিনৰ বাবে... !

# সোণোৱালী শৈশৱ

নীলাক্ষী কাকতী
স্নাতক প্ৰথম বৰ্ষ

বোকা-বালি-ধূলিৰেই
যেতিয়া আছিল লগৰী
অলং-দলং ৰজাৰাণী
চেংগুটি হেতালী খেলিয়েই
যেতিয়া কৰিছিলো ধেমালী।
দেউতাৰ মৰম সনা শাসন,
মাৰ বুকুৰ উমত যেতিয়া
সপোন দেউকা মেলিছিল
আইতাৰ সাধু, তামোলৰ সেলেঙিয়ে
য'ত দিছিল আনন্দৰ সুবাস ঢালি
শৈশৱৰ সেই দিনবোৰ আছিল সোণোৱালী।
হে প্ৰিয় শৈশৱ
জীৱনৰ আলি-পদুলিতে এৰি আহিছো তোমাক
তথাপিও কিয় জানো
মন যায় ঘূৰাই পাবলৈ,
কল্পনাৰ ৰঙীন পৃথিৱীখনত
নিজকে পুনৰ বিলীন কৰিবলৈ।।

# দেউতা তই যোৱাৰ পৰত

**ধৰিত্ৰী কাকতী**
স্নাতক প্ৰথম বৰ্ষ

দেউতা তই যোৱাৰ পৰত
সিদিনা নোলাল বেলি
মাৰ চুৰি আউলী-বাউলী
হঠাৎ ডুব গ'ল কাৰ কপালৰ
জোন ওৰেটো ৰাতি
হো-হোৱাই বলি থাকিল এজাতি
বিষাদ বতাহ।
তই যে আঁতৰি গলিগৈ
খামি ডাঠ মানুহটো
সঁচাকৈ সকলোৰে কোৱাৰ দৰে
আৰু কেতিয়াও নাহিবিনে ঘূৰি
কাক সুধিম, কাক সুধিম?
দেউতা অ'
তোৰ চিতাৰ জুইকুৰা এতিয়া
বগাই আহিছে মোৰ বুকুলৈ,
মা আৰু দাদাহঁতৰ কলিজা পুৰি
হোৱাটো হৈ গ'ল সকলো ঈশ্বৰৰ ইচ্ছা
আস! ডিঙিত লাগি ধৰিছে কি বিষাদ
বাঁহনিৰ তলত তোক অকলশৰে
এৰি থৈ অহাৰ পৰত
কাজলীৰ চকুৰ কোণত এটা
নিজৰা বৈছিল
বাঁহনিৰ চৰাইবোৰে শুৱা নাছিল
ওৰে ৰাতি
ধিমিক-ধামাককৈ নুমাই গৈছিল
তুলসীৰ তলৰ চাকি।
নিমাত মাও আন্ধাৰত মুৰ গুজি
তই যে সাজি দিছিলি
কাপোৰেৰে সজা সেই পুতলাজনী
চাইকেলৰ আগত বহুৱাই
ৰঙা-নীলা চকৰি চেৰাই
আস! অন্ধকাৰ, অন্ধকাৰ
টেমাত ভৰাই থোৱা পুৰনি কথাবোৰ
আজি আকৌ ওলাই আহিছে হোৱাহোৱে
সঁচাকৈয়ে আৰু কেতিয়াও নাহিবিনে?
দেউতা চুলি দীঘল হ'লে
চুলিৰ আগবোৰ কাটি দিবলৈ
কেঁচিয়ে আঙুলি কাটোতে
কাপোৰ বান্ধি দিবলৈ
অংক নোৱাৰিলে কাণ চেপা দিবলৈ
সকলোৰে কৈছে তই হেনো সেই
বাটে গলি
যি বাটেৰে কোনো কালে
কোনো আৰু উভতি নাহে
ৰ'বা দেউতা, ময়ো যাম... ময়ো যাম
তোৰ আঙুলিত ধৰি কেতিয়াও
উভতি নহাৰ বাটেৰে।

# অনুভৱ

**নিজৰা**
স্নাতক প্ৰ

জীৱনত যদি কেতিয়াবা এন্ধাৰ আহে
তেনে হ'লে চাকি নজ্বলাবা
কিয়নো চাকিৰ পোহৰহে পাবা
তাৰ সঁচা প্ৰতীক বিচাৰি নাপাবা
প্ৰেমক লৈ অস্থিৰ হ'লে
মনত দুখ নকৰিবা।
তোমাক ভাল পোৱা মানুহজনে
তোমাক এন্ধাৰলৈহে আনিব
তোমাক পোহৰ দি নাযায়
তুমি চেষ্টা কৰিবা এন্ধাৰক পোহৰে
কেনেকৈ আঁতৰাই...।

# ভণ্ড দেশপ্ৰেমিক

শ্ৰীকাকলি ডেকা
স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ

নিসাৰ এন্ধাৰৰ সুযোগ লৈ ঘূৰি ফুৰে
এদল ভণ্ড মুখাপিন্ধা দেশ প্ৰেমিক
নাই সিহঁতৰ পোহৰৰ সৈতে যুঁজিবলৈ
অলপো সাহস
স্বাধীনতা আছে জানো সিহঁতৰয়
স্পন্দহীন বন্দুকৰ নীলা নীলা জুইৰ শিখাবোৰৰ দ্বাৰা
নিঃশেষ কৰে সিহঁতে অনেক দেৱতুল্য শিশুৰ জীৱন।
বুজি পায় জানো সিহঁতেয়
স্বাধীনতাৰ প্ৰকৃত মূল্য।
ধ্বংস কৰে অনেক জনৰ জীৱন
স্বাধীনতাৰ বাবে লাগেনে বাৰু?
নিৰীহ জনগণৰ এবুকু কেঁচা তেজ আৰু
অস্ত্ৰ বাৰুদৰ জুই।
ভাবি চোৱাচোন এবাৰ তোমালোকে
এয়াই জানো তোমালোকৰ প্ৰকৃত দেশপ্ৰেময়
দেশপ্ৰেমৰ নামত, অৰণ্যৰ মাজত
যিয়ে সিঁচে সন্ত্ৰাৰ বীজ
বুজি পায় জানো সিহঁতে
দেশপ্ৰেমৰ প্ৰকৃত অৰ্থ।

# মোৰ অবিৰত যাত্ৰা

বৰ্ণালী নাথ
স্নাতক প্ৰথম বৰ্ষ

যাত্ৰা মোৰ অবিৰত
লক্ষ্য মোৰ সীমাহান
পাৰিমানে সফল হ'ব?
য'ত আছে কাঁইট
খলা-বমা, ঘাট-প্ৰতিঘাট
আকাংক্ষা ও স্বপ্ন মোৰ সুৰুযমুখী।

আহিবনে এনে দিন
যিটো দিনত কাঁইট উভালিব পাৰিম
যিটো দিনত হ'ব সেন্দুৰীয়া
মানৱীয় মূল্যবোধ অন্তনিৰ্হিত
এখন সুস্থ সবল শোষণহীন সমাজ গঢ়া
জগতক স্বচ্ছতাৰ দিশত আগুৱাই নিয়াৰ,
এক অফুৰন্ত প্ৰয়াসেৰে
অন্তহীন আশাৰ পানচৈ?

পাৰিব লাগিব।
কাৰণ
মানুহেই কৰিব পাৰে অগম্যগমন
অলংঘ-লংঘন আৰু
সেউজ আকীৰ্ণ প্ৰস্তৰময়
সুউচ্চ শৃংগতো আৰোহন
নিজে বাচিব লাগিলে
বচাব লাগিলে
কৰ্মৰ দমেৰে কৰিব লাগিব
সন্মুখৰ কুটিল যুদ্ধ জয়।

অবিৰাম গতি ৰবলৈ সময় নাই
ভাবো,
এই যাত্ৰাৰ অন্ত ক'ত?

# আধৰুৱা সপোন

লক্ষ্য দাস
পঞ্চম যান্মাসিক

নুবুজিলা কেতিয়াও
হয়তো নোৱাৰিলো বুজাব,
অত দিনে নিশাই প্রতিপল
অহৰহ বৈ থাকে
তোৰেই ভাবনা হৃদয়ত।

নিষ্ঠুৰ তই নে তোৰ অতীত?
তোৰ নিচিনাকৈ মোৰে দেহত
শিৰে শিৰে ৰক্ত কণা বৈ
দেহৰ ভাজে ভাজে
দুখ ভাগৰ, শোক চিন্তাই
অহৰ্নিশে তোৰো বাগৰ সলায়।
কিয় আজি ইমান দুৰ্বল মোৰ অনুভৱ!
চিগো বুলিয়েই জানো চিগিব পাৰি
হৃদয়ৰ বান্ধোন!
দেখিছিলো জানা মইওঁ
তোৰ দুচকুতে এটি সজল সপোন
কিন্তু আজি তইয়ে সকলো শেষ কৰি দিলি.....

# ONE SOUL, THOUSAND DREAMS

**Rubuljit Deka**
**5th semester**

Let the sun help the universe
Let the earth neep the moon
Let my soul fulfill my dreams
Why above the centuries O belong
Moving through the wild the sand
Let it touch my pulses, my nerves
and my mind resolves My soul
Among the thousand dream of foul
Let my heart float in love, in air
Between the space and my earth
Let me sit under the shade of green
And fill my soul with love's dream.
Let me place myself above the peak.
And view the world with eyes of love
Let me speared fragrance and warmth
and bring closer my earth to heaven
Let my soul feel the drops of rain
and was way in the river my pain.
Let me be at peace with my love
With her thousand and her charms
Let me dance with her in wet
Rhyming in the back is a sweet duet
Bang with my life is rutine
I got myself in a band of love
Let me shower the rain of love
Let the power of love win along
Let the tower of love rise above
and wish for me to be place with love.

# উপ-সভাপতিৰ প্ৰতিবেদন

সাগৰ সংগমত কতনা সাতুঁৰিলো
তথাপিতো হোৱা নাই ক্লান্ত
সেয়েহে মনৰ মোৰ প্ৰশান্ত সাগৰৰ
উৰ্মিমালা অশান্ত ।

প্ৰতিবেদনৰ আৰম্ভণিতে সকলো পাতিদৰঙীয়ালৈ মোৰ হিয়াভৰা মৰম যাঁচিছো। মোৰ জীৱনৰ লক্ষ্য স্থানৰ প্ৰথম খোজত সফলতা দিয়াৰ বাবে পাতিদং মহাবিদ্যায়লৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

লুইতৰ উত্তৰ পাৰৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ পাতিদংৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যিসকল মহান মনীষীয়ে ত্যাগ কষ্ট স্বীকাৰ কৰিছিল সেইসকল মহান ব্যক্তিলৈ মোৰ সশ্ৰদ্ধা প্ৰণাম যাচিছোঁ।

আমাৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিয়াৰ আমঠু পাতিদৰং মহাবিদ্যালয়খনিৰ ছাত্ৰ একতা সভাৰ উপসভাপতি হিচাপে এবছৰৰ বাবে প্ৰতিনিধিত্ব কৰিবলৈপাই মই আজি আনন্দিত।

ছাত্ৰ সমাজৰ লগত নৈতিকতাৰ স্পৰ্শক অতি নিবিড়। গতিকে আমি ছাত্ৰ সমাজৰ সৎ চৰিত্ৰবান হৈ এখন সুন্দৰ শান্তিপূৰ্ণ ভাৰত গঢ়িবলৈ আগবাঢ়ি আহিব লাগে। শান্তিয়েই প্ৰগতি, গতিকে তেতিয়া দেশত প্ৰগতিয়ে বিৰাজ কৰিব। বৰ্তমান সময়ত ছাত্ৰ সমাজৰ সন্মুখত এটা গধুৰ প্ৰত্যাহ্বান আহি পৰিছে যে নিজক আৰু নিজৰ সমাজখনক দুৰ্নীতিমুক্ত কৰা। এই ভাইৰাছটো আমাৰ সামাজিক জীৱনত এনেদৰে বিয়পিছে যে ই আমাৰ সমাজখনক আমাৰ দেশক একেবাৰে নিঃশেষ কৰি দিব। সেয়েহে বৰ্তমান ছাত্ৰ সমাজে প্ৰকৃত শিক্ষাৰ উত্তৰাধিকাৰী হৈ দুৰ্নীতি শব্দটো নোহোৱা কৰি এখন স্বচ্ছ, নিকা ভাৰত গঢ়িবলৈ আগবাঢ়ি আহিব লাগে।

কাৰ্যকাল ঃ মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীন বিকাশৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ চেষ্টা কৰিছো।

কিছুমান ক্ষেত্ৰত সফল হৈছো আৰু কিছুমান ক্ষেত্ৰত বিফল হৈছো। মোৰ কাৰ্যকালত মই কিমান সফল বা বিফল ইয়াৰ লেখা জোখৰ, বিবেচনাৰ দায়িত্ব পাতিদৰং মহাবিদ্যালয়ৰ হাতত অৰ্পণ কৰিলোঁ।

অৱশেষত মোৰ কাৰ্যকালৰ বিভিন্ন ক্ষেত্ৰত সহায় কৰা পাতিদৰং মহাবিদ্যালয়লৈ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰি সাহিত্য লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ ভাষাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

বাজক দবা, বাজক শংখ
বাজক মৃদং খোল
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল।
জয়তু পাতিদৰং মহাবিদ্যালয়

**শ্ৰীৰিতু পৰ্ণ ঠাকুৰীয়া**
উপ-সভাপতি
ছাত্ৰ একতা সভা
পাতিদৰং মহাবিদ্যালয়।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে আপোনালোক সকলোৰে সিং চিন্তা-ভাৱনা, উৎসাহ আৰু সহায় সহযোগিতাৰ স্বীকাৰ নকৰাকৈ থাকিব নোৱাৰিলো. যাৰ স্বতঃস্ফুৰ্ত সহাৰিও মোৰ নিচিনা সাধাৰণ ব্যক্তি এজনক পাতিদৰং মহাবিদ্যালয়ৰ ইং ২০১৭-১৮ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি এই গুৰু দায়িত্ব পালনৰ জৰিয়নে এনে হেন মহান শিক্ষানুষ্ঠানৰ প্ৰতি সেৱা আগবঢ়োৱা সুবিধা কণ দিলে তাৰ বাবে প্ৰতিজন সচেতন পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

অসমীয়া জাতিৰ অস্তিত্বৰ হকে যিসকল মহান নিষ্ঠাবান ত্যাগী ব্যক্তিয়ে নিজৰ জীৱনকো তুচ্ছ কৰি জাতিৰ বাবে প্ৰাণ আহুতি দিলে সেইসকল মহান ব্যক্তিৰ আত্মাৰ চিৰশান্তিৰ কামনা কৰি আৰু পাতিদৰং মহাবিদ্যালয়ৰ আজিৰ ৰূপ পোৱাত যিসকল মহান ব্যক্তিয়ে চৰম ত্যাগ কৰিলে সেইসকল ব্যক্তিৰ সোঁৱৰণিৰে মই মোৰ প্ৰতিবেদন আৰম্ভ কৰিলো।

সাধাৰণতে সম্পাদক নিৰ্বাচিত হোৱাৰ আগতে বহুতো কথা ভাবিছিলো, বহু পৰিকল্পনা হাতত লৈছিলো তাৰ কিছুমান পুৰণ কৰিছো যদিও কিছুমান পৰিকল্পনা কল্পনা হৈয়ে থাকিল। কিন্তু কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে এনে কিছুমান বাস্তৱ পৰিৱেশ, কৰ্তৃপক্ষৰ অমনযোগ, অৰ্থৰ অভাৱ আদিৰ সন্মুখীন হ'ব লগা হ'ল যিবিলাক আমাৰ কাৰ্যাভাৰ চলাই যোৱাত প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে কাবৌৰ দৃষ্টি কৰিছিল। আগন্তুক দিনবোৰত কৰ্তৃপক্ষই বৈ যোৱা কামবোৰ সম্পন্ন কৰিব বুলি আমাক আশা দিছে।

প্ৰতিভা সপ্তাহ ঃ বিগত বছৰৰ দৰে এই বেলিও চাৰিদিনীয়া কাৰ্যসূচীৰে ঊনত্ৰিশতম মহাবিদালয় প্ৰতিভা সপ্তাহ পালন কৰা হয়। মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীময় বৰকাকতীয়ে। বঁটা বিতৰণী সবা অনুষ্ঠানত উপস্থিত থাকে মহাবিদ্যালয়ৰ বিষয়ববীয়াসকল। ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক, বৌদ্ধিক তথা সাংস্কৃতিক দিশৰ অনুশীলনৰ বাবে আমাৰ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হৈ আহিছে। আগন্তুক দিনত সমূহ ছাত্ৰ-ছাত্ৰীকে মহাবিদ্যালয় সপ্তাহ পালন কৰিবলৈ অনুৰোধ জনালো।

নৱাগত আদৰণি সভা ঃ যোৱা কেইবাৰৰ দৰে এইবেলিও ছাত্ৰ-ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকলৰ লগতে আলোচনা কৰি যোৱা ২৫ আগষ্ট শনিবাৰে নৱাগত আদৰণি সভাৰ কাৰ্যসূচী অনুষ্ঠিত হয়। সেই উপলক্ষে ৰাতিপুৱা ৮.৩০ বজাত মহাবিদ্যালয় পতাকা উত্তোলন কৰে পাতিদৰং মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীময় বৰকাকতীয়ে। ন বজাত বৃক্ষৰোপন কৰে শ্ৰীঘনশ্যাম জেকাদেৱে। ৯.৩০ বজাত শ্বহীদ তৰ্পণ কৰে কামৰূপ জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক মৃদুল পাটোৱাৰীদেৱে। সতীৰ্থ সন্মিলন উদ্বোধন কৰে সহঃঅধ্যাপক (অসমীয়া বিভাগ) মাননীয় শ্ৰীদুলাল চন্দ্ৰ শৰ্মাছাৰ আৰু সহঃঅধ্যাপক আৰাবীক

বিভাগৰ মাননীয় মহঃ বাহৰুল ইছলাম ছাৰে। দিনৰ বাৰ বজাত অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীশ্ৰীময় বৰকাকতীয়ে। উক্ত অনুষ্ঠানত আমন্ত্ৰিত মুখ্য অতিথি আসন শুৱনি কৰে মকলপুৰ সমষ্টিৰ বিধায়ক ডাঙৰীয়াই। দুই বজাত সাংস্কৃতিক অনুষ্ঠানৰ আমন্ত্ৰিত শিল্পীৰ আসন শুৱনি কৰে ৰিংকু প্ৰিয়মৰ গীতৰ শৰাই।

সেয়েহে তেখেত সকললৈ আমাৰ মুকলি সভাত উপস্থিত হোৱাৰ বাবে চিৰকৃতজ্ঞ।

সভা-সমিতি ঃ বিগত বছৰটোত মহাবিদ্যালয়ত কেইবাখনো সভা আৰু আলোচনাচক্ৰ অনুষ্ঠিত হয়। ইয়াৰোপৰি শিক্ষক দিৱস, মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস, সৰস্বতী পূজা, মিলাদ এ মেহফিল, বাথৌ পূজা আদি অনুষ্ঠিত হয়।

অভাৱ-অভিযোগ ঃ অনুষ্ঠান এখনত বিভিন্ন অভাৱ-অভিযোগ থকাটো স্বাভাৱিক। কিছুমান সমস্যা দূৰ কৰিলো সেইবোৰ হ'ল, ফিল্ড, খোৱাপানী আদি। বিশেষ অন্যান্য কেইটামান কামৰ বাবে কৰ্তৃপক্ষক অৱগত কৰা হৈছে। কৰ্তৃপক্ষই ভৱিষ্যতে সমাধান হ'ব বুলি আমাক আশা দিছে। তাৰোপৰি আমাৰ মাননীয় বিধায়ক ডাঙৰীয়াই আমাৰ মহাবিদ্যালয় পথ মেৰামতি সমস্যা সমাধান কৰিব বুলি আমাক আশা দিছে।

কৃতজ্ঞতা ঃ মোৰ কাৰ্যকালত বিভিন্ন দিহা পৰামৰ্শ অধ্যাপক আৰু অধ্যাপিকা অসমীয়া বিভাগৰ শ্ৰীতপন শৰ্মাছাৰ আৰু শ্ৰীদুলাল শৰ্মা ছাৰ। বুৰঞ্জী বিভাগৰ শ্ৰীসৰযু কলিতা আৰু দৰ্শন বিভাগৰ মিছ জুৱেনা দেৱান বাইদেউক মই শ্ৰদ্ধাৰে সুঁৱৰিছো।

মোক বিভিন্ন দিশত সহায় কৰা বন্ধু-বান্ধৱীসকল হ'ল দীপশিখা, মানৱ, ৰুবুল, প্ৰাঞ্জল, অখিল, ৰিতুপৰ্ণ, বিৰাজ, সঞ্জয়, দিগন্ত, পল্লবী, কৰবী, দেইজী, সমৰজিৎ, কংকন, হৰদ্বীপ, নিতু ইত্যাদি।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা প্ৰতিবেদনত ৰৈ যোৱা জ্ঞাত-অজ্ঞাত ভুলৰ বাবে সদৌটিৰে ওচৰত ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

ধন্যবাদেৰে
জয়তু পাতিদৰং মহাবিদ্যালয়

**শ্ৰীখনিন্দ্ৰ ডেকা**
সাধাৰণ সম্পাদক
পাতিদৰং মহাবিদ্যালয়
ছাত্ৰ একতা সভা

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ চেষ্টা-চিন্তাৰ ফলত পাতিদৰং মহাবিদ্যালয়ৰ জন্ম হৈছিল তেওঁলোকৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ। ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ শপত গ্ৰহণ কাৰ্যসূচীৰ পিচতে মোৰ সন্মুখত প্ৰথম কাৰ্যক্ৰমনিকা আছিল। মহাবিদ্যালয় সপ্তাহ। ২০১৮ বৰ্ষৰ পহিলা মাহটোত অনুষ্ঠিত হোৱা এই বাৰ্ষিক সপ্তাহত সাংস্কৃতিক, সাহিত্য আৰু খেল বিষয়ৰ বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। তাৰ পিছত সৰস্বতী পূজাত সম্পাদক হিচাপে পদত থাকি পূজাখন ভালদৰে চলাই নিয়া আৰু মোৰ বন্ধু-বান্ধৱৰ পৰা পোৱা সহায়-সহযোগিতাৰ কথা নিশ্চয় ক'ব লাগিব। আমাৰ কাৰ্যকালৰ সবাতোকৈ সফল অনুষ্ঠানটো হ'ল নৱাগত আদৰণি সভা। আমাৰ মহাবিদ্যালয়ৰ চোতালত অনুষ্ঠিত হোৱা এই নৱাগত আদৰণি সভাই সমগ্ৰ পাতিদৰং মহাবিদ্যালয়ৰ হৃদয় চুই গৈছে। বিভিন্ন বাধা-বিঘিনি নেওচি উদ্‌যাপিত কৰা এই সভাৰ সফলতাৰ বাবে আমি বাৰুকৈয়ে সুখী। ইয়াৰ উপৰি আমাৰ মহাবিদ্যালয়ত সৰু-বৰ অনুষ্ঠান উদ্‌যাপিত হৈ যায়।

সদৌ শেষত সকলোৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

সহঃ সাধাৰণ সম্পাদক

**কংকন বৰুৱা**

পাতিদৰং মহাবিদ্যালয়, ছাত্ৰ একতা

ইং-২০১৭-১৮ বৰ্ষ

# ছাত্র জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

পোন প্ৰথমে পাতিদৰং মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গলৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও শুভেচ্ছা জ্ঞাপন কৰিলোঁ। পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ বাবে সকলোকে ধন্যবাদ জনালো।

পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি মই মহাবিদ্যালয়ৰ সপ্তাহ বিভিন্ন খেল অনুষ্ঠিত কৰিলোঁ। এই খেল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সমূহ প্ৰতিযোগিলৈ মোৰ তৰপৰ পৰা আন্তৰিক অভিনন্দন যাচিলোঁ। শিক্ষাৰ এটা অপৰিহাৰ্য অংশ খেল-ধেমালিৰ সৈতে জড়িত হৈ মই নিজকে গৌৰবান্বিত অনুভৱ কৰোঁ।

মই এই কাৰ্যকালত মোৰ শ্ৰদ্ধাৰ তত্বাৱধায়ক আৰু মোৰ বন্ধু-বান্ধৱীসকলে যথেষ্ট সহায়-সহযোগিতা আগবঢ়াইছিল। তাৰ বাবে তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ। মই পাতিদৰং মহাবিদ্যালয়ৰ সমূহ মহোদয়কে ধন্যবাদ জ্ঞাপন কৰিছোঁ। তেওঁলোকে দিয়া উপদেশ সমূহৰ বাবে মই দায়িত্বখিনি সুকলমে পলান কৰিব পাৰিলোঁ। প্ৰতিবেদনৰ সামৰণিত পাতিদৰং মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু দিছপুৰিয়ানৰ সদীৰ্ঘ উন্নতি কামনা কৰি মই মোৰ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদনৰ সামৰণি জনালো।

জয়তু পাতিদৰং মহাবিদ্যাল
জয়তু পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম

**বিৰাজ ডেকা**
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক।
পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা
ইং-২০১৭-১৮ বৰ্ষ

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন...

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ চেষ্টা আৰু ত্যাগৰ বিনিময়ত পাতিদৰং মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সোঁৱৰিছো লগতে আন্তৰিক কৃতজ্ঞতা জনাইছো।

ইং ২০১৭-২০১৮ বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক ভোট দি জয়যুক্ত কৰি সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ শুভাকাংক্ষী, বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু অভিনন্দন জনালোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছত মহাবিদ্যালয়ত খেল প্ৰতিভা সপ্তাহ আৰম্ভ হয়। ইয়াৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ লগতে বিভিন্ন শিতানৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি পুৰস্কৃত হৈছে। মোৰ কাৰ্যকালত বিভিন্ন দিশত উৎসাহ অনুপ্ৰেৰণা তথা সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱীলৈ মোৰ অভিনন্দন জ্ঞাপন কৰিলোঁ।

সদৌ শেষত পাতিদৰং মহাবিদ্যালয়ৰ অধ্যক্ষা তথা শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা যাঁচি পাতিদৰং মহাবিদ্যালয়ৰ গৌৰৱোজ্বল ভৱিষ্যত কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিছো আৰু অজানিতে কৰি অহা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

জয় আই অসম
জয়তু পাতিদৰং মহাবিদ্যালয়

শ্ৰদ্ধাৰে
**অখিল ডেকা**
সাংস্কৃতিক সম্পাদক
পাতিদৰং মহাবিদ্যালয়
ছাত্ৰ একতা সভা

কিছুসংখ্যক প্ৰতিবেদন সময়মতে নোপোৱা বাবে প্ৰকাশ কৰিব পৰা নগল। তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

## অষ্টবিংশতিতম প্ৰকাশ

২০১৭-২০১৮বৰ্ষ

# পাতিদৰং মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদকসকল

১। শ্ৰীলংকেশ্বৰ ডেকা — ১৯৮৯-১৯৯০ বৰ্ষ।
২। শ্ৰীসবিতা দাস — ১৯৯০-১৯৯১ বৰ্ষ।
৩। শ্ৰীতৰ্জন দাস — ১৯৯১-১৯৯২ বৰ্ষ।
৪। শ্ৰীবনমালী দাস — ১৯৯২-১৯৯৩ বৰ্ষ।
৫। শ্ৰীসত্যেন্দ্ৰ কলিতা — ১৯৯৩-১৯৯৪ বৰ্ষ।
৬। শ্ৰীকৃষ্ণকান্ত ডেকা — ১৯৯৪-১৯৯৫ বৰ্ষ।
৭। প্ৰকাশ নহ'ল
৮। শ্ৰীভৈৰৱ ডেকা — ১৯৯৬-১৯৯৭ বৰ্ষ।
৯। শ্ৰীকমল নাৰায়ণ বৈশ্য —১৯৯৭-১৯৯৮ বৰ্ষ।
১০। মহঃ মোজামিল হক — ১৯৯৮-১৯৯৯ বৰ্ষ।
১১। শ্ৰীতপন চন্দ্ৰ ডেকা — ১৯৯৯-২০০০ বৰ্ষ।
১২। শ্ৰীনৰজিৎ ডেকা — ২০০০-২০০১ বৰ্ষ।
১৩। মহঃ নজৰুল ইছলাম — ২০০১-২০০২ বৰ্ষ।
১৪। শ্ৰীৰমনী শৰ্মা — ২০০২-২০০৩ বৰ্ষ।
১৫। মহঃ মোস্তাকিন হক — ২০০৩-২০০৪ বৰ্ষ।
১৬। শ্ৰীমিণ্টু কুমাৰ বেজবৰুৱা — ২০০৪-২০০৫ বৰ্ষ।
১৭। শ্ৰীহৰেম্ব শৰ্মা — ২০০৫-২০০৬ বৰ্ষ।
১৮। শ্ৰীৰাকেশ কুমাৰ ডেকা — ২০০৬-২০০৭ বৰ্ষ।
১৯। শ্ৰীঅম্বিকা প্ৰসাদ বড়ো — ২০০৭-২০০৮ বৰ্ষ।
২০। শ্ৰীভদ্ৰেশ্বৰ দাস — ২০০৮-২০০৯ বৰ্ষ।
২১। মহঃ চহিদুল ইছলাম — ২০০৯-২০১০ বৰ্ষ।
২২। শ্ৰীমানৱ ডেকা (মানস) — ২০১০-২০১১ বৰ্ষ।
২৩। শ্ৰীদিপ্তী ডেকা — ২০১১-২০১২ বৰ্ষ।
২৪। শ্ৰীসোনাতন ডেকা — ২০১২-২০১৩ বৰ্ষ।
২৫। মহঃ চমচেৰুদ্দিন আহমেদ — ২০১৩-২০১৪ বৰ্ষ।
২৬। শ্ৰীজিতু ডেকা — ২০১৪-২০১৫ বৰ্ষ।
২৭। শ্ৰীমফিদুল ইছলাম — ২০১৫-২০১৬ বৰ্ষ।
২৮। শ্ৰীচিণ্টুচুমন কলিতা — ২০১৬-২০১৭ বৰ্ষ।
২৯। শ্ৰীৰুবুলজিৎ ডেকা — ২০১৭-২০১৮ বৰ্ষ।



মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰীৰ একাংশ



মহাবিদ্যালয়ৰ কৰ্মচাৰীৰ একাংশ



গ্ৰন্থাগাৰত কৰ্মৰত বিষয়াবৰ্গ




নৱাগত আদৰণী সভাত শিল্পীৰ
গীত পৰিবেশন



গ্ৰন্থাগৰৰ ভিতৰ চ'ৰা



গ্ৰন্থাগৰৰ ভিতৰ চ'ৰা



খেলসপ্তাহৰ এটি মুহূৰ্ত




বাথৌ পূজাৰ এটি মুহূৰ্ত



নৱাগত আদৰণীসভাৰ আৰম্ভণী গীত পৰিৱেশনৰ মুহূৰ্ত




নৱাগত আদৰণীসভাৰ মুকলি সভাৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ৰ পুৰনি আৰু নৱনিৰ্মিত ভৱনৰ একাংশ




মহাবিদ্যালয়ৰ মুখ্য তোৰণ